● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

জনাটোৱেই যথেষ্ট নহয়, যদি তাক কাৰ্যকৰী কৰা নহয়। ইচ্ছা প্ৰকাশেই যথেষ্ট নহয়, তাক কৰি দেখুৱাব লাগিব।

জোহান ৱল্ফগেং ৱন গ্যেটে
*জাৰ্মান লেখক*



www.dainikagradoot.in

৭ প্ৰচণ্ড উত্তাপ বৃদ্ধি-বনজুইত হাহাকাৰ ইউৰোপত
১৫ জাৰ্মানীত খেলিব পাৰে ৰোণাল্ডোৱে
৪ ধৰ্মনিৰপেক্ষতাৰ প্ৰতি অশনি সংকেত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৮তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৮ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 18 July 2022 মূল্য ঃ ৯.০০ টকা

## শ্ৰীলংকাৰ ভূতে খেদিছে ভাৰতীয় অৰ্থনীতিক

■ প্ৰাঞ্জলসেন ডেকা

**সম্প্ৰতি** বিশ্বৰ বহু দেশ গভীৰ আৰ্থিক সংকটত নিমজ্জিত হৈছে। দেউলীয়া হোৱা শ্ৰীলংকাত শেহতীয়াভাৱে সংঘটিত গণ অভ্যুত্থানে আন বহু দেশলৈ অশনি সংকেত দাঙি ধৰিছে। আনকি ভাৰতো চুবুৰীয়া দ্বীপৰাষ্ট্ৰখনৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে নেকি বুলিও বিভিন্ন মহলে আশংকা প্ৰকাশ কৰিছে। বিভিন্ন চৰকাৰী-বেচৰকাৰী পৰিসংখ্যা তথা বিগত কালছোৱাৰ আৰ্থিক গতিবিধি বিশ্লেষণ কৰিলে এই কথাকে ক'ব পাৰি যে ভাৰত শ্ৰীলংকাৰ দৰে ১০ পৃষ্ঠাত চাওক

■ শাসক-বিৰোধীৰ মাজত ব্যাপক তৎপৰতা ■ বিজেপিৰ আদিবাসী সম্প্ৰদায়ৰ মন্ত্ৰী-বিধায়ক-প্ৰাক্তন সাংসদৰ বিৰোধীৰ ঘৰে ঘৰে গৈ মুৰ্মুৰ হৈ ভোট ভিক্ষা ■ কে'বাটাও আঞ্চলিক দলৰ সমৰ্থন

# আজি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ আনুষ্ঠানিকতা

■ দুই তৃতীয়াংশ ভোট মুৰ্মুৱে লাভ কৰাটো নিশ্চিত বুলি দাবী শাসক পক্ষৰ নেতৃত্বৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** কাইলৈ অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ পূৰ্বে দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতিৰূপে এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কেৱল আনুষ্ঠানিকতা ৰক্ষাৰ বাবেহে কাইলৈ অনুষ্ঠিত হ'ব নিৰ্বাচন। এন ডি এ মিত্ৰজোঁটৰ বাহিৰৰ কে'বাটাও আঞ্চলিক দলে মুৰ্মুক সমৰ্থন জনাব বুলি ঘোষণা কৰিছে। তাৰ ফলত মুঠ ভোটৰ তিনিভাগৰ দুই অংশই মুৰ্মুই লাভ কৰাটো নিৰ্বাচনৰ পূৰ্বেই নিশ্চিত





হৈছে। ইয়াৰ ফলত দেশৰ প্ৰথমগৰাকী আদিবাসী মহিলা ৰাষ্ট্ৰপতি হিচাপে মুৰ্মুই অহা ২৫ জুলাইত শপত গ্ৰহণ কৰাৰ পথ প্ৰশস্ত হৈছে। তদুপৰি তেওঁ হ'ব দেশৰ পঞ্চদশ গৰাকী ৰাষ্ট্ৰপতি। বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী যশৱন্ত সিন্‌হাই বিৰোধী দলৰ ভোট লাভৰ বাবে প্ৰচাৰ চলায় যদিও কে'বাটাও আঞ্চলিক দলে তেওঁক নিৰাশ কৰে। সিন্‌হাৰ পৰিৱৰ্তে মুৰ্মুক সমৰ্থন জনোৱা আঞ্চলিক দলবোৰ হ'ল বি জে ডি, ১০ পৃষ্ঠাত চাওক



*প্ৰকৃতিৰ লীলা! এহাতে বানৰ তাণ্ডৱ আৰু আনহাতে বৰষুণৰ অভাৱত শুকান পথাৰত কৃষকৰ হাহাকাৰ, গোৱালপাৰাত।*

■ ৰাজহ বিভাগৰ বহু বিষয়া-কৰ্মচাৰীৰ গাফিলতিৰ পৰিণতি ■ দ্বিতীয় পৰ্যায় আৰম্ভ কৰাৰ পূৰ্বে দিছপুৰে বিচাৰিছে তথ্য ■ মধ্য আৰু পশ্চিম অসমত মীমাংসা সন্তোষজনক নহয়

## বসুন্ধৰাত ন্যায় বঞ্চিত বহু আবেদনকাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** অসম চৰকাৰে ৰূপায়ণ কৰা অভিলাষী প্ৰকল্প 'মিছন বসুন্ধৰা'ৰ প্ৰথম পৰ্যায় সামগ্ৰিকভাৱে সফল হ'লেও ৰাজ্যৰ বহুকেইখন জিলাত একাংশ বিষয়া-কৰ্মচাৰীৰ গাফিলতিত প্ৰাপ্য ন্যায়ৰ পৰা বঞ্চিত হ'ল বহু আবেদনকাৰী। অহা দুই অক্টোবৰৰ পৰা ৰাজ্য চৰকাৰে মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায় আৰম্ভ কৰিবলৈ আগবঢ়াৰ সময়ত পোহৰলৈ আহিছে এই তথ্য। মিছন বসুন্ধৰাত বিতৰ্কহীন তথা বিশেষ জটিলতা নথকা ভূমি সম্পৰ্কীয় বিষয়বোৰৰ সমাধানত অগ্ৰাধিকাৰ দিয়া হয়। অথচ প্ৰথম পৰ্যায়ত এনে বহু আবেদনৰ ফলাফল নোলাল, যিবোৰৰ কোনো ধৰণৰ জটিলতা নাছিল। নামজাৰিৰ পৰা ভূমিৰ ম্যাদী পট্টালৈকে সকলোতে একাংশ কৰ্মচাৰীৰ গাফিলতিত আবেদনকাৰীসকল আঁচনিখনৰ সুফল লাভৰ পৰা বঞ্চিত হয়। সেয়েহে কি কাৰণত এনে হ'বলৈ পালে তাৰ উত্তৰ চৰকাৰে বিচাৰিছে ৰাজহ বিভাগৰ পৰা। উল্লেখ্য যে মিছন বসুন্ধৰাত ৮,১৩,৯৮১ খন আবেদন দাখিল হৈছিল। তাৰে ৫,৮২,৬৬৮ খনৰ সমস্যাৰ সমাধান কৰা হয়। ভূমি সম্পৰ্কীয় লাখ লাখ আবেদন ৰাজহ বিভাগৰ বিভিন্ন কাৰ্যালয়ত বছৰ বছৰ ধৰি কোনো বিচাৰ নোহোৱাকৈ পৰি আছে। তাৰে যিবোৰৰ বিশেষ জটিলতা নাই, সেইবোৰৰ সমাধানক ১০ পৃষ্ঠাত চাওক

## চিয়াং নদীত উটি গ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুজন ছাত্ৰ

কথমপি প্ৰাণৰক্ষা তিনিৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১৭ জুলাই ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুজনকৈ ছাত্ৰ অৰুণাচলৰ চিয়াং নদীৰ কোবাল সোঁতত উটি যোৱা ঘটনাই সমগ্ৰ ৰাজ্যতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঁচজন ছাত্ৰ অৰুণাচলৰ পাচিঘাটৰ চিয়াং নদীৰ ৰাণে ঘাটলৈ গৈছিল। অতি খৰস্ৰোতা নদী চিয়াঙত গা ধুইছিল পাঁচজন ছাত্ৰই। কিন্তু নদীখনৰ বিষয়ে কোনো সম্যক জ্ঞান নথকা তথা পাহাৰীয়া দুই পৃষ্ঠাত চাওক

■ জনতা ভৱনত বৃক্ষৰোপণেৰে মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক প্ৰকল্পৰ শুভাৰম্ভ ■ অধিক বলিষ্ঠভাৱে বন সুৰক্ষা কৰিবলৈ নিৰ্দেশ

## পূৰ্বৰ কৰ্মপদ্ধতি সলনি কৰি বনাঞ্চল উদ্ধাৰ অভিযানৰ আহ্বান বন বিভাগক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** আজি জনতা ভৱন চৌহদত বৃক্ষৰোপণেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাহজুৰি চলিবলগীয়া মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ আৰম্ভণি কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বনাঞ্চল সুৰক্ষাৰ লগতে ৰাজ্যৰ সেউজ আৱৰণ বৃদ্ধিৰ বাবে পৰিৱেশ আৰু বন বিভাগক অধিক বলিষ্ঠ পদক্ষেপ ল'বলৈ কয়। ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত ৰূপায়িত তথা আজিৰে পৰা ১৫ আগষ্টলৈ চলিবলগীয়া এই প্ৰকল্পই অসম চৰকাৰৰ অধীনস্থ সকলো চৰকাৰী কাৰ্যালয়, পৰিষদ, স্থানীয় নিগম আৰু নিকায়, স্বায়ত্ত শাসিত পৰিষদ, পঞ্জীয়নভুক্ত ছ'চাইটি আৰু শিক্ষানুষ্ঠানসমূহকে ধৰি ৮০ হাজাৰৰো অধিক প্ৰাতিষ্ঠানিক চৌহদ সামৰি ল'ব। এই প্ৰকল্পৰ জৰিয়তে স্থানীয়ভাৱে উপলব্ধ ঔষধি আৰু ১০ পৃষ্ঠাত চাওক

## শ্ৰীলংকাৰ জটিল পৰিস্থিতিক লৈ কাইলৈ দিল্লীত সৰ্বদলীয় বৈঠক

এশ দিন সম্পূৰ্ণ শ্ৰীলংকাৰ প্ৰতিবাদৰ ■ কৌশলী স্থিতি গ্ৰহণ ভাৰতৰ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৭ জুলাই ঃ** চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত বাহাল থকা জটিল পৰিস্থিতিত ভাৰত চৰকাৰে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে অৱগত কৰিবলৈ অহা ১৯ জুলাইৰ বিয়লি কেন্দ্ৰীয় চৰকাৰে এখন সৰ্বদলীয় সভা আহ্বান কৰিছে। এই সভাত চৰকাৰৰ কাম-কাজৰ ব্যাখ্যা আগবঢ়াব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বৈদেশিক মন্ত্ৰী ড° এছ জয়শংকৰে। শ্ৰীলংকাই সন্মুখীন হোৱা জৰুৰী আৰ্থিক ১০ পৃষ্ঠাত চাওক



## বিৰোধীৰ উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী মাৰ্গাৰেট আলভা

১৭ টা দলৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৭ জুলাই ঃ** দেশৰ ১৭ টা বিৰোধী দলে দেশৰ পৰৱৰ্তী উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে আজি জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন ৰাজ্যপাল মাৰ্গাৰেট আলভাক প্ৰক্ষেপ কৰে। ইয়াৰ বাবে এন চি পিৰ সভাপতি শাৰদ পাৱাৰৰ বাসভৱনত বিৰোধী দলবোৰৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে আলভাৰ নাম চূড়ান্ত কৰা হয়। ইয়াৰ ফলত বিজেপি তথা এন ডি এৰ প্ৰাৰ্থী তথা পশ্চিমবংগৰ ৰাজ্যপাল জগদীপ ধনখড়ৰ দুই পৃষ্ঠাত চাওক

## গোলাঘাটত ড্ৰাগছৰ কবলত পৰি মৃত্যু আৰক্ষীৰ

ড্ৰাগছ ব্যৱসায়ীয়ে হত্যা কৰাৰ অভিযোগ পৰিয়ালৰ



**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৭ জুলাই ঃ** গোলাঘাট নগৰৰ মাজমজিয়াতে এইবাৰ মাৰাত্মক ড্ৰাগছৰ কবলত পৰি মৃত্যু হ'ল এজন আৰক্ষীৰ। এই ঘটনাই গোলাঘাট আৰক্ষীৰ চূড়ান্ত অকৰ্মণ্যতা আৰু ব্যৰ্থতা উদঙালে বুলি সৰব হৈছে ৰাইজ। আনহাতে, আৰক্ষী জোৱানজনক ড্ৰাগছ ব্যৱসায়ীয়ে ১০ পৃষ্ঠাত চাওক

■ যোৱা এসপ্তাহে চপৰা চপৰে খহিছে মাটি

## বৰছলাত শিৱ মন্দিৰসহ ব্ৰহ্মপুত্ৰত জাহ গ'ল বাসগৃহ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৭ জুলাই ঃ** বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঝাৰণিত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে যোৱা নিশা ইয়াত শিমলুগুৰি শিৱ মন্দিৰটো ব্ৰহ্মপুত্ৰত সম্পূৰ্ণৰূপে জাহ যায়। তদুপৰি অঞ্চলটোৰ গণেশ ছেত্ৰী, পূৰ্ণ ছেত্ৰী, ৰাম বাহাদুৰ চাহানি, প্ৰেম লাল চাহানি, নানকি চাহানিৰ বাসগৃহও এই খহনীয়াত জাহ গৈছে। উল্লেখ্য যে এই পৰিয়াল পাঁচটাই লাভ কৰা চৰকাৰী গৃহ খহনীয়াত জাহ ১০ পৃষ্ঠাত চাওক


## নগাঁও কাগজ কলৰ যোগানকাৰীক অনাদায় ৪৪০ কোটি

চৰকাৰক সহায় প্ৰাৰ্থনা


**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও ১৭ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ উদ্যোগত নগাঁও আৰু কাছাৰ কাগজ কলৰ কৰ্মচাৰীয়ে প্ৰাপ্য ধনকে ধৰি সা-সুবিধাসমূহ লাভ কৰাত বিষয়া-কৰ্মচাৰীসকলৰ মাজত সন্তুষ্টি বিয়পিছে যদিও এতিয়াও অথাই সাগৰত আছে দুয়োটা উদ্যোগৰ এসময়ৰ ঠিকাদাৰ ১০ পৃষ্ঠাত চাওক

আৰক্ষীত হাহাকাৰ ■ কনিষ্টবল অৰুণজ্যোতি শইকীয়া নিলম্বন

## নগাঁও আৰক্ষী ছাউনীৰ কনিষ্টবলৰ ঘৰৰ পৰাই চুৰি হ'ল এ কে-৪৭ৰ গুলি



**বিশেষ সংবাদদাতা**
**নগাঁও,১৭ জুলাই ঃ** সকলো সময়তে শ শ সশস্ত্ৰ আৰক্ষীয়ে গিজগিজাই থকা নগাঁও আৰক্ষী ছাউনীৰ এজন আৰক্ষী কনিষ্টবলৰ বাসগৃহৰ পৰাই এ কে ৪৭ ৰাইফলৰ ৯০ জাঁই সক্ৰিয় গুলি চুৰি হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগাঁও আৰক্ষীৰ এগৰাকী অতিৰিক্ত আৰক্ষী অধীক্ষকৰ দেহৰক্ষী (পি এছ অ') হিচাপে কৰ্মৰত অৰুণজ্যোতি শইকীয়া নামৰ কনিষ্টবলজনৰ চৰকাৰী আৱাসগৃহৰ পৰাই চুৰি হয় এ কে ৪৭ ৰাইফলৰ বৃহৎ সংখ্যক সক্ৰিয় গুলি। ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৭° | ২৭° |
| ডিব্ৰুগড় | ৩৭° | ২৭° |
| দিল্লী | ৩৪° | ২৯° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ২৯° | ২৭° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২৭° | ১৮° |

*১৭ জুলাই, ২০২২*

■ হু ইজ ভূপেন বৰা বুলি প্ৰশ্ন এআইইউডিএফৰ মুৰব্বীৰ

## কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হ'ল কিছুদিন পূৰ্বলৈ মিত্ৰতা বজাই ৰখা আজমল




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** কংগ্ৰেছে বিজেপিৰ লগত এশ শতাংশ বুজাপৰাৰে কাম কৰি থকা বুলি আজি মন্তব্য কৰে কিছুদিন পূৰ্বলৈ কংগ্ৰেছৰে মিত্ৰতা বজাই ৰখা এআইইউডিএফৰ সভাপতি তথা সাংসদ বদৰুদ্দিন আজমলে। আজমলে সাংবাদিকক কয় যে বিজেপিৰে থকা বুজাপৰাৰ বাবেই কংগ্ৰেছে এআইইউডিএফৰ বিধায়ক থকা সমষ্টিবোৰত বিশেষভাৱে বিভিন্ন ১০ পৃষ্ঠাত চাওক

## মন্ত্ৰী অতুল বৰাৰ বিৰুদ্ধে সামাজিক মাধ্যমত মন্তব্য

চুতীয়া ছাত্ৰ সন্থাৰ গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** সামাজিক মাধ্যম ফেচবুকত মন্ত্ৰী অতুল বৰাক সাঙুৰি ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ বিৰুদ্ধে অপমানসূচক মন্তব্য কৰা লখিমপুৰৰ ১০ পৃষ্ঠাত চাওক

## পাঁচ বন্ধুসহ ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈ কোৱাল সোঁতত উটি গ'ল এজন যুৱক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** মহানগৰীৰ উজানবজাৰ ঘাটত আজি বিয়লি সংঘটিত হয় এক শোকাৱহ ঘটনা। ব্ৰহ্মপুত্ৰত গা ধুবলৈ যোৱা পাঁচ বন্ধুৰ ভিতৰত এজনক কোৱাল সোঁতে উটুৱাই লৈ যোৱা ঘটনাটোৱে অঞ্চলজুৰি শোকৰ ছাঁ দুই পৃষ্ঠাত চাওক



চেঙা তেল



*ৰবা, ৰণচণ্ডী ৰূপ নধৰিবা... তেৰাচৰে কৈছেই দেখোন ২৪ৰ ভিতৰত উংপূবৰ সকলো সমস্যা সমাধান হ'বই বুলি...*

■ বিলাসী জীৱন যাপনে সময়বোৰ কঠিন কৰি তুলিছে ■ কোৰিয়ান চিত্ৰশিল্পী কিম ইয়ৌং হু

## আমেৰিকাই আমাক শোষণ আৰু হত্যা কৰিছে

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ১৭ জুলাই ঃ** 'আমেৰিকাৰ দৰে ৰাষ্ট্ৰই আমাক সম্পূৰ্ণ ভুল পথেৰে পৰিচালিত কৰি আমাক শোষণ আৰু হত্যা কৰি আহিছে। সেয়ে কবি আৰু শিল্পীসকলে পৰস্পৰে একত্ৰিত হৈ বিদেশী ভাষা আৰু অপসংস্কৃতিৰ বিৰুদ্ধে নিজ নিজ কাৰ্যপন্থাৰে সবল ৰূপত প্ৰতিবাদ




কৰি গ'লে আমাৰ দেশ উজ্জ্বল পথেৰে গতি কৰিব।' এই মন্তব্য দক্ষিণ কোৰিয়াৰ জনপ্ৰিয় কবি চিত্ৰশিল্পী কিম' ইয়ৌং হুৰ।' 'ইথিনিক আৰ্টিষ্ট ছ'চাইটি'ৰ গোৱালপাৰা জিলাৰ ৰখাপাৰাত অৱস্থিত মুখ্য কাৰ্যালয়ত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈ থকা চিত্ৰকলা কৰ্মশালা আৰু কবি সন্মিলনীৰ আজি ১০ পৃষ্ঠাত চাওক

কেন্দ্ৰই এইবাৰৰ বানত গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগ ঘোষণাক লৈ সন্দেহ

## অসমৰ বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবী ৰাইজৰ দলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুলাই ঃ** অসমৰ বান আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে কেন্দ্ৰীয় চৰকাৰক ঘোষণা কৰাৰ দাবী জনাইছে ৰাইজৰ দলে। আজি ইয়াত এক সংবাদমেলত এই দাবী জনাই দলটোৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে কয় যে অসমৰ বানক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিবলৈ কেন্দ্ৰৰ ওচৰত দাবী উত্থাপনৰ সাহস অসমৰ মুখ্যমন্ত্ৰীৰ নাই। সেইবাবেই তেওঁ অসমৰ বানক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবীক আবেগিক বুলি কৈ এৰাই চলিব বিচাৰিছে। আনহাতে, অসমৰ এইবাৰৰ বানক কেন্দ্ৰই গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগৰূপে সঁচাকৈয়ে ঘোষণা কৰিছে নে নাই তাক লৈ গগৈয়ে সন্দেহ প্ৰকাশ কৰে। তেওঁ কয়, 'কেন্দ্ৰৰ গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগ ঘোষণাৰ কোনো চৰকাৰী জাননী এই পৰ্যন্ত আমাৰ দৃষ্টিগোচৰ হোৱা নাই। তদুপৰি গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগ ঘোষণাৰ ফলত অসমে কি কি বিশেষ সুবিধা লাভ কৰিব সেই ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৮ জুলাই, ২০২২ সোমবাৰ পৃষ্ঠা তিনি



## চাৰ্কাছ চলি থাকিব

**ঃ হেৰা!** কিছুমান কথা ভাবিলে মনটো বৰ ভাল লাগি যায়হে!
ঃ কি কথানো?
ঃ সৰুতে আমাৰ গাঁৱলৈ চাৰ্কাছ পাৰ্টি আহিছিল বুজিছা।
ঃ আমাৰ গাঁৱলৈও আহিছিল। পূজা-পাৰ্বণ, সৰাহত এটাকৈ চাৰ্কাছ পাৰ্টি আছিলেই।
ঃ চাৰ্কাছ চাই মই বৰ ভাল পাইছিলোহে!
ঃ আটায়ে ভাল পাইছিল।
ঃ সেই যে জীৱ-জন্তুবোৰে খেলা দেখুৱায়, চাই বৰ ভাল লাগিছিলহে।
ঃ মই আকৌ মানুহৰ চাৰ্কাছবোৰ চাইহে বেছি ভাল পাইছিলো।
ঃ চাৰ্কাছত যে জোকাৰবোৰ আছিল।
ঃ বৰ হাঁহি উঠিছিলহে সিহঁতক দেখি!
ঃ ইটোৱে গৈ যে সিটোক পাছফালৰ পৰা লথিয়াই দিছিল!
ঃ লেং মাৰি দিছিল!
ঃ বৰ ভাল লাগিছিলহে সেইবোৰ চাই।
ঃ বাইকৰ খেলাও দেখুৱাইছিল।
ঃ জঁপিওৱাৰ খেলাও দেখুৱাইছিল।
ঃ মাজে মাজে আকৌ দুই-এক যাদুকৰো আহিছিল।
ঃ সেই যাদুকৰবোৰে চাৰ্কাছৰ ফাঁকে ফাঁকে তামাম যাদু দেখুৱাইছিল।
ঃ বৰ মজাদাৰ আছিলহে যাদুবোৰ।
ঃ চাৰ্কাছবোৰ চাই চাই আমি কম স্ফূৰ্তি পাইছিলোনে?
ঃ চাপৰি বজাওতে বজাওতে হাত বিষাই গৈছিল।
ঃ হঠাতে বজ্ৰ আহি পৰিল চাৰ্কাছ পাৰ্টিৰ ওপৰত।
ঃ কি হ'ল?
ঃ জীৱ-জন্তুৰ খেলা দেখুওৱাটো বন্ধ কৰি দিয়া হ'ল।
ঃ সেইটো অৱশ্যে হয়। এই অৰ্ডাৰটোৱে চাৰ্কাছ পাৰ্টিৰ ওপৰত মোক্ষম আঘাত হানিলে।
ঃ তেতিয়া বহুতে কৈছিল....
ঃ কি কৈছিল?
ঃ কৈছিল যে চাৰ্কাছ পাৰ্টিবোৰ বন্ধ হৈ যাব, নাইকিয়া হৈ যাব!
ঃ বন্ধতো হ'লেই!



ঃ তথাপি চলি আছে। কলঢপ কলঢপকৈ হ'লেও চলি আছে।
ঃ সেইটো অৱশ্যে হয়।
ঃ তাতোকৈ ডাঙৰ কথাটো কি জানা?
ঃ কিনো?
ঃ আমাক চাৰ্কাছ চোৱাৰ আনন্দৰ পৰা বঞ্চিত হ'বলৈ দিয়া নাই।
ঃ কোনে দিয়া নাই?
ঃ এই পলিটিকেল পাৰ্টিবোৰে।
ঃ সেইটো অৱশ্যে হয়।
ঃ ইলেকছনৰ সময়ত কম চাৰ্কাছ দেখুৱায়নে?
ঃ ঠিকেই! ইলেকছনৰ টাইমত চাৰ্কাছ চোৱাৰ নিচিনাকৈ এটা থ্ৰিল ফিল কৰা যায়।
ঃ সময়ে সময়ে বিভিন্ন যাদুতো দেখুৱায়ে থাকে।
ঃ কেনে যাদু?
ঃ এই ধৰা—হঠাতে মাৰ্কেটৰ পৰা পাঁচশ টকীয়া, এহেজাৰ টকীয়াবোৰ নাইকিয়া হৈ গ'ল। বেংকৰ পৰা হেজাৰ হেজাৰ কোটি মৰাসকল হঠাতে অদৃশ্য হৈ গ'ল। কম যাদুনে এইবোৰ?
ঃ মাজে মাজে বাইক বা স্কুটী চলাই চাৰ্কাছ দেখুৱায়।
ঃ মাজে মাজে এন্ধাৰে-মুন্ধাৰে বোমা মাৰি চাৰ্কাছ দেখুৱায়।
ঃ মাজে মাজে দেছভক্ত আৰু দেছদ্ৰোহী বাছনিৰ নামতো জোকাৰামি কৰে।
ঃ মুঠতে চাৰ্কাছ সদায় চলি থাকিব বুজিছা। যেতিয়ালৈ গণতন্ত্ৰ জীয়াই থাকিব, তেতিয়ালৈ এইবোৰ চাৰ্কাছো চলি থাকিব।

## এজাক বৰষুণৰ পানীয়ে ডুবালে খাৰুপেটীয়া নগৰ



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ১৭ জুলাই ঃ** আজি পুৱা হোৱা এজাক প্ৰৱল বৰষুণৰ ফলত পানীয়ে ডুবালে দৰঙৰ খাৰুপেটীয়া নগৰ। মাত্ৰ কিছুদিন পূৰ্বে প্ৰলয়ংকৰী বান পৰিস্থিতিৰ পৰা জিলাবাসী সম্প্ৰতি মুক্ত হোৱাৰ সময়তে পুনৰ আজি খাৰুপেটীয়া নগৰ কৃত্ৰিম বানৰ কবলত পৰে। জিলাখনৰ প্ৰধান ব্যৱসায়িক নগৰ খাৰুপেটীয়াত আজি পুৱাৰ ভাগত হোৱা এজাক বৰষুণৰ পাছত নগৰখনৰ মাজেৰে যোৱা ১৫ নম্বৰ ঘাইপথ পানীৰ তলত বুৰ যোৱাত বাহনৰ চলাচলত ব্যাঘাত জন্মে। লগতে বহু ব্যৱসায়িক প্ৰতিষ্ঠান, বজাৰ, আবাসিক গৃহ আদিত হঠাৎ পানী সোমাই যোৱাত বহু লাখ টকাৰ সামগ্ৰী নষ্ট হৈ পৰে। নগৰখনৰ বহু অঞ্চল পানীয়ে বুৰাই পেলোৱাত চহৰখনত স্বাভাৱিক জীৱন যাত্ৰা সম্পূৰ্ণৰূপে ছয় পৃষ্ঠাত চাওক

## চিৰাঙত গ্ৰীষ্মকালীন বড়ো নৃত্য প্ৰশিক্ষণৰ সামৰণি



**অগ্ৰদূত ব্যৰ'**
**বঙাইগাঁও, ১৭ জুলাই ঃ** চিৰাং জিলাৰ ৰৌমাৰীস্থিত চিফুং হাৰিমু আফাতৰ উদ্যোগত ৰৌমাৰী দেৰহাসাৰ প্ৰেক্ষাগৃহত ১৫ দিনীয়াকৈ অনুষ্ঠিত থলুৱা বড়ো নৃত্য-গীতৰ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। বিগত ২০১৪ৰ পৰা অঞ্চলটোত এমুঠি শিক্ষিত যুৱক-যুৱতীয়ে বড়ো লোক-কৃষ্টি ৰক্ষাৰ হকে অহৰহ চেষ্টা চলাই আহিছে। বড়ো কৃষ্টিৰ সাধনা কৰি অহা যুৱকসকলৰ লগতে সংস্থাটোৰ যুৱতীসকলে বাঁহী, ঢোল, খাম, বজাই সমাজত দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এইবেলি ৰৌমাৰী চিফুং হাৰিমু আফাতৰ উদ্যোগত বিগত তিনি জুলাইৰ পৰা অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক

## তামাৰহাটত বিলাসী বাহনসহ গৰু জব্দ ঃ দুজনক গ্ৰেপ্তাৰ

**তামাৰহাট, ১৭ জুলাই ঃ** ধুবুৰী জিলাৰ তামাৰহাটত গৰুসহ চাৰি চকীয়া এখন বিলাসী বাহন জব্দ কৰাৰ লগতে দুজন গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰাইজে নিজৰ প্ৰচেষ্টাত অভিযান চলায়। ধৃত গৰু চোৰ দুজন হৈছে ধুবুৰী জিলাৰ গৌৰীপুৰ চাৰি নম্বৰ ৱাৰ্ড আবুবক্কৰ ছিদ্দীক (৩২) আৰু মধুসুলমাৰি আনাৰুল ইছলাম (৩৬)। এজন চোৰে নিশা তিনিটা গৰু চোৰাং পথেৰে নি থকা সময়ত দফৰপুৰত ছয় পৃষ্ঠাত চাওক

### জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত আঠশৰো অধিক

# জনবিস্ফোৰণত সলনি নগাঁৱৰ কাঠামো

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুলাই ঃ** নগাঁও জিলাত হোৱা ব্যাপক জনবিস্ফোৰণৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ জনগাঁথনিয়েই সলনি হৈ পৰিছে। আনহাতে, এই জনবিস্ফোৰণৰ পাৰ্শ্বক্ৰিয়া হিচাপে জিলাখনৰ সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক কাঠামোৰ অস্বাভাৱিক পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। প্ৰাপ্ত চৰকাৰী তথ্য অনুসৰি, বিগত ১৯৯১ৰ লোকপিয়লত অবিভক্ত নগাঁও জিলাৰ মুঠ জনসংখ্যা আছিল ২০,৭৩,৬৩৬ জন। সেই সময়ত অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব আছিল প্ৰতি বৰ্গকিলোমিটাৰত মাত্ৰ ৪৫৮ জন। কিন্তু ২০১১ৰ লোকপিয়লৰ তথ্য অনুসৰি, অবিভক্ত জিলাখনৰ মুঠ জনসংখ্যা হয় ২৮,২৩,৭৬৮ জন। ঠিক একেদৰে, অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব প্ৰতি কিলোমিটাৰত ৭১১জন হয়। যিটো অতি উদ্বেগজনক বিষয়। লোকপিয়ল হৈ যোৱা ইতিমধ্যে প্ৰায় ১০ বছৰৰো অধিক কাল উকলিছে। এই পৰ্যন্ত অবিভক্ত জিলাখনৰ জনসংখ্যা প্ৰায় ৩১ লাখৰো অধিক হৈছে। ছয় পৃষ্ঠাত চাওক



বাগ্‌সাৰ খেতিপথাৰত ব্যস্ত ৰোৱণী, দেওবাৰে।

## কমাৰগাঁৱত চুতীয়া জনগোষ্ঠীৰ বিৰুদ্ধে ফেচবুকত অশালীন মন্তব্য

### দ্বীপেন দেউৰীৰ বিৰুদ্ধে চুতীয়া ছাত্ৰ সন্থাৰ এজাহাৰ

**খুমটাই, ১৭ জুলাই ঃ** সামাজিক মাধ্যম ফেচবুকত ৰাজ্যৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী অতুল বৰা আৰু যুৱ নেত্ৰী কস্তুৰী চুতীয়াৰ বিৰুদ্ধে চুতীয়া সম্প্ৰদায়ৰ লোক হোৱাৰ বাবে লখিমপুৰৰ দ্বীপেন দেউৰী নামৰ লোকজনে অশালীন মন্তব্য প্ৰদান কৰাৰ বাবে আজি বোকাখাত মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক লাচিত কাকতিয়ে আৰক্ষী থানাত দেউৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। অসমৰ ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ লোকসকলক লৈ কোনেও যাতে অশালীন মন্তব্য নকৰে তাৰ বাবে ছাত্ৰ নেতাজনে আহ্বান জনায়।

### কথমপি ৰক্ষা ১২০ ছাত্ৰীৰ

## ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ গাৰ্লছ হোষ্টেলত অগ্নিকাণ্ড

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১৭ জুলাই ঃ** ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ গাৰ্লছ হোষ্টেলত অগ্নিকাণ্ড। ডিব্ৰুগড়ৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ মহাবিদ্যালয়ৰ ছোৱালী হোষ্টেলত আজি সন্ধিয়া হঠাৎ সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাই হোষ্টেলৰ ছাত্ৰীসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰে। অগ্নিকাণ্ডৰ ফলত হোষ্টেলৰ ছাত্ৰীসকলৰ হেঁচা-ঠেলা আৰু দৌৰাদৌৰিত কে'বাগৰাকীয়ো ছাত্ৰী আহত হ'ব লগা হয়। এগৰাকী ছাত্ৰী কিছু পৰিমাণে অগ্নিদগ্ধ হয়। ছাত্ৰীসকলৰ পৰীক্ষাৰ মাজতে সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত ছাত্ৰীসকল আতংকিত হৈ পৰিছে। কাইলৈয়ো ছাত্ৰীসকলৰ পৰীক্ষা আছিল। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিতৰ বাবে অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ কৰা হৈছে। অৱশ্যে ডিব্ৰুগড় অগ্নি নিৰ্বাপক বাহিনীৰ বাহনে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ পৰা ৰক্ষা পৰে হোষ্টেলটো। ১২০ গৰাকী ছাত্ৰী আছিল হোষ্টেলটোত। নিশাৰ ভাগলৈকে হোষ্টেলৰ আৱাসীসকল পুনৰ ঘূৰি যাব নোৱাৰাত ক্ষয়-ক্ষতিৰ পৰিমাণ অদ্যাপি জানিব পৰা হোৱা নাই।

## সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ লখিমপুৰ জিলা সমিতিৰ ৰাজহুৱা সভা

## জনসংখ্যা অনুপাতে বিভিন্ন ক্ষেত্ৰত আসন সংৰক্ষণৰ দাবী



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৭ জুলাই ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ লখিমপুৰ জিলা সমিতিৰ ৰাজহুৱা সভা আজি লখিমপুৰ শেনচোৱা এল পি স্কুল প্ৰাংগণত অনুষ্ঠিত হয়। পৰিষদে উক্ত ৰাজহুৱা সভাত জনগোষ্ঠীটোৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি বিভিন্ন ক্ষেত্ৰত সা-সুবিধাৰ পৰা বঞ্চিত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় আৱশ্যেকীয় দিশসমূহ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। ম্যাদী পট্টা, স্নাতক পৰ্যায়লৈকে ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ ব্যৱস্থা, জনসংখ্যাৰ অনুপাত অনুমতিৰ মেডিকেল-ইঞ্জিনীয়াৰিঙৰ বাবে আসন সংৰক্ষিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তদুপৰি ৰাজ্যসভাতো চাকৰি, জনসংখ্যাৰ অনুপাতে আসন সংৰক্ষণ আদি বহুকেইটা গুৰুত্বপূৰ্ণ সমস্যাৰ স্থায়ী প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ৰাজহুৱা সভাত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বাহাৰুল ইছলাম, সমাজকৰ্মী চফিকুল হুছেইন, পৰিষদৰ জিলা সভাপতি চৈয়দ ছফিউল হুছেইন প্ৰমুখ্যে পৰিষদৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়।

### ন্যায় বিচাৰি আৰক্ষী থানা উত্তাল কৰিলে ঃ আটক স্বামী

## স্বামী পৰিয়ালৰ নিৰ্যাতন সহিব নোৱাৰি কৰিলে আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ১৭ জুলাই ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰাত বোৱাৰীৰ ৰহস্যজনক আত্মহত্যাক লৈ আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঠেলামৰা আৰক্ষী থানাৰ নিচেই কাষৰ প্ৰিয়ংকা মজুমদাৰ নামৰ মহিলাগৰাকী ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, প্ৰিয়ংকাৰ স্বামী কুশ দাসসহ স্বামীৰ পৰিয়ালে দীৰ্ঘদিন যৌতুকৰ লগতে বিভিন্ন কাৰণত প্ৰিয়ংকা মজুমদাৰক শাৰীৰিক-মানসিকভাৱে অত্যাচাৰ চলাই আহিছিল। স্বামীৰ পৰিয়ালৰ বিৰুদ্ধে পৰিকল্পিত হত্যাৰ সন্দেহ প্ৰিয়ংকাৰ পিতৃ পৰিয়ালৰ। ইতিমধ্যে অভিযুক্ত স্বামী কুশ দাসক আটক কৰি জেললৈ প্ৰেৰণ কৰিছে ঠেলামৰা আৰক্ষীয়ে। তথ্য মতে, তেজপুৰ গোটলোঙৰ নিৱাসী সৰস্বতী মজুমদাৰ, ৰাম প্ৰসাদ মজুমদাৰৰ কন্যা প্ৰিয়ংকা মুজুমদাৰৰ সামাজিকভাৱে বিবাহ পাশত আবদ্ধ হৈছিল ঠেলামৰাৰ কুশ দাসৰ স'তে। কুশ দাসৰ পৰিয়াল ধনাঢ্য পৰিয়াল আৰু প্ৰিয়ংকাৰ পৰিয়াল অতি দৰিদ্ৰ হোৱা হেতুকে স্বামীৰ পৰিয়ালে বিভিন্ন ধৰণে অত্যাচাৰ চলাই আহিছিল। পৰিণতিত প্ৰিয়ংকাই কালি বিয়লি ভাগত নিজ গৃহতে স্বামীৰ অনুপস্থিতিত চিপ লৈ আত্মহত্যা কৰে। কিন্তু ৰহস্যজনকভাৱে স্বামীৰ পৰিয়ালে আৰক্ষীক অৱগত নকৰাকৈ চিকিৎসালয়ত ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাৰ সন্তৰত সুলভ মূল্যৰ চোৰাং চাউল জব্দ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৭ জুলাই ঃ** বাগ্‌সা জিলাত অব্যাহত আছে বগা চাউলৰ ক'লা বেহা। জিলাখনৰ শালবাৰী মহকুমাৰ অন্তৰ্গত সন্তৰ গাঁৱত আজি পুৱতি নিশা স্থানীয় ৰাইজে ৫০ বেগ চোৰাং চাউলসহ এখন এএছ-১৪ এচি-০৫৬৪ টাটা এচি গাড়ী জব্দ কৰে। ইয়াৰ পাছতে ৰাইজে গাড়ীখনৰ চালকক জেৰা কৰাত চাউলখিনি সন্তৰ গাঁৱৰে সুলভ মূল্যৰ দোকানী দিলীপ দাসৰ বুলি স্বীকাৰ কৰে। চাউলখিনি দিলীপ দাসৰ ঘৰৰ পৰা বিক্ৰীৰ বাবে লৈ অনা বুলিও জানিব পৰা হৈছে। ইফালে, ঘটনাস্থলীত ছয় পৃষ্ঠাত চাওক

## ভূটান সীমান্তৰ দৰঙাপাৰত বনৰীয়া মেঠোনৰ সন্ত্ৰাস




**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১৭ জুলাই ঃ** তামুলপুৰ জিলাৰ ভূটান সীমন্তৰ দৰঙাপাৰত আজি পুৱাৰ ভাগত ভূটান পাহাৰৰ পৰা নামি অহা এটা বনৰীয়া মেঙোনে প্ৰৱেশ কৰি এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। প্ৰাপ্ত তথ্য মতে, আজি পুৱাৰ ভাগত দৰঙাপাৰ গাঁও কেইখনমান লোকে গাঁওখনৰ এটা পৰিয়ালৰ বাৰীত এটা প্ৰকাণ্ড মেঠোন প্ৰত্যক্ষ কৰি চিঞৰ-বাখৰ লগাই দিয়াত আতংকিত হৈ পৰে গাঁওবাসী। মেঠোনটো প্ৰত্যক্ষ কৰি আতংকিত হৈ পৰা গাঁওবাসীয়ে লগে লগে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ত খবৰ দিয়ে। গাঁওখনত মেঠোনটোৱে অৱস্থান কৰি থকাৰ খবৰ লাভ কৰি কুমাৰীকাটা আৰু তামুলপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন বড়ো, গিৰেন বৰ্মন, প্ৰকৃতিপ্ৰেমী তথা যুৱ সমাজকৰ্মী মাধৱ ছেত্ৰীৰ নেতৃত্বত বনবিভাগৰ এটা বৃহৎ দলে পশু চিকিৎসকসহ দৰঙাপাৰত উপস্থিত হৈ মেঠোনটো ট্ৰেংকুলাইজাৰ কৰিবলৈ চেষ্টা কৰে যদিও মেঠোনটোৱে ৰাইজৰ চিঞৰ-বাখৰত চক খাই পথাৰলৈ দৌৰ মাৰে। ফলত ছয় পৃষ্ঠাত চাওক

## বিশ্বনাথত পথ দূৰ্ঘটনাত জীৱন্তে অগ্নিদগ্ধ মটৰ চাইকেল আৰোহী



**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১৭ জুলাই ঃ** বিশ্বনাথৰ মোনাবাৰী চাহ বাগিচাৰ লাহৰিজানত সংঘটিত হ'ল এক ভয়াৱহ পথ দুৰ্ঘটনা। ১৫ নম্বৰ ঘাইপথত এখন মিনি ট্ৰাক আৰু এখন মটৰ চাইকেলৰ খুন্দা লাগি কিছুদূৰ চুচঁৰি গৈ মটৰ চাইকেলখনত জুই লাগে। দাও-দাওকৈ জ্বলি উঠে মটৰ চাইকেলখন। ফলত জীৱন্তে অগ্নিদগ্ধ হৈ থিতাতে মৃত্যু হয়। মটৰ চাইকেল আৰোহীজনৰ ঘাইপথত এইদৰে দাও-দাওকৈ জ্বলি উঠে মটৰ চাইকেল আৰোহীজন। পাছত স্থানীয় ৰাইজে পানী ঢালি জুই নুমুৱাবলৈ চেষ্টা কৰে। মটৰচাইকেল আৰোহীজনক বিশ্বনাথ চাৰিআলিৰ আমবাৰীৰ নাজিৰ আলী বুলি চিনাক্ত কৰা হৈছে। ইফালে, পথ দুৰ্ঘটনা কৰিয়ে মিনি ট্ৰাকৰ চালকে দুৰ্ঘটনাস্থলীৰ পৰা পলায়ন কৰে। জিনজিয়া আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

## বৰষুণৰ অভাৱত গোৱালপাৰাৰ খেতি পথাৰত ছিৰাল ফাট



### কৃষকৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৭ জুলাই ঃ** বতৰৰ প্ৰতিকূল প্ৰভাৱৰ বাবেই সম্প্ৰতি গোৱালপাৰা জিলাৰ খেতি পথাৰসমূহত ছিৰাল ফাট মেলাত কৃষক ৰাইজৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। বিশেষকৈ এফালে চলা অত্যধিক খৰাং পৰিস্থিতি আৰু আনফালে বৰষুণৰ অভাৱত খেতি পথাৰসমূহত পানী জমা নথকা বাবেই ছিলাৰ ফাঁট মেলিছে। উল্লেখ্য যে কৃষি প্ৰধান জিলাখনৰ ৰাইজে বিশেষকৈ শালি ধানৰ খেতিক অগ্ৰাধিকাৰ দি আহিছে। ইপিনে, যোৱা মাহত হোৱা প্ৰচুৰ ছয় পৃষ্ঠাত চাওক

## নগাঁৱত তিনি ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুলাই ঃ** নগাঁৱৰ আৰক্ষীয়ে যোৱা নিশা এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত এক অভিযান চলাই হেৰ'ইন আৰু নিচাযুক্ত ঔষধসহ তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ হয়বৰ গাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰং পাটোৱাৰীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁৱৰ নগাঁও আইন মহাবিদ্যালয়ৰ সমীপত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। অভিযানৰ সময়ত আৰক্ষীয়ে বুজন পৰিমাণৰ হেৰ'ইন ছয় পৃষ্ঠাত চাওক

## প্ৰকৃতিৰ বিপৰীত ৰূপত ত্ৰাসি মধুসূদন সুঁৱৰিছে দৰঙৰ বানাক্ৰান্তই



### ঘৰৰ মূধচলৈ উঠা বানৰ পাছত খৰাঙত মাটিয়ে মেলিছে ফাঁট

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৭ জুলাই ঃ** সমগ্ৰ অসমৰ লগতে দৰং জিলাতো প্ৰলয়ংকৰী বানে চলোৱা অভূতপূৰ্ব সংহাৰৰ কথা সৰ্বজন বিদিত। বিশেষকৈ জিলাখনৰ মঙলদৈ ৰাজহ চক্ৰৰ অধীনস্থ ৰঙামাটি আৰু আউলাচৌকা গাঁও পঞ্চায়তৰ ১৫ খন গাঁৱৰ ঘৰ-বাৰী, বস্তি, বাট-পথ, খেতিপথাৰ, মীন মহল আৰু বৰ আঠিয়াবাৰীত অভাৱনীয় বানে শাকতোলা নদীৰ মথাউৰি দুবাৰকৈ ভাঙি সম্পূৰ্ণ বিধ্বস্ত কৰাৰ ১০ দিন পাছত বিক্ষুব্ধ বন্যাৰ্তই ভোকেলিকান্দা শাকতোলাৰ মথাউৰি কাটি দিয়াৰ কেইদিনমানৰ পাছতে ঘৰৰ মুধচৰ পৰা ক্ৰমাৎ পানী নামি অৱশেষত একেবাৰে শুকাই গ'ল। বান বিধ্বস্ত ৰাইজে উৰলি যোৱা ঘৰখন থান থিত লগাই মানে শালী খেতিৰ সময় হ'ল। ইফালে গোহালীৰ গৰু ভড়ালৰ ধানো হেৰুৱা ৰাইজে কঠীয়া পাৰিবলৈ সময় নাপালে। ইপিনে, ভূতৰ ওপৰত দানহ পৰাদি প্ৰায় প্ৰতিদিনেই এনেকৈ প্ৰখৰ ৰ'দ আহিবলৈ ধৰিলে যে মূৰৰ ওপৰত যেন একুৰা জুইহে জ্বলিবলৈ আৰম্ভ কৰিলে। ধাৰাসাৰ ধাৰাবাহিক ছয় পৃষ্ঠাত চাওক

APOLLO HOSPITALS CHENNAI
NEPHROLOGIST
APOLLO HOSPITALS INFORMATION CENTRE

APOLLO HOSPITALS CHENNAI
ENT SPECIALIST
ON 23rd July'2022
STAR DRUG DISTRIBUTOR
Ward No 12, Palla Road, Gopal Bazar, Nalbari

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৮ জুলাই ২০২২

## শ্ৰীলংকাত লংকাকাণ্ড

ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণৰ যি উত্থান সেয়া দেশখনৰ গণতান্ত্ৰিক শক্তিৰ নিদৰ্শন। দেশখনৰ ৰাজনেতাসকল গণবিক্ষোভৰ পৰিপ্ৰেক্ষিতত দেশ এৰি পলাই আন ৰাষ্ট্ৰত আশ্ৰয় ল'বৰ বাবে হাবাথুৰি খাবলগীয়া হৈছে। ৰাজাপক্ষ আৰু তেওঁৰ পৰিয়ালকেন্দ্ৰিক চৰকাৰে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰাৰ উপৰি দেশখনক এক অভূতপূৰ্ব অৰ্থনৈতিক তথা সামাজিক সংকটৰ পিনে ঠেলি দিছে।

যি জনসাধাৰণে ৰাজাপক্ষ আৰু তেওঁৰ দলক বিপুল ভোটেৰে ক্ষমতালৈ আনিছিল শ্ৰীলংকাৰ সেই জনসাধাৰণে সেই দলক ক্ষমতাৰ পৰা আঁতৰাই পঠিয়ালে। সাম্প্ৰদায়িক তথা ধৰ্মীয় আবেগ জাগ্ৰত কৰি সংখ্যাগুৰুসকলক উদ্বেলিত কৰি ক্ষমতালৈ অহা ৰাজাপক্ষ চৰকাৰক জনসাধাৰণে ক্ষমতাৰ পৰা নমাই অনাৰ অন্যতম কাৰণ এয়ে যে সাম্প্ৰদায়িকতা, ধৰ্মীয় অথবা জাতীয়তাবাদৰ আবেগে সদায়েই জনসাধাৰণক আবিষ্ট কৰি ৰাখিব নোৱাৰে। চৰকাৰে শাসন কেনেদৰে চলাইছে, উন্নয়ন কেনেদৰে সাধন কৰিছে সেইটোকেই জনসাধাৰণে মূৰকত বিচাৰে। শ্ৰীলংকাৰ বৰ্তমান ৰাজনৈতিক ঘটনাৱলীয়ে তাকেই প্ৰতিফলিত কৰিছে।

শ্ৰীলংকাৰ সংখ্যাগুৰুসকলৰ বিৰুদ্ধে লোৱা চৰকাৰী নাতিয়ে সংখ্যাগুৰুসকলক আশ্বস্ত কৰিব পৰা নাই। যি সংখ্যাগুৰু সম্প্ৰদায়ে এই দলক ক্ষমতালৈ আনিছিল সেই সংখ্যাগুৰুৱেই অৱশেষত ৰাজাপক্ষ চৰকাৰৰ বিৰুদ্ধে থিয় হ'ল। যদি চৰকাৰে শপত লোৱা তথা প্ৰতিশ্ৰুতি অনুসৰি কাম নকৰে, তেনেহ'লে গণতান্ত্ৰিক দেশত জনসাধাৰণে তেনে চৰকাৰক ক্ষমতাৰ পৰা নমাই অনাৰ ব্যৱস্থা থাকিব লাগে। যদিহে তেনে সাংবিধানিক ব্যৱস্থা নাথাকে, তেনেহ'লে অৱশেষত জনসাধাৰণেই নিজৰ কান্ধত ন্যায়ৰ গদাটো ল'ব লাগিব।

নিজকে টাৰ্মিনেটৰ আখ্যা দিয়া পৰম প্ৰতাপী ৰাজাপক্ষ চৰকাৰে তামিল বিদ্ৰোহীসকলক নিষ্ঠুৰভাৱে দমন কৰি মহাপৰাক্ৰম প্ৰদৰ্শন কৰিছিল। সিংহলীসকলে পোনতে ৰাজাপক্ষ চৰকাৰক প্ৰশংসা কৰিছিল যদিও অৱশেষত এই সম্প্ৰদায়টোৱেই ৰাজাপক্ষৰ পতন নমাই আনিলে। এতিয়া প্ৰশ্ন এয়ে যে শ্ৰীলংকাত যি পৰৱৰ্তী চৰকাৰ গঠন হ'ব, তাৰ অংশীদাৰ সেইসকল হ'ব নেকি যিসকলে ক্ষমতাত থাকি দেশখনৰ অৰ্থনীতি বিধ্বস্ত কৰি পেলাইছিল। তেনে সম্ভাৱনা নুই কৰিব নোৱাৰি। পিছে শ্ৰীলংকাৰ জনসাধাৰণ সম্প্ৰতি জাগ্ৰত হৈছে। শ্ৰীলংকাত এক সহমতৰ চৰকাৰ গঠন হ'ব লাগিব আৰু চৰকাৰৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই অহা প্ৰতিবাদী জনসাধাৰণৰ প্ৰতিনিধিৰ স'তে আলাপ-আলোচনাৰ মাজেৰে দেশখনলৈ শান্তি-সম্প্ৰীতি ওভোতাই আনিব লাগিব। লগতে দেশখনৰ বিধ্বস্ত অৰ্থনীতিৰ পুনৰ উদ্ধাৰৰ বাবে নতুন চৰকাৰে কাম কৰি যাব লাগিব।

শ্ৰীলংকাৰ ঘটনাৱলীয়ে বিশ্বৰ অন্যান্য গণতান্ত্ৰিক দেশসমূহৰ বাবে এক শিকনি আগবঢ়াইছে। শ্ৰীলংকাৰ ঘটনাৱলীৰ পৰা শিকিবলগীয়া এয়ে যে সাম্প্ৰদায়িক তথা সংখ্যাগুৰুক তোষামোদ আৰু সংখ্যালঘু-নিষ্পেষণৰ ৰাজনীতিয়ে চিৰকাল অত্যাচাৰী শাসকক ক্ষমতাত ৰখাত সহায় নকৰে। আমাৰ দেশখনৰ চৰকাৰেও এই কথাটো উপলব্ধি কৰিলে মংগল।

## খোলা মঞ্চ

### অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা?



'**দৈনিক** অগ্ৰদূত'ৰ স'তে মোৰ সম্পৰ্ক বহুদিনৰ। যেতিয়া যি পাৰিছো লিখি আহিছো আৰু সেই লিখা বিলাক প্ৰকাশ কৰি মোক বহু মানুহৰ লগত চিনাকি হোৱাৰ সুযোগ দিছে। তাৰ কাৰণে মই অগ্ৰদূতৰ পৰিয়ালক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

'অগ্ৰদূত' নামটো আহিলেই সকলোৰে মনত এটা নাম প্ৰথমেই আহে সেইটো হৈছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাংবাদিক আৰু সাহিত্যিক কনকসেন ডেকা। তেওঁ এজন অমায়িক মানুহ। তেওঁৰ আছে এক বিশেষ স্থিতি, বিশেষ ব্যক্তিত্ব। তীক্ষ্ণ বুদ্ধিসম্পন্ন মানুহজন আজিও চফল ডেকাৰ দৰে। নলবাৰী জিলাৰ বেলশৰৰ আঢ্যৱন্ত পৰিয়ালত তেওঁৰ জন্ম। শিক্ষকৰ চাকৰি কৰি থাকোতে ছিপাঝাৰৰ পৰা প্ৰকাশ কৰিছিল এখন পযেকীয়া কাকত। নাম দিছিল 'অগ্ৰদূত'। তাৰ পাছত বহু প্ৰত্যাহ্বানৰ তেওঁ সন্মুখীন হৈছিল যদিও সেইবোৰ অতিক্ৰম কৰি অসমৰ সংবাদ ক্ষেত্ৰখনত প্ৰতিষ্ঠা লাভ কৰিলে। ১৯৭১ত 'অগ্ৰদূত' নামৰ পযেকীয়া কাকতখনৰে সংবাদক্ষেত্ৰত ভৰি থৈ এদিন গুৱাহাটীৰ মালিগাঁৱলৈ গুচি আহিল। তিনিদিনীয়া কৰিলে পযেকীয়া কাকতখনক। তাৰ পাছত ১৯৯৫ৰ পৰা আৰম্ভ কৰিলে 'দৈনিক অগ্ৰদূত'। হাতত এটা টকা নথকাকৈয়ে আৰম্ভ কৰা এই যাত্ৰাত তেওঁ সফল হ'ল। ৰাজ্যৰ সংবাদ ক্ষেত্ৰত তেওঁ এতিয়া এটা উল্লেখযোগ্য নাম।

**মনীষা শৰ্মা, লেখিকা**

মুঠৰ ওপৰত 'দৈনিক অগ্ৰদূত'ৰ সংবাদ সেৱাত থকা সামাজিক দায়বদ্ধতাই অসমীয়া সমাজ জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। সেয়েহে গ্ৰাম্য আৰু নগৰ দুয়োটা অঞ্চলতেই যথেষ্ট জনপ্ৰিয় এই বাতৰি কাকতখন।

'অগ্ৰদূত'ৰ এই যাত্ৰা অৰ্ধ শতিকাৰ পৰা বহু শতিকালৈকে আগবাঢ়ি যাওঁক তাক মই অন্তৰেৰে কামনা কৰো। ভৱিষ্যতে জাতীয় আৰু ৰাষ্ট্ৰীয় সমস্যাবোৰ এই বাতৰি কাকতে সঠিকভাৱে তুলি ধৰিব বুলি আশা ৰাখিছো । যাতে আগন্তুক সময়ত অসমীয়া 'অগ্ৰদূত' সাংবাদ জগতত এক মাইলৰ খুঁটি হিচাপে থিয় দি থাকে। আমাৰ সমাজৰ সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত এখন বাতৰিকাকতৰ যথেষ্ট প্ৰভাৱ আছে । গতিকে অসমীয়া 'অগ্ৰদূত গোষ্ঠী' এনেদৰেই আগবাঢ়ি যাওঁক আৰু অসমৰ সাংবাদ মাধ্যমৰ বুৰঞ্জীত সোণালী আখৰেৰে চিহ্নিত হৈ থাকক।

এই গোষ্ঠীৰ প্ৰতিষ্ঠাতা কনকসেন ডেকা এজন কৰ্মযোগী। তেওঁৰ একাগ্ৰতা আৰু কৰ্মনিষ্ঠাৰ ফচলতেই হৈছে বৰ্তমানৰ 'অগ্ৰদূত'। কৰ্মসংস্কৃতিত বিশ্বাস কৰা এই ব্যক্তি গৰাকীৰ অসমৰ কৰ্মসংস্কৃতি প্ৰতি উদ্বিগ্ন হৈ এঠাইত লিখিছিল 'আমাৰ কৰ্মসংস্কৃতি আমি গঢ়ি লাগিব। অসমৰ জলবায়ু, মাটি, পানী সকলোবোৰেই ভাল। পাঞ্জাবে যদি অসমৰ দৰে ঠাই পালেহেঁতেন, তেওঁলোকে বিশ্ব জয় কৰিলেহেঁতেন। গতিকে আমি নিজকে স্বাৱলম্বী কৰিব লাগিব। শ্ৰমবিহীন অৰ্থৰ পাছত দৌৰি দৌৰি আমাৰ সমাজৰ যথেষ্ট সংখ্যাক লোকে জীৱন অভিবাহিত কৰিছে। শ্ৰমবিহীন অৰ্থৰ আশা বাদ দি নতুন সমাজে কাম কৰিব লাগিব। তেওঁৰ এই সকীয়নী যাতে অসমৰ মানুহে মনত ৰাখে তাৰে আশাৰে পুনৰবাৰ 'অগ্ৰদূত গোষ্ঠীলৈ' শুভেচ্ছা জনালো।

ফোন ঃ ৭৬৬৩০২৬৩০১

# ধৰ্মনিৰপেক্ষতাৰ প্ৰতি অশনি সংকেত

## বিশুদ্ধ জাতীয়তাবাদ তথা ভাৱাবেগ সৃষ্টি কৰি সাম্প্ৰদায়িক মেৰুকৰণ তীক্ষ্ণ কৰিছে বিজেপিয়ে

**গণমাধ্যমৰ এক বৃহৎ অংশ অধিক হাৰত বিজেপি আৰু প্ৰধানমন্ত্ৰীৰ সমস্ত কাম-কাজৰ সমৰ্থনত আগবাঢ়ি আহিছে বা কৌশলগতভাৱে বিজেপি চৰকাৰে সংবাদমাধ্যমৰ বৃহৎ অংশক তেওঁলোকৰ ফলীয়া কৰি লৈছে। তদুপৰি বিজেপি আই-টি চেলে বিভিন্ন বিভ্ৰান্তিমূলক প্ৰচাৰ চলাই আছে সামাজিক মাধ্যমত। দেশত অৰ্থনৈতিক সংকটে তীব্ৰ আকাৰ ধাৰণ কৰিছে**



**দৃষ্টিপাত**

**অনন্ত কলিতা**

সভ্যতাৰ অগ্ৰগতিৰ মাধ্যমেৰে ভাৰত সম্পৰ্কিত ধাৰণা ক্ৰমশঃ উন্মোচিত হৈছে। ব্ৰিটিছে তেওঁলোকৰ ঔপনিৱেশিক লুণ্ঠনৰ কাৰণে এই ভৌগোলিক এলেকাক ঐক্যবদ্ধ কৰিছিল, যেনে স্বাধীন আহোম ৰজাৰ ৰাজ্য অসমক ১৮২৬ত ভাৰত ভূখণ্ডৰ লগত সংযোজিত কৰিছিল। ইয়াৰ পাছত ধাৰাবাহিক স্বাধীনতা সংগ্ৰাম আৰু অসংখ্য মানুহৰ আত্মত্যাগৰ বিনিময়ত জনসাধাৰণৰ চেতনা সংহত হৈছে আৰু দেশৰ ঐক্য গঢ়ি উঠিছে। দেশৰ স্বাধীনতা লাভ আৰু পৰৱৰ্তীকালত সামন্তযুগীয় দেশীয় ৰাজ্যসমূহ ভাৰতীয় সাধাৰণতন্ত্ৰৰ অংগীভূত হোৱাত এনেকুৱা এখন দেশৰ আৱিৰ্ভাৱ হ'ল য'ত অসংখ্য জাতিক ভাৰতীয়ত্বৰ চেতনাত ঐক্যবদ্ধ কৰিলে। এই ভূমিত বিভিন্ন ধাৰাৰ মাজত যে সমন্বয় হৈছে তাৰেই পৰিণতি হ'ল ভাৰতীয় সভ্যতা। সঁচাকৈয়ে এক মন্থনৰ অগ্নিপৰীক্ষাৰ মাজেদি আমাৰ সভ্যতাৰ অগ্ৰগতি হৈছে। Discovery of India গ্ৰন্থখনত জৱাহৰলাল নেহৰুৱে লিখিছে, "ভাৰত হ'ল এক প্ৰাচীন পাণ্ডুলিপি, যিখনৰ পৰ্য্যায়ৰ পাছত পৰ্যায়ত অনেক চিন্তা অনেক মহিমা কীৰ্তন খোদিত কৰা হৈছে। কিন্তু তৎসত্বেও আগতে লেখা কোনো পৰ্যায়ৰে সম্পূৰ্ণ গুৰুত্বহীন হোৱা নাই বা মচা যোৱা নাই।" এই প্ৰসংগত ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছিল, "হেথায় আৰ্য হেথায় অনাৰ্য হেথায় দ্ৰাবিড়-চীন, শক-হুনদল, পাঠান-মোগল এক দেহে হলো লীন।" এই দেহটোৱে হ'ল ভাৰত। ভাৰতত এই সমন্বয়মুখী সভ্যতাৰ অগ্ৰগতি ইয়াত যে অকল অত্যন্ত বৈচিত্ৰ্যপূৰ্ণ সামাজিক আৰু ধৰ্মীয় ৰীতিপদ্ধতিতেই গ্ৰহণ কৰা হোৱা নাই, ইয়াৰ লগে লগে এটা জাতি বা গোষ্ঠীৰ লগত আন এটা জাতি বা গোষ্ঠীৰ সক্ৰিয় ভাৱ বিনিময় হৈছে, যিটোৰ ফলত এই অত্যন্ত বৈচিত্ৰ্যৰ মাজতো সামাজিক সমন্বয়ৰ এনাজৰীৰে বান্ধ খাইছে। এই ঐতিহাসিক পটভূমিতে ভাৰতৰ স্বাধীনতা আন্দোলন আৰম্ভ হোৱাত কংগ্ৰেছ দলৰ দৃষ্টিভংগী আছিল ভাৰত হ'ব এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশ। বাঁওপন্থী দল আৰু সমাজবাদী দলবোৰেও এই লক্ষ্যৰ লগত একমত হৈ সপোন দেখুৱাইছিল যে ৰাজনৈতিক স্বাধীনতা এনেকুৱা পৰ্যায়লৈ সম্প্ৰসাৰিত কৰিব যাতে প্ৰত্যেকজন নাগৰিকৰ অৰ্থনৈতিক মুক্তি হয়।

১৯২৫ত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ প্ৰতিষ্ঠা হোৱাৰ পাছৰে পৰা উক্ত ধাৰণাৰ প্ৰতি বৈৰী মনোভাৱাপন্ন দ্বিতীয় আন এটা দৃষ্টিভংগী প্ৰকাশ কৰিছিল। যিটোত কোৱা হৈছিল স্বাধীন ভাৰতৰ বৈশিষ্ট্য স্থিৰ হ'ব মানুহৰ ধৰ্মীয় পৰিচিতিৰ দ্বাৰাহে। এই দৃষ্টিভংগীৰ দুটা ধাৰা আছিল— মুছলিম লীগৰ ইছলামিক ৰাষ্ট্ৰ গঠন আৰু আৰ-এছ-এছৰ হিন্দু ৰাষ্ট্ৰ গঠন। মুছলিম লীগে দুৰ্ভাগ্যবশতঃ দেশ ভাগ সম্পন্ন কৰিবলৈ সমৰ্থ হয়, যিটোৰ পৰিণতিত ভাৰতে আজিও উত্তেজনাৰ যন্ত্ৰণা বহন কৰিবলগীয়া হৈছে। দেশ স্বাধীন হোৱাৰ পাছত বিশেষকৈ ২০১৪লৈকে আৰ-এছ-এছৰ আধুনিক ভাৰতক 'হিন্দুৰাষ্ট্ৰ'ত পৰিণত কৰাৰ লক্ষ্য ব্যৰ্থ হৈছিল। কিন্তু ২০১৪ত বিজেপিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে ভাৰত ৰাষ্ট্ৰৰ ক্ষমতা দখল কৰাত আৰ-এছ-এছৰ প্ৰাক্তন প্ৰচাৰক নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰীৰ আসনত বহুৱাই ভাৰতক হিন্দুৰাষ্ট্ৰত পৰিণত কৰাৰ আৰ-এছ-এছৰ কাৰ্য্যসূচী বাস্তৱায়িত কৰাৰ বাবে পৰ্যায়ক্ৰমে বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰি আছে।

ভাৰতক হিন্দুৰাষ্ট্ৰত পৰিণত কৰিববলৈ প্ৰচেষ্টা চলোৱা আৰ-এছ-এছে স্বাধীনতা সংগ্ৰামত অংশ লোৱা নাছিল আৰু এই মহান সংগ্ৰামৰ পৰা এওঁলোকে দূৰত্ব ৰাখি চলিছিল। স্বাধীনতা সংগ্ৰামী হিচাপে আৰ-এছ-এছে এজনৰ নামেই উল্লেখ কৰে, তেওঁ হ'ল ভি ডি ছাভাৰকৰ। বিশিষ্ট ঐতিহাসিক, হিন্দুত্ব প্ৰৱণতাৰ প্ৰতি সহানুভূতিশীল ৰমেশ চন্দ্ৰ মজুমদাৰে তেওঁৰ 'Panel Settlements in the Andamans' কিতাপখনত দেখুৱাইছে কি ধৰণে কালাপানীৰ পৰা মুক্তি পাবলৈ ছাভাৰকৰে চুক্তিবদ্ধ হৈছিল। এই ছাভাৰকৰে হিন্দু মহাসভাৰ সভাপতিৰ ভাষণত (১৯৩৯) সৰ্বপ্ৰথম কয় যে ভাৰতত দুটা জাতি, হিন্দু আৰু মুছলমান। মহম্মদ আলি জিন্নাই দ্বিজাতিতত্ত্বৰ ধাৰণাক প্ৰৱৰ্তন কৰিছিল আৰু যিটোক পূৰ্ণ সামৰ্থৰে সাহায্য আৰু মদত যোগাইছিল ব্ৰিটিছ চৰকাৰে আৰু যিটোৰ পৰিণতিতে দেশ ভাগ হৈছিল। ছাভাৰকৰেই 'হিন্দুত্ব' শব্দটো ব্যৱহাৰ কৰিছিল আৰু কৈছিল ইয়াৰ লগত হিন্দু ধৰ্মৰ কোনো সম্পৰ্ক নাই। হিন্দুৰাষ্ট্ৰ গঠনৰ কাৰণে তেওঁ শ্ল'গান দিছিল 'সামৰিক বাহিনীৰ হিন্দুকৰণ, হিন্দু ধৰ্মক সামৰিকৰণ'। হিন্দুৰাষ্ট্ৰ গঠনৰ বাবেহে তেওঁ এই শ্ল'গানটো দিছিল, বৰ্তমান হিন্দুত্ববাদৰ উগ্ৰতাৰ প্ৰেৰণা ইয়াৰ পৰা আহিছে।

ভাৰত স্বাধীন হোৱা দিন ধৰি বিভিন্ন চৰকাৰে জাতীয় ৰাজনীতিৰ মূল ধাৰাৰে সকলোকে লৈ এখন সাধাৰণতন্ত্ৰ গঢ়িবলৈ চেষ্টা কৰিছিল, কিন্তু ২০১৪ৰ পাছত আৰ-এছ-এছ আৰু হিন্দুত্ববাহিনী ভাৰতত 'হিন্দুৰাষ্ট্ৰ' প্ৰতিষ্ঠাৰ কাৰণে বিভিন্ন কৌশল অৱলম্বন কৰিছে। এনেকুৱা কাৰ্য্যসূচী প্ৰস্তুত কৰিছে তথা বাস্তৱায়িত কৰিছে যাতে ধৰ্মীয় বিভেদ আৰু ঘৃণাৰ ভাৱ সমগ্ৰ দেশতে বিয়পি পৰে। এনেকুৱা ধৰণৰ শক্তিৰ জন্ম দিয়া হৈছে যিসকলে হিংসা আৰু সংঘাটৰ মাজেৰে সাম্প্ৰদায়িক মেৰুকৰণ কৰিব পাৰে। এই লক্ষ্য পূৰণৰ কাৰণে সাম্প্ৰদায়িক মেৰুকৰণক তীব্ৰ কৰাৰ লগে লগে ইতিহাসৰ পুনৰ্লিখন আৰম্ভ কৰিছে। ২০১৪ৰ আগতে উগ্ৰ সোপন্থী হিন্দুত্ববাদী শক্তিয়ে প্ৰত্যক্ষভাৱে ৰাষ্ট্ৰক্ষমতাক নিয়ন্ত্ৰণৰ সুযোগ পোৱা নাছিল। বাজপেয়ী নেতৃত্বত দুখন চৰকাৰৰ ক্ষমতাত থাকিলেও প্ৰত্যক্ষভাৱে বিজেপি আৰু পৰোক্ষে আৰ-এছ-এছ ৰাষ্ট্ৰ পৰিচালনাৰ নিয়ন্ত্ৰণত নাছিল। ২০১৪ত নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে বিজেপি আৰু আৰ-এছ-এছ সম্পূৰ্ণভাৱে ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্বত অধিষ্ঠিত হ'ল।



২০১৯ত এই ধাৰাটো আৰু দৃঢ় হ'ল। আৰ-এছ-এছে কেতিয়াও হিন্দুৰাষ্ট্ৰ নিৰ্মাণৰ চূড়ান্ত লক্ষ্যক বৰ্জন কৰা নাই। সেই কাৰণে আমি দেখিবলৈ পাইছোঁ দ্বিতীয়বাৰ বিজেপিৰ চৰকাৰৰ সময়ছোৱাত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰৰ অন্ত্যেষ্টি নঘটিলেও চৰকাৰ আৰু ৰাষ্ট্ৰৰ স্তম্ভবোৰক প্ৰভাৱিত কৰিছে হিন্দুৰাষ্ট্ৰ স্বৈৰাচাৰী শাসন প্ৰতিষ্ঠা কৰাৰ লক্ষ্যত। আৰ-এছ-এছৰ প্ৰধানে ২০১৯ৰ নিৰ্বাচনৰ পাছত প্ৰকাশ্যে ঘোষণা কৰিছে যে এইটোৱে হিন্দুৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ সুবৰ্ণ সুযোগ উপস্থিত হৈছে। ফলত সংবিধানৰ স্বাধীন প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণভাৱে হিন্দুত্ব অভিমুখী ৰাস্তাত পৰিণত কৰিছে। নিৰ্বাচন কমিচন, আৰ-বি-আই, কেন্দ্ৰীয় নিৰাপত্তামূলক আৰু তদন্তকাৰী সংস্থাবোৰকো এই অভিমুখে সংগত কৰাৰ দৃষ্টিকোণৰ দিশত পৰিচালিত কৰা হৈছে। এই ধৰণৰ প্ৰশ্ন দেশৰ বিচাৰ ব্যৱস্থা সম্পৰ্কেও আহি পৰিছে। সংঘাত নিশ্চয় আছে; কিন্তু আগ্ৰাসনৰ প্ৰধান বৈশিষ্ট্যবোৰ প্ৰতি মুহূৰ্ততে শক্তিশালী ৰূপে সন্মুখলৈ আহিছে।

আচৰিত হোৱাৰ কাৰণ নাই যে গণমাধ্যমৰ এক বৃহৎ অংশ অধিক হাৰত বিজেপি আৰু প্ৰধানমন্ত্ৰীৰ সমস্ত কাম-কাজৰ সমৰ্থনত আগবাঢ়ি আহিছে বা কৌশলগতভাৱে বিজেপি চৰকাৰে সংবাদমাধ্যমৰ বৃহৎ অংশক তেওঁলোকৰ ফলীয়া কৰি লৈছে। তদুপৰি বিজেপি আই-টি চেলে বিভিন্ন বিভ্ৰান্তিমূলক প্ৰচাৰ চলাই আছে সামাজিক মাধ্যমত। দেশত অৰ্থনৈতিক সংকটে তীব্ৰ আকাৰ ধাৰণ কৰিছে। মুদ্ৰাস্ফীতি, নিবনুৱা আদি কোনো সমস্যাই সমাধান কৰিব পৰা নাই বিজেপি চৰকাৰে। দেশৰ জনসাধাৰণৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। আনফালে মুনাফা বৃদ্ধিৰ বাবে কৰ্প'ৰেট জগতৰ কৌশল আৰু কৰ্মপদ্ধতি সৰ্বোচ্চ বিন্দুত উপনীত হৈছে। তেওঁলোকে যিকোনো উপায়ে জীয়াই ৰখাৰ কৌশল লৈছে এজন শক্তিশালী নেতাক যিজনাই তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে কঠোৰ সিদ্ধান্ত ল'ব পাৰে। বিশিষ্ট ঐতিহাসিক এৰিক হবছবমে তেওঁৰ 'Age of Extremees' গ্ৰন্থখনত বৃহৎ পুঁজিপতি সম্পৰ্কত লিখিছিল, "যিকোনো শাসনৰ তুলনাত ফেচীবাদ এওঁলোকৰ ওচৰত বেছি সুবিধাজনক হৈছিল।" হবছবমে এই সুবিধাবোৰৰ এখন তালিকা তৈয়াৰ কৰিছিল, তাৰ ভিতৰত শ্ৰমিক ইউনিয়নৰ অধিকাৰ বিলোপ সাধন, ৰাষ্ট্ৰীয় সম্পত্তি হস্তান্তৰকে ধৰি সকলো আইন এওঁলোকৰ স্বাৰ্থত প্ৰণয়নৰ সাহসী সিদ্ধান্ত গ্ৰহণ। এণ্টনি ছাটনে তেওঁৰ গ্ৰন্থ 'Wall Street and the rise of Hitler'ত বিভিন্ন তথ্য সংযুক্ত কৰি দেখুৱাইছে কেনেকৈ বৃহৎ আমেৰিকান কৰ্প'ৰেচনসমূহে অপৰ্যাপ্ত ধন যোগান দি নাৎচিবাদৰ উত্থান ঘটাইছিল।

আমাৰ দেশৰ অৰ্থনীতিৰ সংকটৰ বাবে জনসাধাৰণৰ অৱস্থা আলৈ-আথানিৰ বিপৰীতে বৃহৎ পুঁজিপতিসকলৰ সমৃদ্ধিশালী অৱস্থা অৰ্থাৎ চৰকাৰ জনসাধাৰণৰ ত্ৰাণকৰ্তা নহয়, ত্ৰাণকৰ্তা বৃহৎ পুঁজিপতিসকলৰহে। 'ৱাশ্বিংটন প'ষ্ট' বাতৰিকাকতখনত ১৯৯৮ৰ ৩০ নৱেম্বৰত মাইকেল ডবছে 'Ford and GM Scrutinised for Alleged Nazi Collaboration' নামৰ নিবন্ধ এটাত লিখিছিল, '১৯৩৩ চনত জাৰ্মান চেন্সলৰ হোৱাৰ আগতে হিটলাৰে ডেট্ৰয়েট নিউজ কাকতৰ এজন সাংবাদিকক কৈছিল, 'মই হেনৰি ফ'ৰ্ডক মোৰ প্ৰেৰণা বুলি ভাবো' আৰু ব্যাখ্যা কৰিছিল কিয় যে এই আমেৰিকান অ'টো প্ৰস্তুতকাৰকৰ এটা বিৰাট প্ৰতিকৃতি নিজৰ ডেস্কৰ কাষত ৰাখে।" অৱশ্যে আমি পৰ্যালোচনা কৰিব লাগিব আমাৰ দেশৰ পৰিস্থিতি আৰু ফেচিবাদৰ উত্থানৰ সময়ত জাৰ্মানীৰ পৰিস্থিতিৰ মাজত মিল আছে নে নাই। যদিও প্ৰতিক্ৰিয়াশীল অংশ ৰাষ্ট্ৰ ক্ষমতাত অহাৰ বাবে আৰু ক্ষমতাত অব্যাহত থকাৰ বাবে তথা হিন্দুৰাষ্ট্ৰ তৈয়াৰৰ লক্ষ্য পূৰণ কৰিবলৈ যিধৰণে ফেচীবাদী কায়দা গ্ৰহণ কৰি আছে আশ্চাৰ্য্যজনকভাৱে ইয়াৰ লগত অনেক মিল দেখা যায়। জৰ্জি ডিমিট্ৰভে তেওঁৰ যুক্তফ্ৰণ্টৰ ৰচনাত জাৰ্মানীত ফেচিবাদৰ প্ৰকৃতি আৰু উত্থানৰ বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰিছিল। তেওঁ কৈছিল "ফেচিবাদে কাম কৰে চৰম সাম্ৰাজ্যবাদীসকলৰ স্বাৰ্থত, কিন্তু জনগণৰ সন্মুখত নিজকে উপস্থিত কৰে যেন এওঁলোকেই আহত জাতিৰ স্বাৰ্থৰক্ষাকাৰী আৰু বিশুদ্ধ জাতীয় ভাৱাবেগৰ ওচৰত তেওঁলোকৰ আবেদন উপস্থিত কৰে।" ডিমিট্ৰভে আৰু কৈছিল, "এওঁলোকে জনসাধাৰণক সমাজৰ আটাইতকৈ দুৰ্নীতিপৰায়ণ, বিষাক্ত লোকসকলৰ মৰ্জিৰ ওপৰত এৰি দিয়ে, কিন্তু নিজকে তেওঁলোকে উপস্থিত কৰে সৎ আৰু দুৰ্নীতিমুক্ত বা শূন্য দুৰ্নীতিৰ চৰকাৰ হিচাপে। জনসাধাৰণৰ গভীৰ হতাশাক কামত লগাই ফেচীবাদে প্ৰত্যেকটো পৰিস্থিতি অনুযায়ী বাগাড়ম্বৰৰ আশ্ৰয় লয়।" ডিমিট্ৰভৰ কথাখিনি পঢ়িলে এনেহেন অনুভৱ হয় ডিমিট্ৰভে যেনিবা বৰ্তমানৰ বিজেপি চৰকাৰৰ প্ৰচাৰধাৰাৰ সম্বন্ধেই কৈছে। বিজেপি আৰু আৰ-এছ-এছ নব্যউদাৰ অৰ্থনীতিৰ সংস্কাৰৰ ক্ষেত্ৰতো আক্ৰমণাত্মক আৰু এইটোত বিদেশী বিনিয়োগ পুঁজিৰ অনুমোদন নিশ্চিত থাকে। ইয়াৰ লগতে মূল হিন্দুত্বৰ কাৰ্য্যসূচীৰ ধাৰাবাহিক প্ৰচাৰ কৰি চলিছে, 'বিশুদ্ধ জাতীয়তাবাদ তথা ভাৱাবেগ' সৃষ্টি কৰি সাম্প্ৰদায়িক মেৰুকৰণৰ তীক্ষ্ণ কৰিছে বিজেপি চৰকাৰে। ইয়াতেই মিল দেখা যায় ফেচীবাদৰ লগত। এই পটভূমিতে ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ ধাৰণাটোৰ প্ৰতি অশনি সংকেট আহি পৰিছে।

ফোন ঃ ৯৪৩৫০৪১২০৩

# বান, ব্ৰহ্মপুত্ৰ আৰু অসম

## নৈৰ পাৰসমূহ দখল কৰি মানুহে বাস কৰিবলৈ লোৱাত বানপানীৰ ক্ষয়-ক্ষতি বৃদ্ধি হৈছে

**বিকাশ বৰদলৈ**

**বানপানী,** ভূমিকম্প, ধুমুহা আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগত সঘনাই আক্ৰান্ত হৈ থকা অসম, ভাৰতৰ ভিতৰতে অন্যতম প্ৰাকৃতিক প্ৰতিকূল অৱস্থানত অৱস্থিত এখন ৰাজ্য। অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত বানপানীয়ে অসমৰ উন্নয়নক আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত কৰিছে। কোনো এটা বৰ্ষত অসম যদি বানপানী মুক্ত হৈ থাকে, সেইটোও এক চৰ্চাৰ বিষয় হৈ পৰে। 'আমে বান, কঁঠালে ধান' আদি প্ৰবচনেও অসমীয়া জনজীৱনত বানপানীৰ প্ৰভাৱক প্ৰতিপন্ন কৰে। এই বছৰ অসমত বানপানীৰ সংহাৰী ৰূপত অসম এনেদৰে বিধ্বস্ত হৈছে যে ৰাজ্যৰ ২৬ খন জিলাৰ প্ৰায় ১৮ লাখ লোক আক্ৰান্ত হৈছে। বৰাক উপত্যকাৰ ডিমা-হাছাও, কাছাৰ, কৰিমগঞ্জ আদিত এই বৰ্ষত বানপানীয়ে ভয়াৰহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। অসমৰ ডিমা-হাছাও, মণিপুৰ, মেঘালয় আৰু অৰুণাচলৰ ভূমিস্খলনে ভয়াৰহ ৰূপ লৈছে। ৰাষ্ট্ৰীয় ঘাইপথ, ৰেলপথ, ঘৰ-দুৱাৰ, দলং, খেতি-পথাৰ, পশু-পক্ষী আৰু অন্যান্য আন্তগাঁথনিৰ অতুলনীয় ক্ষতি হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাটো ধেমাজি, গহপুৰ, মৰিগাঁও, বৰপেটা আদিকে ধৰি উজনি-নামনি-মধ্য অসমৰ প্ৰায়বোৰ জিলাতেই বানপানীয়ে অসমক ক্ষতিগ্ৰস্ত কৰিছে। এই বছৰৰ অত্যধিক বৰষুণ আৰু তাৰ ফলশ্ৰুতিত সৃষ্টি হোৱা বানৰ প্ৰাবল্য আৰু পৰিব্যাপ্তি বিগত দশকত দেখা মনত নাই। অসমৰ বানপানীৰ মূল বাহক ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী— দুয়োখনেই বহুৰাষ্ট্ৰৰ মাজেদি প্ৰৱাহিত হোৱা নদী। মানস সৰোৱৰত উৎপত্তি হোৱা ব্ৰহ্মপুত্ৰ তিব্বতত ১৬২৫ কিঃ মিঃ, ভাৰতত ৯১৮ কিঃ মিঃ আৰু বাংলাদেশত ৩৬৩ কিঃ মিঃ দীঘল। অসমত ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘ্য ৬৮০ কিঃমিঃ আৰু বাকী অংশ অৰুণাচলৰ অন্তৰ্গত।

**অসমৰ বানপানীৰ কাৰণ ঃ** বানপানী এক প্ৰাকৃতিক সমস্যা আৰু অধিক বৰষুণ হোৱা অঞ্চলত বানপানী এক সাধাৰণ সমস্যা। অসমতো বানপানীৰ মূল কাৰণ অধিক বৰষুণ যদিও আনুষংগিক অন্যান্য কাৰকে এই সমস্যা অধিক জটিল কৰি তুলিছে। অসমৰ বানপানীৰ মূল কাৰকসমূহ—

ক) ভাৰতৰ বাৰ্ষিক গড়-বৰষুণ ১৩০০ মিলিমিটাৰৰ (মিঃমিঃ) বিপৰীতে অসমৰ বাৰ্ষিক গড় বৰষুণ ২৪০০ মিঃমিঃ। অসমত ওচৰ-চুবুৰীয়া ৰাজ্য কেইখনৰ বাৰ্ষিক গড়-বৰষুণ ৬৪০০ মিঃমিঃ আৰু এই অঞ্চলৰ বৰষুণৰ পানী ব্ৰহ্মপুত্ৰ আৰু বৰাকেদি অসমলৈ বৈ আহে। অসমৰ নৈসমূহৰ জল বহন ক্ষমতাতকৈ এই জলৰাশিৰ পৰিমাণ অধিক বাবেই অসমত বানপানী এক স্বাভাৱিক ঘটনা, (খ) সমগ্ৰ ভাৰতবৰ্ষ মৌচুমী বতাহৰ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। কিন্তু প্ৰাক্-মৌচুমী, মৌচুমী আৰু পশ্চাৎ-মৌচুমীৰ প্ৰভাৱত অসমে প্ৰচুৰ বৰষুণ লাভ কৰে। এই বছৰ ডিমা-হাছাওৰ প্ৰলয়ংকৰী বানৰ মূলতে প্ৰাক্-মৌচুমীৰ বৰষুণ। মোগলৰ অসম আক্ৰমণত মিৰজুমলাৰ লগত অহা ছিহাবুদ্দিন তালিছ নামৰ ইতিহাস লেখকজনে ১৬৬২তে ফাটিয়া-ই-ইব্ৰিয়াত লিখি থৈ গৈছে যে অসমত বছৰটোৰ আঠ মাহেই বৰষুণ হয় আৰু বাকী চাৰিমাহো সম্পূৰ্ণ বৰষুণ মুক্ত নহয়। অৰ্থাৎ যোৱা ৩৫০ বছৰে অসমৰ বৰষুণৰ ধাৰা অপৰিৱৰ্তিত আছে। প্ৰাক্-মৌচুমী কালত বংগোপসাগৰত সৃষ্টি হোৱা নিম্ন চাপৰ ফলত ওড়িছা, পশ্চিমবংগ আৰু অসমত বৰষুণৰ লগতে বা-মাৰলিৰো সৃষ্টি হয় আৰু সেয়ে অসমত আমি বৰদৈচিলাৰ ধুমুহা প্ৰতিবছৰে দেখা পাওঁ। অসমৰ তিনিওটা দিশত থকা অশ্ব খুড়াকৃতিৰ পৰ্বতৰ অৱস্থানৰ হেতু অসমৰ মাজেৰে মৌচুমী বতাহজাক পাৰ হৈ যাব নোৱাৰি পাহাৰত খুন্দা খাই অসমৰ মাজতে বতাহজাক ঘূৰি থাকে। সেয়ে পশ্চাৎ মৌচুমীতো যথেষ্ট বৰষুণ হৈ কেতিয়াবা ভাদ/আহিনতো বানপানীৰ সৃষ্টি কৰে। পৃথিৱীৰ বহু ৰাষ্ট্ৰত এবছৰতহে ৮০০ মিঃমিঃ বৰষুণ হয় যদিও এই বছৰ মৌচুমীত চেৰাপুঞ্জীত এদিনতে ৮০০ মিঃমিঃ বৰষুণ হৈছে, ইয়াৰ পৰাই অঞ্চলটোৰ বৰষুণৰ প্ৰাবল্য অনুমান কৰিব পাৰি, (গ) গছ-গছনি, ঘাঁহ-বনেৰে আবৃত মাটিত বৰষুণৰ টোপাল পৰাৰ পাছত বৰষুণৰ পানীক মাটিয়ে শুহি লয় আৰু অতিৰিক্ত পানী, মাটিৰ ওপৰেৰে বৈ যায়; কিন্তু উদ্ভিদবিহীন টকলা স্থানতে বৰষুণৰ পানীয়ে মাটি উটুৱাই নিয়ে। গছ-গছনি অবাধ ধ্বংসৰ ফলত বৰষুণৰ পানীয়ে পাহাৰ-ভৈয়ামৰ মাটি উটুৱাই নি নদীত জমা কৰাত নদীপৃষ্ঠ ওখ হৈছে। এনেদৰে বছৰি নদীত গেদ জমা হোৱাত বানপানীৰ উচ্চতা আৰু খহনীয়া বছৰি বৃদ্ধি হৈছে। উল্লেখ্য যে ভূমিস্খলন ৰোধ কৰিবলৈ বননি, ঘাঁহনি, জোপোহা গছ, ওখ গছ



সকলোৰে সমানে প্ৰয়োজন, (ঘ) পাণ্ডু, কলিয়াভোমোৰা আদি কিছুমান স্থানত ব্ৰহ্মপুত্ৰ ২-২.৫ কিঃমিঃ বহল, অন্যহাতে নিমাতী, ছয়গাঁও আদিত প্ৰায় ১২-১৪ কিঃমিঃ পৰ্যন্ত বহল। নদী বহল হ'লে সোঁতৰ বেগ হ্ৰাস হয়। সোঁত হ্ৰাস হ'লে নৈত অধিক গেদ জমা হয়। সেয়ে বহুল স্থানত নৈৰ বুকুত বালিচাপৰি সৃষ্টি হয় আৰু নৈখনৰ এনে বহল স্থানত কে'বাটাও সোঁতৰ ধাৰা উদ্ভৱ হয়। এই সোঁতে নৈৰ কামত খহনীয়া সৃষ্টি কৰাত আৰু একেসময়তে নৈত গেদ জমা হৈ নদীপৃষ্ঠ ওখ হোৱাত বানপানীৰ উচ্চতাও বৃদ্ধি হৈছে, (ঙ) উত্তৰ-পূৰ্বাঞ্চলৰ জলবিদ্যুৎ উৎপাদনৰ বান্ধসমূহ অৰ্থাৎ সোৱণশিৰি, বৰাপানী, কপিলী, ৰঙানদী, কাৰ্বিলাংপী, দৈয়াং, কুৰিশ্চু (ভুটান)ৰ বান্ধসমূহক কেৱল জলবিদুৎ উৎপাদনৰ লক্ষ্যৰে স্থাপন কৰা হৈছে। এই বান্ধবোৰক বহুমুখী প্ৰকল্পলৈ ৰূপান্তৰ কৰি বান নিয়ন্ত্ৰণ, জলসিঞ্চন আদিতো পানীৰ কিছু অংশ ব্যৱহাৰ কৰিব পাৰি। প্ৰস্তাৱিত বহুমুখী দিবাং প্ৰকল্প এক আদৰণীয় পদক্ষেপ।

**বান নিয়ন্ত্ৰণ ঃ** অসমৰ প্ৰাকৃতিক আৰু ভৌগোলিক অৱস্থানৰ প্ৰতি লক্ষ্য ৰাখি ক'ব পাৰি যে বান ৰোধ বৰ্তমান সময়ত এক কঠিন প্ৰত্যাহ্বান, মাথোঁ নিয়ন্ত্ৰণহে সম্ভৱ। পানীৰ উপলব্ধিতাৰ ভিত্তিত নদী দুই প্ৰকাৰৰ-চিৰ প্ৰবাহিত আৰু ঋতু প্ৰৱাহিত নদী। চিৰ প্ৰৱাহিত নদীবোৰ হিমক্ষেত্ৰৰ পৰা উৎপত্তি হয়। ব্ৰহ্মপুত্ৰ হিমালয়ৰ হিমক্ষেত্ৰৰ পৰা উৎপত্তি হোৱা চিৰপ্ৰবাহিত নদী। অসমৰ সোৱণশিৰি, জীয়াভৰলী, মানাহ আৰু সোণকোষ এই চাৰিটা উপনৈয়েও বৰফ গলা পানী লাভ কৰে। বৰষুণৰ উপৰি বৰফ গলা পানী লাভ কৰে বাবে অসমৰ নদীত প্ৰায় গোটেই বছৰ জুৰি পানী থাকে। অসমৰ নদীসমূহেদি বৈ যোৱা মুঠ পানীৰ প্ৰায় ৭৫% জুনৰ পৰা অক্টোবৰৰ ভিতৰত বৈ যায়। সেয়ে বানপানী এই সময়ত অধিক হয়। (ক) সাধাৰণভাৱে দেখাত নদীখননৰ জৰিয়তে নৈবোৰ দ' কৰিলেই বান নিয়ন্ত্ৰণ হ'ব বুলি সাধাৰণ লোকে ধাৰণা কৰে। বৃহৎ ব্ৰহ্মপুত্ৰৰ বক্ষত জমা হোৱা গেদৰ পৰিমাণ নিৰ্ধাৰণ কৰাটো অনিশ্চয়তাৰে ভৰা জটিল প্ৰক্ৰিয়া। দক্ষিণপাৰৰ নদী বুঢ়ীদিহিং, ধনশিৰি জাঁজি, কপিলী আদিৰ তুলনাত উত্তৰপাৰৰ নদী ৰঙানদী, সোৱণশিৰি, জীয়াভৰলী আদিৰ পৰা অধিক পৰিমাণে গেদ জমা হয়। প্ৰতিবছৰে নদীবোৰত বৃহৎ পৰিমাণৰ গেদ জমা হয় বাবে ড্ৰেজাৰৰ নদী খনন কৰিলেও এই প্ৰক্ৰিয়া কেতিয়াও শেষ নহ'ব। ব্ৰহ্মপুত্ৰৰ বহল অংশৰ মাজত থকা বালিচাপৰিবোৰ ড্ৰেজিং কৰি এই স্থানৰ বালি নৈৰ পাৰৰ ফালে জমা কৰিলে নৈৰ মূলসুঁতি নৈৰ মাজলৈ অহাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত খহনীয়া হ্ৰাস হ'ব পাৰে। একে সময়তে খহনীয়াপ্ৰৱণ অঞ্চলত পাৰ্কুপাইন প্ৰয়োগ কৰি ভূমি পুনৰুদ্ধাৰৰ পদক্ষেপ গ্ৰহণ কৰা উচিত। পাৰ্কুপাইন তিনিটা আৰচিচি খুঁটা তিনিকোণীয়াকৈ বান্ধি নদীৰ বালিত থিয়কৈ ৰখা হয়। নদীৰ সোঁত পাৰ্কুপাইনত খুন্দা খোৱাত সোঁত হ্ৰাস হৈ ইয়াৰ কাষত গেদ জমা হয়। (খ) নেদাৰলেণ্ড ৰাষ্ট্ৰখনৰ প্ৰায় ২০% ভূমি সাগৰ পৃষ্ঠতকৈ চাপৰ বাবে সাগৰৰ পাৰত মথাউৰি নিৰ্মাণ কৰিব লগা হয়। শতিকাজুৰি এই প্ৰচেষ্টা অব্যাহত ৰখা ৰাষ্ট্ৰখনে শেহতীয়াকৈ জলাহ অঞ্চলবোৰৰ সংৰক্ষণৰ বাবে জৈৱ-প্ৰযুক্তিত মনোনিৱেশ কৰিছে। বানপানীৰ নিয়ন্ত্ৰণৰ বাবে মথাউৰিৰ সমান্তৰালকৈ অসমত জৈৱ-প্ৰযুক্তি ব্যৱহাৰ কৰি খহনীয়া হ্ৰাস কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা উচিত। এসময়ত অসমৰ নৈবোৰত নল, খাগৰি, বিৰিণা আদি অপৰ্যাপ্ত আছিল যদিও বৰ্তমান দ্ৰুতগতিত হ্ৰাস পালে। মথাউৰিবোৰ সুৰক্ষিত ৰাখিবলৈ নৈৰ দিশত এইবোৰ উদ্ভিদৰ উপৰি ভেটিভাৰ, কলমৌ, পানীতো জীয়াই থাকিব পৰা উদ্ভিদ এজাৰ, উৰিয়াম আদি ৰোপণ কৰা উচিত। উল্লেখযোগ্য যে সবল শিপাৰ জোপোহা ভেটিভাৰ ঘাঁহক বিশ্বৰ বহুদেশত গৰাখহনীয়া নিয়ন্ত্ৰণত ব্যৱহাৰ কৰা হৈছে। (গ) নৈৰ পানী ওফন্দি কাষৰীয়া অঞ্চললৈ পানী বৈ যোৱাত বানপানী হয়; কিন্তু নৈৰ পাৰসমূহ দখল কৰি মানুহে বাস কৰিবলৈ লোৱাত বানপানীৰ ক্ষয়-ক্ষতি বৃদ্ধি হৈছে। বানৰ পানী ধাৰণ কৰি ৰখাত জলাহ অঞ্চলৰ গুৰুত্ব অসীম বাবে নৈৰ কাষৰ বিল, জলাশয় আদি সংৰক্ষণত গুৰুত্ব দিয়াৰ উপৰি এৰাসুঁতি যেনে— মৰিদিচৈ, মৰিকলং, মৰিজাঁজী আদি পুনৰুদ্ধাৰৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। (ঘ) অসমৰ কিছু বিশেষ অঞ্চল যেনে ধেমাজি, কাজিৰঙা, ৰহা, ছয়গাঁও আদিৰ দৰে স্থানসমূহত বানপানী সঘনাই হোৱা দেখা যায়। এনেবোৰ স্থানত বাৰিষাৰ সময়ৰ পৰাই স্পীড ব'টৰ ব্যৱস্থা কৰাৰ লগতে আনুষংগিক ব্যৱস্থাপনা যেনে— ওখ ভেটি নিৰ্মাণ আদিৰ দ্বাৰা ক্ষয়-ক্ষতি হ্ৰাস কৰিব পাৰি। মিচিং জনগোষ্ঠীৰ চাংঘৰসমূহ বানপ্ৰৱণ অঞ্চলত উপযুক্ত বাবে এনে ঘৰ নিৰ্মাণত উৎসাহ যোগোৱা উচিত।

যুগ যুগ ধৰি ব্ৰহ্মপুত্ৰৰ বানে অসমক জুৰুলা কৰি আহিছে কাৰণে বহুতে ব্ৰহ্মপুত্ৰক অসমৰ চকুলো বুলি গণ্য কৰে। এইটোও অনস্বীকাৰ্য যে লুইতৰ পাৰতেই লুইতৰ পানীৰ পৰশত অসমৰ জাতিসত্তা গঠন হৈছে, স্বকীয় সামাজিক, সাংস্কৃতিক পৰিচয়েৰে অসমীয়া জাতিয়ে শিৰোন্নত কৰি আগুৱাই গৈছে। লুইত সেয়ে অসমীয়াৰ বুকুৰ আপোন। অসমৰ বান পৰিস্থিতিক বাংলাদেশৰ লগত তুলনা কৰিলে অসমতকৈয়ো বাংলাদেশৰ ভয়াৰহ পৰিস্থিতি উপলব্ধি কৰিব পাৰি। অসমক বিধ্বস্ত কৰা লুইতৰ লগতে গংগা, বৰাক আৰু তিস্তা নদীৰ বৃহৎ জলৰাশি ক্ষুদ্ৰ বাংলাদেশৰ মাজেৰে গৈ বংগোপসাগৰত পৰিছে। উত্তৰ প্ৰদেশৰ এলাহাবাদত আকৌ গংগা নদীৰ লগত যমুনা নদীও সংযোজিত হৈছে। বাংলাদেশ তথাপি বৰ্তি আছে, অসমো বৰ্তি থাকিব।


ফোন ঃ ৭০০২৭১৬৮২৬

## ভাৰতৰ আকাশত পুনৰ পাকিস্তানী ড্ৰ'ন্, সতৰ্কতা জাৰি সেনাৰ



**নিউজ ব্যুৰ', গুৰুদাসপুৰ, ১৭ জুলাই ঃ** পুনৰ ভাৰতৰ সীমান্তত অনুপ্ৰৱেশ কৰিলে পাকিস্তানী ড্ৰ'নে্। যোৱা নিশা পঞ্জাৱৰ সীমান্তত আকাশত এখন পাকিস্তানী ড্ৰ'নক বিচৰণ কৰা অৱস্থাত সেনাই প্ৰত্যক্ষ কৰিছিল। পঞ্জাৱৰ গুৰুদাসপুৰ জিলাৰ ধিন্দা গাঁৱৰ পাঠানকোট অঞ্চলৰ আকাশত সন্দেহজনক ড্ৰ'ন্ৰ বিচৰণ প্ৰথমে গাঁওবাসীয়ে প্ৰত্যক্ষ কৰিছিল আৰু এই খবৰ স্থানীয় সেনাক গাঁওবাসীয়ে দিয়ে। লগে লগে ড্ৰ'ন্‌খনক ভূপতিত কৰিবলৈ পহৰাৰত সেনাৰ জোৱানে ৪৬ ৰাউণ্ড গুলিবৰ্ষণ কৰে। কিন্তু ততালিকে ড্ৰ'ন্‌খনে পাকিস্তান অভিমুখে উভতি যায়। এই ঘটনাৰ পাছতে অঞ্চলটোত 'হাই এলাৰ্ট' জাৰি কৰা হৈছে।

## নিজ দেশৰ সেনাক 'স্বাৰ্থপৰ' অভিহিত কৰিলে বাইডেনে, কিন্তু কিয় ?




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ জুলাই ঃ** ৰিপাব্লিকানসকলে দাবী কৰি আহিছে যে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন স্মৃতিভ্ৰংশৰ সমস্যাত আক্ৰান্ত হৈছে। কিন্তু ডেম'ক্ৰেটসকলে এই কথা অস্বীকাৰ কৰি মাৰ্কিন ৰাষ্ট্ৰপতি সম্পূৰ্ণ সুস্থ বুলি প্ৰচাৰ কৰি আহিছে। কিন্তু মধ্যপ্ৰাচ্য ভ্ৰমণত বাইডেনৰ কেতবোৰ অসংলগ্ন কথাই আকৌ এবাৰ মাৰ্কিন ৰাষ্ট্ৰপতিৰ মানসিক স্বাস্থ্যক লৈ প্ৰশ্ন উত্থাপিত কৰিলে। তিনিদিনীয়া ভ্ৰমণত ইতিমধ্যে বাইডেনে ভুল কৰি ইহুদিৰ ওপৰত নাজী বাহিনীৰ গণহত্যাক 'সন্মানীয়' বুলি উচ্চাৰণ কৰিলে। এইবাৰ বাইডেনে মাৰ্কিন সেনাক 'স্বাৰ্থপৰ' বুলি অভিহিত কৰিলে। ইয়াকে লৈ ইতিমধ্যে বিতৰ্কৰ সৃষ্টি হৈছে। ভাষণ প্ৰসংগত বাইডেনে এইদৰে কৈছিল, 'আমি সকলো সময়তে মাৰ্কিন সেনাৰ সাহস আৰু স্বাৰ্থপৰতা মানে স্বাৰ্থহীনতা আৰু তেওঁলোকৰ বলিদানক সন্মান কৰো।' ভাষণৰ সন্দৰ্ভত এনেধৰণৰ ভুল তথা একেবাৰে বিপৰীতাৰ্থক শব্দ পূৰ্বেও একাধিকবাৰ বাইডেনে কৰিছিল। এজন ৰাষ্ট্ৰপ্ৰধানৰ এনে মাৰাত্মক ভুলক লৈ সম্প্ৰতি সামাজিক মাধ্যমত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে।

## চাৰিদিনত দেশত কৰ'না আক্ৰান্তৰ সংখ্যা ৮০ হেজাৰ হ'ল



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** মাত্ৰ চাৰিদিনতে ভাৰতত ৮০ হেজাৰৰো অধিক লোক ক'ভিড সংক্ৰমিত হ'ল। যোৱা ২৪ ঘণ্টাত দেশত ২০ হেজাৰৰ অধিক লোক কৰ'নাত আক্ৰান্ত হৈছে। একেৰাহে চাৰি দিন ধৰি দেশৰ দৈনিক সংক্ৰমণ ২০ হেজাৰৰ ঊৰ্ধ্বত থকাৰ ফলত চাৰি দিনতে ৮০ হেজাৰৰ অধিক লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হ'ল। একে সময়তে কৰ'নাৰ পজিটিভিটি হাৰ আৰু সক্ৰিয় ৰোগীৰ সংখ্যা বৃদ্ধিয়েও ভাৰতত কৰ'নাৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ সম্ভাৱনা আকৌ এবাৰ ব্যাপক কৰি তুলিছে। বিশেষকৈ দেশৰ কেৰালা, তামিলনাডু, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, পঞ্জাৱত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিয়ে নতুন ত্ৰাসৰ সৃষ্টি কৰিছে।

## দেশত কৰ'নাৰ ত্ৰাস অব্যাহত, ২৪ ঘণ্টাত আক্ৰান্ত ২০,৫২৮, মৃত্যু ৪৯ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণ ক্ৰমে অধিক উদ্বেগজনক হৈছে। শনিবাৰৰ তুলনাত দেওবাৰে পুনৰ বৃদ্ধি পালে ক'ভিডৰ সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ২০,৫২৮ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। শনিবাৰে এই সংখ্যা আছিল ২০,০৪৪ জন। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ৪৯ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। শনিবাৰে ক'ভিডত দেশত ৫৬ জন লোকৰ মৃত্যু হৈছিল। এই মুহূৰ্তত ভাৰতত এক লাখ ৪৩ হেজাৰ ৪৪৯ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেৰালা, পশ্চিমবংগ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, কৰ্ণাটক আৰু দিল্লীত সংক্ৰমণ ক্ৰমশঃ বৃদ্ধি পাইছে।

## শ্ৰীলংকাৰ পৰিস্থিতিক লৈ মঙলবাৰে সৰ্বদলীয় বৈঠক আহ্বান কেন্দ্ৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** ৰাজনৈতিক আৰু অৰ্থনৈতিক অস্থিৰতাৰ সন্মুখীন হোৱা শ্ৰীলংকা সম্প্ৰতি গণবিক্ষোভত জ্বলিছে। এনে পৰিস্থিতিতে প্ৰতিবেশী দ্বীপৰাষ্ট্ৰখনৰ পৰিস্থিতিৰ সন্দৰ্ভত আলোচনা কৰিবলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনালে কেন্দ্ৰীয় চৰকাৰে। অহা মঙলবাৰে বিয়লি বেলা কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু বৈদেশিক মন্ত্ৰী এছ জয়শংকৰৰ নেতৃত্বত এই বৈঠক অনুষ্ঠিত হ'ব। আজি এই কথা প্ৰকাশ কৰিলে সংসদীয় পৰিক্ৰমা বিষয়ক মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে।



## পুলৱামাত আৰক্ষী-চি আৰ পি এফক সন্ত্ৰাসবাদীৰ আক্ৰমণ, এ এছ আই হ'ল ছহিদ

**নিউজ ব্যুৰ' পুলৱামা, ১৭ জুলাই ঃ** দক্ষিণ কাশ্মীৰৰ পুলৱামা জিলাত আজি সন্ত্ৰাসবাদীয়ে আৰক্ষী আৰু চি আৰ পি এফৰ সংযুক্ত তালাচী গোটক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। প্ৰকাশিত বাতৰি অনুসৰি, সন্ত্ৰাসবাদীয়ে উক্ত অঞ্চলত ৰাজপথত তালাচী চলাই থকা আৰক্ষী আৰু চিআৰপিএফক লক্ষ্য হিচাপে লৈ গুলিবৰ্ষণ কৰিছিল। ফলত এজন এ এছ আই গুলিবিদ্ধ হয়। তেওঁক লগে লগে চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসকে মৃত ঘোষিত কৰে। পুলৱামাৰ চাৰ্কুলাৰ ৰোড বথুৰা ক্ৰ'ছিঙৰ ওচৰত থকা তালাচী গেটত এই ঘটনা সংঘটিত হ'ল। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীক গুলিবৰ্ষণ কৰিয়ে ঘটনাস্থলীৰ পৰা সন্ত্ৰাসবাদীয়ে পলায়ন কৰিলে। ঘটনাৰ সন্দৰ্ভত আৰক্ষী আৰু সেনাই তদন্ত অব্যাহত ৰাখিছে।

## পৰ্তুগাল-ফ্ৰান্সত পাৰাস্তম্ভ ৪০ ডিগ্ৰী ঊৰ্ধ্বলৈ, স্পেইনত গ্ৰীষ্ম প্ৰৱাহত ২৩৭ জন লোকৰ মৃত্যু

# প্ৰচণ্ড উত্তাপ বৃদ্ধি-বনজুইত হাহাকাৰ ইউৰোপত

**নিউজ ব্যুৰ' লণ্ডন, ১৭ জুলাই ঃ** ইউৰোপৰ দেশসমূহত তাপমাত্ৰা যথেষ্ট বৃদ্ধি পাইছে। উত্তাপ বৃদ্ধিৰ ফলত ইতিমধ্যে ব্ৰিটেইনত 'ৰেড এলাৰ্ট' জাৰি কৰা হৈছে। ব্ৰিটেইন চৰকাৰে দেশবাসীক প্ৰচণ্ড গৰমৰ পৰা নিজক সুৰক্ষিত ৰাখিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ পৰামৰ্শ দিছে। ইফালে, পৰ্তুগাল, স্পেইন, ফ্ৰান্স আৰু ক্ৰৱেচিয়াৰ দৰে দেশত অৰণ্যত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ফলত তাপমাত্ৰাৰ অধিক বৃদ্ধি হৈছে। বতৰ বিজ্ঞানীয়ে প্ৰকাশ কৰা অনুসৰি জলবায়ু পৰিৱৰ্তনৰ ফলত ইউৰোপৰ বিভিন্ন অঞ্চলত তাপমাত্ৰাৰ অস্বাভাৱিক বৃদ্ধি ঘটিছে। যোৱা ২৫ জুলাইৰ ২০১৯ত ব্ৰিটেইনৰ কেমব্ৰিজত সৰ্বাধিক তাপমাত্ৰা ৩৮.৭ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হৈছিল। ব্ৰিটেইনৰ বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি দেশখনত তাপমাত্ৰা বৃদ্ধিৰ এই অভিলেখ চলিত গ্ৰীষ্মত ভংগ হ'ল। ইতিমধ্যে ব্ৰিটেইনত পাৰাস্তম্ভই ৪০ ডিগ্ৰী ছেলছিয়াছৰ সীমা স্পৰ্শ কৰিলে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি



প্ৰশাসনে অঞ্চল বিশেষে হেজাৰ হেজাৰ লোকক ঘৰতে আবদ্ধ থাকিবলৈ পৰামৰ্শ দিছে। ইউৰোপৰ এক বৃহৎ অংশ সম্প্ৰতি উত্তাপ বৃদ্ধিৰ সমস্যাৰ সন্মুখীন হৈছে। গ্ৰীষ্মত বিশ্বৰ বিভিন্ন দেশৰ পৰা ইউৰোপলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন ঘটে। কিন্তু এইবাৰ ইউৰোপীয় দেশত উত্তাপ বৃদ্ধিয়ে পৰ্যটকসকলক হাৰাশাস্তি কৰিছে। কে'বাখনো দেশে ইতিমধ্যে উত্তাপ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় সংকট ঘোষণা কৰিছে। স্পেইনত খৰাংৱস্থাৰ ফলত অৰণ্যত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। ফলত দেশখনৰ বিভিন্ন অঞ্চলত তাপমাত্ৰা বৃদ্ধি পাইছে। দেশখনৰ প্ৰায় চাৰি হেজাৰ হেক্টৰ অঞ্চল ইতিমধ্যে বনজুইত ছাৰখাৰ হৈছে। ইফালে, দক্ষিণ-পশ্চিম ফ্ৰান্সতো বনজুইৰ ঘটনাত ওচৰতে থকা এখন ৰেস্তোঁৰা ভস্মীভূত হ'ল। ফ্ৰান্সৰ ২২ হেজাৰ একৰৰ ভূমি বনজুইৰ কবলত পৰাত অঞ্চলটোৰ ১২ হেজাৰ লোকক সুৰক্ষিত স্থানলৈ নিয়া হয়।

পৰ্তুগালতো অৰণ্যত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাত ১৬০ জনৰো অধিক লোক আহত হৈছে। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ কে'বা শতাধিক লোকে বাসগৃহ ত্যাগ কৰিবলৈ বাধ্য হ'ল। ২০১৭ৰ পাছত পৰ্তুগালত বনজুইৰ সমস্যাই এনে ভয়াবহ ৰূপ ধাৰণ কৰিছে। মৰক্কোৰ একাধিক অঞ্চলত অৰণ্যত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাত উক্ত অঞ্চলত বাস কৰা ৫০০ পৰিয়ালক প্ৰশাসনে সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰে। ইফালে, স্পেইনৰ চৰকাৰে প্ৰকাশ কৰা অনুসৰি বিগত এসপ্তাহত দেশখনত তাপ প্ৰৱাহৰ ফলত ২৩৭ জন লোকৰ মৃত্যু হ'ল।

## পাকিস্তানত বন্দুকধাৰীৰ আক্ৰমণত তিনি আৰক্ষীসহ চাৰিজনৰ মৃত্যু



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৭ জুলাই ঃ** বন্দুকধাৰীৰ আক্ৰমণৰ ঘটনাত পাকিস্তানত প্ৰাণ হেৰুৱালে চাৰিজন লোকে। দেশখনৰ খাইবাৰ পাখতুনখাৱা অঞ্চলত বন্দুকধাৰীৰ দুটা অতৰ্কিত আক্ৰমণৰ ঘটনাত তিনিজন আৰক্ষী আৰু এজন সাধাৰণ নাগৰিকৰ মৃত্যু হ'ল। আক্ৰমণৰ প্ৰথমটো ঘটনা দক্ষিণ ৱাজিৰিস্তানত আৰু দ্বিতীয়টো ঘটনা খাইবাৰ পাখতুনখাৱা প্ৰদেশৰ সীমান্তত সংঘটিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, কে'বাজনো অজ্ঞাত পৰিচয় লোকে মটৰ চাইকেলৰে আহি আৰক্ষীৰ লক্ষ্য হিচাপে লৈ গুলিবৰ্ষণ কৰি পলায়ন কৰিছিল। ফলত গুল ৰহমান নামৰ এজন আৰক্ষীৰ ঘটনাস্থলীতে মৃত্যু হয়। আনটো ঘটনাত দুষ্কৃতিকাৰী প্ৰাৰ্থীয়ে আৰক্ষীক লক্ষ্য কৰি গুলিবৰ্ষণ কৰাত তিনিজন লোকৰ মৃত্যু হয় আৰু ইয়াৰে দুজন আৰক্ষী আছিল।

## দুসপ্তাহত দ্বিতীয়বাৰলৈ যান্ত্ৰিক বিজুতিত পাকিস্তানত জৰুৰী অৱতৰণ ভাৰতৰ বিমানৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** পুনৰ পাকিস্তানৰ ভূমিত জৰুৰী অৱতৰণ কৰিলে ভাৰতীয় বিমান। আজি পুৱাতে যান্ত্ৰিক ত্ৰুটিৰ ফলত ইণ্ডিগ'ৰ এখন বিমানে কৰাচী বিমানকোঠত জৰুৰী অৱতৰণ কৰে। প্ৰাপ্ত খবৰ অনুসৰি, উক্ত বিমানৰ সকলো যাত্ৰী নিৰাপদে আছে। বিগত দুসপ্তাহত দ্বিতীয়বাৰলৈ পাকিস্তানৰ ভূমিত এইদৰে যান্ত্ৰিক ত্ৰুটিৰ ফলত জৰুৰী অৱতৰণ কৰিলে ভাৰতীয় বিমানে। আজি পুৱাতে ছাৰজাহৰ পৰা হায়দৰাবাদলৈ অহাৰ সময়ত মাজ আকাশত ইণ্ডিগ'ৰ ৬ ই-১৪০৬ নামৰ বিমানত যান্ত্ৰিক ত্ৰুটি ধৰা পেলায় বৈমানিকে। লগে লগে বৈমানিকে কৰাচী বিমানকোঠত জৰুৰী অৱতৰণৰ সিদ্ধান্ত লয়। কৰাচীৰ এয়াৰ ট্ৰেফিক কণ্ট্ৰ'লৰ পৰা সেউজ সংকেত লাভ কৰাৰ পাছতে পাকিস্তানৰ ভূমিত অৱতৰণ কৰিলে ইণ্ডিগ'ৰ বিমানখনে। যাত্ৰীসকলক উদ্ধাৰ কৰিবলৈ ইণ্ডিগ'ৰে আন এখন বিমান কৰাচী বিমানকোঠলৈ প্ৰেৰণ কৰিলে। স্মৰ্তব্য যে যোৱা পাঁচ জুলাইতো দিল্লীৰ পৰা ডুবাইগামী স্পাইচজেটৰ এখন যাত্ৰীবাহী বিমানে কৰাচীত যান্ত্ৰিক ত্ৰুটিৰ বাবে জৰুৰী অৱতৰণ কৰিছিল।



## কৰ'নাৰ টিকাকৰণৰ ২০০ কোটিৰ সীমা অতিক্ৰম ভাৰতৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ জুলাই ঃ** কৰ'নাৰ প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত এক নতুন অভিলেখ ৰচিলে ভাৰতে। দেশত ২০২১ৰ ১৬ জানুৱাৰীৰ পৰা ক'ভিড টিকাকৰণ অভিযান আৰম্ভ কৰা হৈছিল। ১৩১ কোটিৰ জনসংখ্যাৰ দেশখনত ক'ভিডৰ টিকাকৰণ এক প্ৰত্যাহ্বানৰ বিষয় আছিল। কিন্তু এনে



প্ৰত্যাহ্বানক সফলতাৰে অতিক্ৰম কৰি ভাৰতে আজি ক'ভিড টিকাকৰণৰ ২০০ কোটি পালি প্ৰতিষেধক প্ৰদানৰে নতুন অভিলেখ ৰচিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা অনুসৰি ভাৰতত বৰ্তমানলৈকে ২০০ কোটিৰ অধিক পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হ'ল। উল্লেখ্য যে যোৱা ১৫ জুলাইৰ পৰা দেশত ১৮ৰ ঊৰ্ধ্বৰ বয়সৰ লোকক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছে। টিকাকৰণ অভিযান আৰম্ভ কৰাৰ ২২৭ দিনত ১০০ কোটি পালি প্ৰতিষেধক প্ৰদানৰ অভিলেখ ৰচনা কৰিছিল ভাৰতে। এইবাৰ টিকাকৰণ অভিযানৰ ১৮ মাহৰ পাছত দেশত ২০০ কোটি পালি প্ৰতিষেধক প্ৰদানৰ অভিলেখ ৰচনা হ'ল।

## ইউক্ৰেইনত আক্ৰমণ অধিক তীব্ৰ কৰাৰ নিৰ্দেশ মস্কোৰ

**নিউজ ব্যুৰ', কীভ, ১৭ জুলাই ঃ** বিগত কিছুদিনত ইউক্ৰেইনত ৰাছিয়াৰ সামৰিক আগ্ৰাসন সামান্য হ্ৰাস পাইছিল। কিন্তু শেহতীয়াভাৱে ইউক্ৰেইনত ভয়াৱহ বোমা আক্ৰমণ আৰম্ভ কৰিলে ৰাছিয়াই। মূল লক্ষ্য হিচাপে ডনবাছ চহৰত এনে বিধ্বংসী আক্ৰমণ ৰুছ সেনাই চলালেও ইয়াৰ ফলত কে'বাখনো চহৰ ক্ষতিগ্ৰস্ত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ইউক্ৰেইনত আক্ৰমণৰ গতি বৃদ্ধি কৰিবলৈ ৰুছ সেনাক ইতিমধ্যে নিৰ্দেশ দিছে। মস্কোৰ পৰা এই নিৰ্দেশ লাভৰ পাছতে ৰুছ সেনাই ইউক্ৰেইনৰ একাধিক অঞ্চলত বোমাবৰ্ষণ ব্যাপক কৰি তুলিছে। উত্তৰ ইউক্ৰেইনত চুহুইভ চহৰত ৰাছিয়াৰ ৰকেট আক্ৰমণৰ ঘটনাত তিনিজন লোক নিহত হোৱাৰ লগতে আন তিনিজন গুৰুতৰভাৱে আহত হৈছে। ৰাছিয়াৰ ভূমিৰ পৰাই আজি পুৱতি নিশা এই ৰকেট



আক্ৰমণ চলোৱা বুলি ইউক্ৰেইনৰ সেনা বাহিনীয়ে সন্দেহ কৰিছে। চাৰিটাকৈ ৰকেটেৰে ৰাছিয়াই এই আক্ৰমণ সংঘটিত কৰে। ৰুছ ৰকেট আক্ৰমণৰ ঘটনা এটা বৃহৎ বাসগৃহ, এখন বিদ্যালয় আৰু এটা প্ৰশাসনিক ভৱনৰ ক্ষতি হয়। সুমিত চহৰতো ৰুছ আক্ৰমণত এজন স্থানীয় বাসিন্দাৰ মৃত্যুৰ লগতে আন সাতজন লোক গুৰুতৰভাৱে আহত হ'ল। একেদৰে ডনেৎস্ক অঞ্চলতো ৰাছিয়াই আক্ৰমণ শেহতীয়াভাৱে অধিক তীব্ৰ কৰি তুলিছে। যোৱা ২৪ ঘণ্টাত এই অঞ্চলত ৰুছ সেনাৰ বোমা আক্ৰমণত সাতজন লোকৰ মৃত্যু আৰু ১৪ জন লোক আহত হয়। কালি নিপ্ৰো চহৰত ৰুছ সেনাৰ আক্ৰমণত ১৬ জন লোক আহত হৈছে আৰু তিনিজন লোকৰ প্ৰাণহানি হৈছিল। এদিন পূৰ্বে ভিনিতচিয়া অঞ্চলত ৰাছিয়াৰ বোমা আক্ৰমণৰ ঘটনাত তিনিটা শিশুসহ ২৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে দুই শতাধিক লোক আহত হৈছিল।

## বাবৰি ধ্বংসৰ অভিযোগত আদৱানী, যোশীৰ বিৰুদ্ধে নতুন গোচৰ, আজি শুনানি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** উচ্চতম ন্যায়ালয়ৰ ৰায়ত বাবৰি মছজিদ-ৰাম মন্দিৰ বিতৰ্কৰ অৱসান ঘটিল। অযোধ্যাত উক্ত বিতৰ্কিত ভূমিত নিৰ্মাণ অব্যাহত আছে ৰাম মন্দিৰৰ। ইয়াৰ মাজতে আকৌ এবাৰ উত্থাপিত হ'ল বাবৰি মছজিদ ধ্বংসৰ গোচৰ। অভিযোগমুক্ত হোৱা ব্যক্তিৰ বিৰুদ্ধে বাবৰি ধ্বংসৰ প্ৰসংগত পুনৰ গোচৰ ৰুজু কৰিলে সংখ্যালঘু সম্প্ৰদায়ৰ দুই ব্যক্তি হাজি মেহেবুব আৰু ছৈয়দ আখালাখ আহমেদে। সূত্ৰৰ খবৰ অনুসৰি, লালকৃষ্ণ আদৱানী, মুৰলী মনোহৰ যোশী, সাধ্বী ঋতম্ভৰা, উমা ভাৰতীসহ ৩২ জন ব্যক্তিৰ বিৰুদ্ধে বাবৰি ধ্বংসৰ প্ৰসংগত ন্যায়ালয়ত গোচৰ তৰিলে মেহেবুব আৰু আহমেদে। দুই আবেদনকাৰীয়ে কয় যে সকলোৰে এই কথা জানে যে বাবৰি মছজিদ ধ্বংস কৰা হৈছিল আৰু সেয়েহে প্ৰমাণৰ অভাৱত অভিযুক্তক



দোষমুক্ত ঘোষণা কৰাটো যুক্তিহীন। সেয়েহে সকলো সাক্ষ্য প্ৰমাণ পুনৰ বিচাৰ কৰিবলৈ আবেদনকাৰীয়ে দাবী জনাইছে। প্ৰকাশিত বাতৰি অনুসৰি ছমাহ পূৰ্বে দাখিল কৰা এই গোচৰৰ শুনানি সোমবাৰে উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰিব। স্মৰ্তব্য যে ২০২০ৰ ৩০ ছেপ্টেম্বৰত আদৱানী, যোশীসহ ৩২ জন অভিযুক্তক চি বি আইৰ বিশেষ আদালতে বাবৰি গোচৰত দোষমুক্ত ঘোষণা কৰিছিল।



## পাকিস্তানক ঋণ দিবলৈ সাজু আই এম এফ, কিন্তু আৰোপ কৰিলে কঠোৰ চৰ্ত

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৭ জুলাই ঃ** অৱশেষত পাকিস্তানত ঋণ প্ৰদান কৰিবলৈ সন্মতি দিলে আন্তৰ্জাতিক মুদ্ৰা নিধি (আই এম এফ)য়ে। অৱশ্যে পাকিস্তানক ঋণ প্ৰদানৰ ক্ষেত্ৰত কঠোৰ চৰ্ত আৰোপ কৰিলে আই এম এফে। আই এম এফে পৰৱৰ্তী কিস্তি হিচাপে পাকিস্তানক সাত বিলিয়ন ডলাৰৰ ঋণ দিব। অৱশ্যে আই এম এফে প্ৰকাশ কৰা অনুসৰি, এই বৃহৎ পৰিমাণৰ ঋণ লাভৰ বাবদ পাকিস্তানে কেতবোৰ চৰ্ত পূৰণ কৰিব লাগিব। প্ৰথমতে পাকিস্তান চৰকাৰে নিজৰ বাজেটত মুঠ ঘৰুৱা উৎপাদনৰ ০.৪ শতাংশৰ সমান লাভ অৰ্জন কৰিব লাগিব। আই এম এফৰ চৰ্ত অনুসৰি পাকিস্তানে দুৰ্নীতি ভ্ৰষ্টাচাৰ নিয়ন্ত্ৰণৰ প্ৰয়োজনীয় ব্যৱস্থা ল'ব লাগিব। তদুপৰি ভ্ৰষ্টাচাৰ নিয়ন্ত্ৰণৰ ফলত যি ধন ৰাহি হ'ব, সেয়া পাকিস্তান চৰকাৰে দাৰিদ্ৰ হ্ৰাসৰ বিভিন্ন আঁচনি আৰু দেশবাসীৰ সামাজিক সুৰক্ষা নিশ্চিতকৰণৰ কাম-কাজত ব্যয় কৰিব লাগিব।

## জামিনত বিলম্ব সবাতোকৈ ডাঙৰ শাস্তি ঃ বিচাৰ ব্যৱস্থাক লৈ উদ্বিগ্ন মুখ্য ন্যায়াধীশ ৰামানা



**নিউজ ব্যুৰ', জয়পুৰ, ১৭ জুলাই ঃ** ব্যক্তি স্বাধীনতা প্ৰসংগত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। জয়পুৰত অনুষ্ঠিত হোৱা ১৮ সংখ্যক সৰ্বভাৰতীয় আইন সেৱা সন্মিলনত অংশ লৈ দেশৰ মুখ্য ন্যায়াধীশজনে এইদৰে কয়, 'আমাৰ ফৌজদাৰী বিচাৰ ব্যৱস্থাৰ প্ৰক্ৰিয়াটো হ'ল যথেষ্ট হাৰাশাস্তিমূলক। জধে-মধে নিৰ্বিচাৰে গ্ৰেপ্তাৰ কৰাৰ পৰা আৰম্ভ কৰি জামিন লাভৰ লগতে বিচাৰাধীন ব্যক্তিয়ে দীৰ্ঘদিন কাৰাগাৰত থাকিব লগা হয়। এই প্ৰক্ৰিয়াৰ প্ৰতি সেয়েহে মনোযোগ দিয়া জৰুৰী। আমাৰ ফৌজদাৰী বিচাৰ ব্যৱস্থাক প্ৰভাৱিত কৰা এক গুৰুতৰ সমস্যা হৈছে আমাৰ কাৰাগাৰত বিচাৰাধীন বন্দীৰ সংখ্যা বৃদ্ধি। ভাৰতত ১৩৭৮ কাৰাগাৰত ৬.১০ লাখ বন্দীৰ ৮০ শতাংশই হৈছে বিচাৰাধীন।' উল্লেখ্য যে পূৰ্বে ৰামানাই কেন্দ্ৰৰ চৰকাৰক বাৰ্তা দি কৈছিল যে দেশখন যাতে 'আৰক্ষী ৰাষ্ট্ৰ'ত পৰিণত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। এইবাৰ ৰামানাই ভাষণ প্ৰসংগত ক'লে যে কেন্দ্ৰীয় চৰকাৰে যাতে জামিন আইনৰ নতুন বিধিৰ কথা চিন্তা-চৰ্চা কৰি অভিযুক্তক সুবিচাৰৰ ব্যৱস্থা কৰে।

## মান-সন্মান নাই, আনৰ বিয়াত কিয় নাচিম ? শ্বাহৰুখ-ৰণবীৰক কটাক্ষ ছানিৰ


**নিউজ ব্যুৰ', মুম্বাই, ১৭ জুলাই ঃ** কোনো ব্যক্তিৰ বিবাহত ধনৰ বিনিময়ত নৃত্য কৰিলে তাক 'মুজৰা' বুলি কোৱা হয়। এই বিস্ফোৰক মন্তব্য বলিউডৰ অভিনেতা ছানি দেউলৰ। এটা ৰিয়েলিটি অনুষ্ঠানত অংশ লোৱাৰ সময়ত বলিউডৰ তাৰকাই ধনৰ বিনিময়ত আন ব্যক্তিৰ বিবাহত নৃত্য প্ৰদৰ্শন কৰা কাৰ্যক কঠোৰভাৱে সমালোচনা কৰি ছানিয়ে কয়, 'যেতিয়া কোনো অভিনেতাই আনৰ বিবাহত ধনৰ বিনিময়ত নৃত্য কৰে, তেতিয়া নিজৰ মান-সন্মান, মৰ্যাদা সকলো খৰ্ব হয়। আমি অভিনেতা, তামাচা নকৰো। আমাক মানুহে অভিনয়ৰ জৰিয়তে চিনি পায়, এই ধৰণৰ আল্টু-ফাল্টু কামৰ বাবে নহয়। যদি কোনোবাই বিবাহ আদিলৈ নিমন্ত্ৰণ দিয়ে, তেন্তে যাওক আৰু আনন্দ কৰক। নৱ দম্পতীক শুভেচ্ছা জনাওক। বচ, ইমানেই।' বন্ধুৰ বিবাহত নাচ-গান কৰাটো ঠিকেই আছে, কিন্তু ইয়াতকৈ অধিক এজন অভিনয় শিল্পীয়ে




কৰাটো উচিত নহয় বুলি মত প্ৰকাশ কৰিলে ছানিয়ে। উল্লেখ্য যে বলিউডৰ বহু তাৰকা অভিনেতাই ধনৰ বিনিময়ত বিবাহ, জন্মদিন আদিত নৃত্য অনুষ্ঠানত অংশ লৈ আহিছে। শ্বাহৰুখ খান, ৰণবীৰ সিং, অক্ষয় কুমাৰ আদিয়ে একাধিকবাৰ ধনৰ বিনিময়ত আনৰ বিবাহত নৃত্য কৰিছিল। শ্বাহৰুখে নিজেই কৈছিল যে তেওঁ ধনৰ বিনিময়ত আনৰ বিবাহত নৃত্য কৰিবলৈ সদায়ে প্ৰস্তুত আছে।

## কটাক্ষ লেখিকা তছলিমাৰ

## অপৰাধী ললিত মোদীৰ হাতত বিক্ৰী হ'ল সুস্মিতা



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুলাই ঃ** দুৰ্নীতিত অভিযুক্ত ধনাঢ্য ব্যৱসায়ী ললিত মোদীৰ স'তে প্ৰাক্তন ব্ৰহ্মাণ্ড সুন্দৰী তথা অভিনেত্ৰী সুস্মিতা সেনৰ প্ৰেম সম্পৰ্কৰ সন্দৰ্ভত সামাজিক মাধ্যমত ব্যাপক চৰ্চা অব্যাহত থকাৰ সময়তে এই বিষয়ত বিস্ফোৰক মন্তব্য প্ৰকাশ কৰিলে বিতৰ্কিত লেখিকা তছলিমা নাছৰিনে। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে সামাজিক মাধ্যমত মোদীয়ে সুস্মিতাক নিজৰ 'বেটাৰ হাফ' অৰ্থাৎ অৰ্ধাংগিনী বুলি সম্বোধন কৰিছিল। অৱশ্যে পাছত মোদীয়ে শুধৰণি দি কৈছিল, 'প্ৰেম কৰিছো। বিবাহো এদিন হৈ যাব।' একেদৰে সুস্মিতায়ো সামাজিক মাধ্যমত কৈছিল, 'বিয়া কৰোৱা নাই, আঁঙঠি পিন্ধা নাই। অৱশ্যে ভালপোৱাৰ বন্ধনত আছো। ইয়াৰ পাছতে সামাজিক মাধ্যমত তীব্ৰ কটাক্ষৰ বলি হৈছে ললিত-সুস্মিতা। ললিতৰে সুস্মিতাৰ প্ৰেম কাহিনীৰ প্ৰসংগত সামাজিক মাধ্যমৰ জৰিয়তে এইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমাই, 'সুস্মিতা সেনৰ স'তে মোৰ এবাৰ সাক্ষাৎ হৈছিল। কলকাতা বিমানকোঠত তেওঁ মোক সাৱটি ধৰি কৈছিল—ভালপাওঁ। মোৰ সবাতোকৈ ভাল লাগিছিল সুস্মিতা সেনৰ ব্যক্তিত্ব। কম বয়সতে দুজনী কন্যাক তুলি লৈ তেওঁ ডাঙৰ কৰিছিল। ভাল লাগিছিল তেওঁৰ সততা, সাহসিকতা, স্বনিৰ্ভৰতা, দৃঢ়তা আৰু ঋজুতা। কিন্তু নানা ধৰণৰ অপৰাধত জড়িত অত্যন্ত অনাকৰ্ষণীয় ব্যক্তিৰ স'তে সুস্মিতাই এতিয়া সময় অতিবাহিত কৰিছে। ধনৰ বাবে নে? হ'ব পাৰে সুস্মিতা সেনে উক্ত ব্যক্তিৰ প্ৰেমত পৰিছে। কিন্তু বিশ্বাস নহয় যে তেওঁ প্ৰেমত পৰিছে। টকাৰ প্ৰেমত যি পৰে, তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা অতি সোনকালে নোহোৱা হয়।'



# দৈয়াঙত কৃষকৰ পথাৰত ছিৰাল ফাট পানীৰ অভাৱত ৰুব পৰা নাই কঠীয়া

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ১৭ জুলাই ঃ** গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্তৰ মেৰাপানীত কৃষকৰ পথাৰত ছিৰাল ফাট। পানীৰ অভাৱত কৃষকে ৰুব পৰা নাই কঠীয়া। গোলাঘাট জিলাৰ দক্ষিণ সীমান্তৰ বৃহত্তৰ মেৰাপানী অঞ্চল কৃষি প্ৰধান হিচাপে খ্যাত। এই মেৰাপানী এতিয়া খৰাঙৰ



## গভীৰ নিদ্ৰাত কৃষি বিভাগ

কবলত । পূৱে কাকডোঙা নৈ, উত্তৰে ঘিলাধাৰী নৈ, দক্ষিণে নগালেণ্ড আৰু পশ্চিমে দৈয়াং নৈৰ মাজৰ এই বৃহত্তৰ ভূমিখণ্ড সম্প্ৰতি খৰাঙৰ কবলত পৰিছে । প্ৰায় দুই লক্ষাধিক জনসাধাৰণে বসতি কৰা এই বৃহত্তৰ মেৰাপানী অঞ্চলৰ কৃষকে এই শাওণ মাহতো ৰুব পৰা নাই কঠীয়া। দুই-এক কৃষকে বাৰীৰ পুখুৰী, খাল আদিৰ পৰা পানী সিঁচি দুই এডৰা মাটি ৰুইছে যদিও প্ৰখৰ ৰ'দত শুকাই যোৱা উপক্ৰম হৈছে । কৃষকৰ এতিয়া এটাই ভৰসা বৰষুণ আহিলেহে মাটি ৰুব পৰা যাব। নহ'লে সমগ্ৰ দৈয়াং অঞ্চল তথা বৃহত্তৰ মেৰাপানীৰ কৃষিপথাৰ ছন পৰি ৰ'ব। আনহাতে অসম চৰকাৰৰ বিয়াগোম কৃষি বিভাগ এটা আছে যদিও এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। কৃষক ৰাইজৰ প্ৰশ্ন ? জিলা কৃষি বিভাগে কৃষকৰ বাবে দিয়া গভীৰ নলী নাদ, জলসিঞ্চন ব্যৱস্থা ক'ত এতিয়া। যদি কৃষি বিভাগে কৃষকৰ উপকাৰ সাধনৰ উদ্দেশ্যেৰে প্ৰতিবছৰে গভীৰ নলী নাদৰ ব্যৱস্থা আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰিলেহেঁতেন আজি দৈয়াঙৰ কৃষকে খেতিৰ বাবে বৰষুণলৈ বাট চাই থাকিব নালাগিলহেঁতেন। উল্লেখ্য যে দৈয়াং অঞ্চলত বসতি স্থাপন কৰা সাতটা দশকৰ পাছতো কৃষকে পানীৰ বাবে বৰুণ দেৱতা আৰু ভগৱানৰ কৃপা দৃষ্টিৰ বাবে বাট চাই ৰ'বলগীয়া হৈছে। যদিহে প্ৰণালীবদ্ধ, বিজ্ঞানসন্মত আঁচনি যুগুতাই চৰকাৰে দৈয়াং নৈত জলসিঞ্চনৰ ব্যৱস্থা কৰে তেতিয়া সমগ্ৰ অঞ্চলৰ কৃষকে পথাৰত পানী সুবিধা অনুসৰি ধান খেতিকে আদি কৰি বিভিন্ন খেতি কৰিব পাৰিলেহেঁতেন। যিহেতু বৰ্তমান জিলা কৃষি বিভাগ এতিয়া গভীৰ নিদ্ৰাত। উৰ্বৰা দৈয়াঙৰ ভূমিত সম্ভাৱনাময় খেতিৰ পথাৰত প্ৰণালীবদ্ধ জলসিঞ্চনৰ ব্যৱস্থা নকৰি কৃষকক কেৱল খন্তেকীয়া সন্তুষ্টিৰ বাবে ৰবি শস্যৰ বীজ যোগান ধৰিয়েই দায়িত্ব সামৰি আহিছে। সেয়েহে কৃষি বিভাগে বৃহত্তৰ মেৰাপানীৰ কৃষি পথাৰত এক ক্ষেত্ৰভিত্তিক তদন্ত কৰি কৃষক ৰাইজ উপকৃত হোৱাকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ কৃষক ৰাইজে দাবী জনাইছে।

# গংগাধৰ নদীত গা ধুবলৈ গৈ দুই ছাত্ৰ নিখোঁজ ঃ কথমপি ৰক্ষা তিনিজন

**অগ্ৰদূত বাৰ্তা**
**আগমনী, ১৭ জুলাইঃ** আগমনী আৰক্ষী থানাৰ অন্তৰ্গত আগমনীৰ গংগাধৰ নদীত গা ধুবলৈ গৈ দুই ছাত্ৰ নিখোঁজ আৰু কথমপি তিনিজনক স্থানীয় ৰাইজে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তথ্য মতে, আগমনীৰ পৰা সামান্য নিলগত থকা গংগাধৰ নদীত প্ৰচণ্ড গৰমৰ বাবে কালি পাঁচজন ছাত্ৰই গা ধুবলৈ যায়। দিনৰ প্ৰায় আঢ়ৈ বজাত নদীৰ সোঁতত পৰি পাঁচজনে পানীত ডুব যায়। স্থানীয় ৰাইজে ঘটনাটো দেখা পাই তিনিজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও বাকী দুজনক উদ্ধাৰ কৰিবলৈ ব্যৰ্থ হয়। নদীৰ সোঁতত নিমিষতে দুই জনক কোন দিশে লৈ যায় কোনেও ক'বলৈ সমৰ্থ নহয়। নিখোঁজ ছাত্ৰ দুজন আগমনীৰ দশম শ্ৰেণীৰ ছাত্ৰ নয়ন আবেদিন আৰু নৱম শ্ৰেণীৰ ইমৰান আহমেদ। দুয়োজন ডুব যোৱাৰ পাছৰে পৰা এনডিআৰএফ, এছডিআৰএফে যুদ্ধ গতিৰে গংগাধৰ নদীৰ সাম্ভাব্য স্থানৰ পৰা গোলকগঞ্জ লৈ বিচাৰি চলাথ কৰিছে যদিও নিশা ১০ বজালৈকে কোনো সন্ধান পোৱা নাই। স্থানীয় শ শ ৰাইজেও বিচাৰি দুয়োৰে কোনো সন্ধান পোৱা নাই।

# বাগ্সাৰ ককলাবাৰী চাপাগুৰি সাহিত্য সভাৰ সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ১৭ জুলাই ঃ** বাগ্সা জিলা সাহিত্য সভাৰ অন্তৰ্গত ককলাবাৰী চাপাগুৰি সাহিত্য সভাই আজি ইয়াৰ শিমলাস্থিত কাৰ্যালয়ৰ সভাগৃহত ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনায়। এই উপলক্ষে সভাৰ সভাপতি বীৰেন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে ককলাবাৰী চাপাগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সৰ্বেশ্বৰ মদাহিয়ে। বাগ্সা জিলা সাহিত্য সভাৰ সভাপতি কামদেৱ দাসে সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ভাষণ আগবঢ়ায়। তেওঁ ভাষণত এজন মানুহ হোৱাৰ লগতে একোজন প্ৰকৃত মানৱ সম্পদৰূপে নিজকে গঢ়ি তুলিবলৈ কৃতী ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। পিতৃ-মাতৃৰ স'তে আলোচনাৰ জৰিয়তে নিজে বিচৰামতে ভৱিষ্যত লক্ষ্য নিৰ্দ্ধাৰণ কৰি সাধনাত ব্ৰতী হ'বলৈ তেওঁ আহ্বান জনায়। কোনো কাৰণতে মিছাৰ আশ্ৰয় নোলোৱালৈ সকলো কঠিন প্ৰত্যাহ্বান নেওচি সৎ পথত অগ্ৰসৰ হোৱাৰ সাহস অৰ্জন কৰিবলৈও তেওঁ আহ্বান জনায়।



সভাত সভাৰ প্ৰাক্তন সভাপতি প্ৰেমানন্দ মদাহি আৰু হৰিহৰ দাসেও প্ৰেৰণাদায়ক ভাষণ আগবঢ়ায়। সভাত ডিষ্টিংচনসহ অঞ্চলটোৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ ৯৮ সহ শতাংশ আৰু মুঠ ৯৫.৮৩ শতাংশ ডিষ্টিংচন নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ অৰুণোদয় অকাডেমীৰ ছাত্ৰ পৰশমনি মদাহিক সভাৰ শৈক্ষিক বঁটা হিচাপে ফুলাম গামোচা, সম্বৰ্ধনাপত্ৰ, কিতাপৰ টোপোলা, এটা কলম আৰু এহাজাৰ নগদ ধনৰ বঁটা প্ৰদান কৰা হয়। লগতে অৰুণোদয় একাডেমীৰ ক্ৰমে বিশাল দাস ৮৮.১৭ শতাংশ, জিত প্ৰিতম দাস ৯১.৫৮ শতাংশ, পৰাগ দাস ৮৫.১৬ শতাংশ, গৰিমা দাস ৮৭.৩৩ শতাংশ, মমী দাসক ৮৫.১৬ শতাংশ নম্বৰেৰে ডিষ্টিংচনসহ প্ৰথম বিভাগ আৰু দীক্ষিতা ডেকা ৮৪.৩৩ শতাংশ, হিমাশ্ৰী ৰয়ে ৭৫.৫ শতাংশ ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগ লাভ কৰা বাবে কেচি সাহিত্য সভাই ফুলাম গামোচা, মানপত্ৰ, কিতাপ আৰু একোটাকৈ কলম প্ৰদান কৰি সম্বৰ্ধনা প্ৰদান কৰে। একেদৰে পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী বিদ্যালয়ৰ কৃতী ছাত্ৰ গৌৰৱ দাসেও ডিষ্টিংচনসহ প্ৰথম বিভাগ, অঞ্জলী হাইস্কুলৰ ছাত্ৰ মিণ্টু শৰণীয়াই ৮২ শতাংশ নম্বৰেৰে ষ্টাৰসহ প্ৰথম আৰু লিটিল ফ্লাৱাৰ স্কুলৰ উজ্বল দাসে ষ্টাৰসহ প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হয়। এই কৃতী শিক্ষাৰ্থী কেইজনকো ফুলাম গামোচা, মানপত্ৰ, কিতাপ আৰু একোটাকৈ কলম প্ৰদান কৰি সম্বৰ্ধনা জনায়। তদুপৰি প্ৰজ্ঞান একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা নিতামনি মদাহি আৰু ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী দীপাস্মিতা ডেকাক সভাই একেদৰে ফুলাম গামোচা, মানপত্ৰ, কিতাপ আৰু কলম প্ৰদান কৰি সম্বৰ্ধনা জনায়। সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলেও নিজস্ব মনোভাৱ ব্যক্ত কৰে। ককলাবাৰী চাপাগুৰি সাহিত্য সভাৰ সম্পাদক দীপজ্যোতি বণিক্যই সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে।

# এজাক শিশুৰ কলৰৱত মুখৰিত নগাঁও জিলা পুথিভঁড়ালৰ চৌহদ

## ■ শিশু সাহিত্যিক পঁপুৰ মোমাইদেউ শিশু গ্ৰন্থ 'ডাইনোছৰৰ আতংক' উন্মোচন

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুলাই ঃ** 'শিশুসকলৰ শৈশৱটো আমি বেদখল কৰিছো। ফুলৰ দৰে সুকোমল মনৰ শিশুসকলক আমি যেন তেওঁলোকৰ সোণালী শৈশৱটোক অনধিকাৰ জোৰজবৰদস্তি কৰি বান্ধোনত ৰাখিছো। মুকলি আকাশৰ তলত মুকলি মনেৰে বিচৰণ কৰাৰ পৰা শিশুসকলক বঞ্চিত কৰি ৰাখিলেও আজি এই শিশুসকলেই প্ৰমাণ কৰিলে তেওঁলোকৰ সৃষ্টিশীল মনৰ অপাৰ সৌন্দৰ্যৰ কথা।' আজি নগাঁও জিলা পুথিভঁড়ালৰ সন্মুখৰ চোতালত পুৰাই সমবেত হোৱা এজাক শিশুৰ মাজত অনুষ্ঠিত ছবি অঁকা, ছবিত ৰং সনা, গীত গোৱা, কবিতা আবৃত্তি, নৃত্য পৰিৱেশনৰ দৰে এক আকৰ্ষণীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ বিশিষ্ট শিশু সাহিত্যিক পঁপুৰ মোমাইদেউৱে এইদৰে মন্তব্য কৰে। 'চোতালে চোতালে অকণিৰ মেল' শীৰ্ষক অনুষ্ঠানটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি সমবেত হোৱা শিশুসকলৰ ভিতৰত অনাবিল আনন্দ ভৰদ্বাজ, ভায়োলিনা শৰ্মা, ভাস্কৰজ্যোতি বৰা, অৰ্কাণু শৰ্মা, বিচ্যুতি বৰুৱা, স্তুতিনন্দা শইকীয়াকে ধৰি প্ৰায় ১৫ জন শিশুৰ মুখৰে নিৰ্গত হোৱা কবিতাৰ মধুৰ গুঞ্জনৰ বিপৰীতে বিস্তীৰ্ণ বৰা, গীতিশা বৰা, গাৰ্গী মল্লিকৰ কণ্ঠত মুখৰিত হোৱা গীতৰ



উপৰি হিয়াৰাণী বৰাই পৰিৱেশন কৰা নাগাৰাৰ অপূৰ্ব শব্দধ্বনিত সমবেত সকলোৰে সন্মোহিত কৰে। অনুষ্ঠানত সাংবাদিক প্ৰাঞ্জল বৰদলৈক ফুলাম গামোচাৰে সম্ভাষণ জনোৱা হয়। অকণি সাহিত্য সভাৰ প্ৰতিষ্ঠাপক দুলাল বৰাই পৰিচালনা কৰা আৰু অভিনেতা বিৰিঞ্চি বৰা, সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে যুটীয়াভাৱে আঁতধৰা অনুষ্ঠানটোত বিশিষ্ট শিশু সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্য, চিত্ৰশিল্পী ভাস্কৰজ্যোতি মহন্ত, প্ৰবীণ কবি অশোকৰাম ভট্টাচাৰ্য, পৱন শৰ্মা, হেমন্ত শইকীয়া, হাচিনা মমতাজ, প্ৰাঞ্জল ভট্টাচাৰ্য, শেৱালি শৰ্মা, দেৱ বৰা, ৰূপা ভট্টাচাৰ্য প্ৰমুখ্যে গণ্য-মান্য লোকসকল উপস্থিত থাকি মনৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানটোতে অভিনেতা বিৰিঞ্চি বৰা সহিতে শিশুসকলে পঁপুৰ মোমাইদেউৰ 'ডাইনোছৰৰ আতংক' শীৰ্ষক শিশু উপযোগী গ্ৰন্থখন উন্মোচন কৰে।

# কৃষক ৰাইজে গাঁঠিৰ ধনৰে নিৰ্মাণ কৰিলে তামা-ডিংডিংগা জলসিঞ্চন আঁচনিৰ ডোংগৰ মথাউৰি

## কৃষক ৰাইজৰ দুৰ্দশাৰ প্ৰতি উদাসীন বিভাগীয় কৰ্তৃপক্ষ

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১৭ জুলাই ঃ** যোৱা জুনৰ প্ৰবল বৃষ্টিপাত আৰু বাঢ়নী পানীৰ তাণ্ডৱলীলাত ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত তামা-ডিংডিংগা জলসিঞ্চন আঁচনিখনৰ ডোংগৰ মথাউৰি পাঁচটা স্থানত ছিঙি লৈ যায়। ফলত আঁচনিখনৰ দ্বাৰা খেতিপথাৰত পানী যোগান প্ৰক্ৰিয়া বন্ধ হৈ পৰে। পিছে বৰষুণৰ অভাৱত আৰু অতিমাত্ৰা খৰাঙৰ ফলত শ শ বিঘা খেতিপথাৰ শাওণৰ বতৰতো সোণোৱালী সপোন ৰচাৰ ভৰপক বতৰত শালিধান ৰোপণ কৰিব নোৱাৰি হতাশগ্ৰস্ত হৈ পৰে কৃষক ৰাইজ। কৃষক ৰাইজৰ এনে দুৰ্দশাৰ অৱস্থা জলসিঞ্চন বিভাগক কৰ্ণগোচৰ কৰা সত্বেও ডোংগৰ মথাউৰি মেৰামতি বা বান্ধি দিয়াৰ কোনো ব্যৱস্থা হাতত নল'লে। কৃষি প্ৰধান অঞ্চলটোৰ কৃষক ৰাইজে শালিধানৰ ভৰপক সময়তো পানীৰ অভাৱত শালিধান ৰোপণ কৰিব নোৱাৰি বছৰটোৰ ভাতমুঠি যোগাৰ কৰিব নোৱাৰাৰ দুশ্চিন্তাত মূৰে কপালে হাত দিব লগা পৰিস্থিতিৰ মুখামুখি হয়। কৃষক ৰাইজে এনে এক সংকটময় পৰিস্থিতিৰ পৰা উপশম পোৱাৰ নিমিও যোৱা ১৩ জুলাইত কৃষি প্ৰধান অঞ্চলটোৰ একাংশ কৃষক ৰাইজে আঁচনিখনৰ মথাউৰিত সমবেদ হৈ মথাউৰি নিৰ্মাণ কৰি দিয়াৰ বাবে বিভিন্ন শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে। কিন্তু কৃষক ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰিও জলসিঞ্চন বিভাগৰ গা লৰাব নোৱাৰিলে বা কৃষক ৰাইজৰ দুখ-দুৰ্দশাৰ প্ৰতি দৃষ্টি নিবিদ্ধ কৰিবলৈ সক্ষম নহ'ল। উপায়ন্তৰ হৈ তামা- ডিংডিংগা আঁচনিৰ ডোংগৰ ভাঙি যোৱা মথাউৰিসমূহ পুনৰনিৰ্মাণ কৰাৰ বাবে কৃষক ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি এক্সকেভেটৰ লগাই আৰু নিজে শ্ৰম কৰি বান্ধৰ ছিগা অংশ মেৰামতি কৰাৰ কামত লাগি পৰা পৰিলক্ষিত হয়।

# খৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অংগনৱাড়ী কৰ্মী-সহায়িকাক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**টংলা, ১৭ জুলাই ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত সুদীৰ্ঘ বছৰে সেৱা আগবঢ়াই অলপতে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা ১০গৰাকী অংগনৱাড়ী কৰ্মী-সহায়িকাক কালি বিদায় সম্বৰ্ধনা জনোৱা হয়। খৈৰাবাৰী আইচিডিএছৰ অধীনৰ তিনি নম্বৰ ছেক্টৰৰ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে ভেৰগাঁৱৰ পৰ্বাহুচুবা প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা সভাত পাঁচগৰাকী অংগনৱাড়ী কৰ্মী ক্ৰমে মহিমা দাস, দিপালী বৰা, দুলু ডেকা, নোমলী বসুমতাৰী, নিলিমা বড়ো আৰু পাঁচগৰাকী সহায়িকা ক্ৰমে ভাৰতী দাস, গিৰীজা ৰাভা, সোণেশ্বৰী বড়ো, বিজয়া বড়ো আৰু ফুলেশ্বৰী বড়োক ফুলাম গামোচা, মানপত্ৰ আদিৰে সমূহীয়াভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ইয়াৰে সম্বৰ্ধিত ভাৰতী দাস এগৰাকী ৮০ৰ উৰ্দ্ধৰ অংগনৱাড়ী সহায়িকা। খৈৰাবাৰী আইচিডিএছৰ মুখ্য সেৱিকা (ছুপাৰ ভাইজাৰ) ৰুমী শৰ্মাই সঞ্চালনা কৰা সভাত কে'বাগৰাকীও কৰ্মী-সহায়িকাই বিদায়ী সহকৰ্মীসকলৰ সান্নিধ্যত কটোৱা দিনবোৰৰ কথা ৰোমন্থন কৰি ভাষণ দিয়াৰ লগতে সম্বৰ্ধিত বিদায়ী কৰ্মী-সহায়িকাসকলেও বিদায় ক্ষণৰ অনুভৱ ব্যক্ত কৰে।

# জাগীৰোডত বৰগীত, সত্ৰীয়া নৃত্য, খোলবাদ্য বিষয়ক কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ১৭ জুলাই ঃ** আৰিয়া গোষ্ঠী, মৰিগাঁৱৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জাগীৰোড সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত ১১ জুলাইৰ পৰা জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত বৰগীত, সত্ৰীয়া (শংকৰী) নৃত্য আৰু খোলবাদ্য বিষয়ক কৰ্মশালাৰ আজি সামৰণি পৰে। সেই অনুসৰি ছহিদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় কৰ্মশালাৰ সামৰণি অনুষ্ঠান। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কুসুম দাসে বন্তি প্ৰজ্বলন কৰে কৰ্মশালাৰ সামৰণি অনুষ্ঠানত। আনহাতে, জাগীৰোড সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক বিষয়া ৰাজীৱ কৈৰীয়ে অনুষ্ঠানটোৰ উদ্বোধন কৰি আৰিয়া গোষ্ঠীৰ পদক্ষেপৰ শলাগ লয়। সামৰণি অনুষ্ঠানত বিশিষ্ট সাহিত্যিক মনোজ কুমাৰ দেওৰজাই মুখ্য অতিথিৰূপে উপস্থিত থাকি বৰগীত, সত্ৰীয়া (শংকৰী) নৃত্য আৰু খোলবাদ্যৰ সন্দৰ্ভত সাৰগৰ্ভ বক্তব্য প্ৰদান কৰি কয় যে মানুহ সুস্থ-সবল হৈ থাকিবলৈ তথা সুশৃংখলিত সমাজৰ বাবে আধ্যাত্মিক উত্তৰণ লাগিবই আৰু সেই উত্তৰণ কৰিব পৰাকৈ গুৰুজনাই আমাক সংস্কৃতি দি গৈছে। নৱপ্ৰজন্মই শুদ্ধ ৰূপত সেই সংস্কৃতিৰ সাধনা কৰিব লাগিব। আনহাতে, কৰ্মশালা পৰিচালনা সমিতিৰ সম্পাদক জয়ন্ত সাগৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানত বাঘজাপ গাঁও পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰী, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ সদ্যপ্ৰাক্তন সভাপতি হীৰেন শৰ্মা, ড° ভূপেন হাজৰিকা সাংস্কৃতিক গোষ্ঠীৰ সভাপতি থানেশ্বৰ ডেকা, কলং-কপিলী শাখা কবি সন্মিলনৰ সভানেত্ৰী মিনতি দেৱী, ছহিদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি শান্তনু হাজৰিকা, কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি ৰণ্টুমণি শইকীয়া, আৰিয়া গোষ্ঠীৰ সভাপতি নীলেশ্বৰ শইকীয়া, আৰিয়া গোষ্ঠীৰ সমন্বয়ক ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড, আৰিয়া গোষ্ঠীৰ সম্পাদক হিমু বৰা প্ৰমুখ্যে গোষ্ঠীৰ বিষয়ববীয়াসকলৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। উল্লেখ্য যে বাঁহীবাদক ভাৰত বৰাই বাঁহীবাদনৰে সুৰীয়া কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলে বৰগীত, খোলবাদ্য, সত্ৰীয়া নৃত্য পৰিৱেশন কৰি জীপাল কৰা সামৰণি অনুষ্ঠানত সাতদিনীয়া প্ৰশিক্ষণ কৰ্মশালাত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰা বৰগীত প্ৰশিক্ষক ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড, নৱনীতা দাস, খোলবাদ্যৰ প্ৰশিক্ষক প্ৰসন্ন কুমাৰ মেধি, দেৱাশীষ শইকীয়া, সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক ধন দাস আৰু ভাস্বতী গোস্বামীৰ লগতে মুঠ ১০৩গৰাকী প্ৰশিক্ষাৰ্থীক অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জাগীৰোড সাংস্কৃতিক কেন্দ্ৰৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰে।

# চিৰাঙত ক'ভিড- ১৯ প্ৰতিষেধক অমৃত মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৭ জুলাই ঃ** দেশৰ অন্যান্য ঠাইৰ লগতে আজি চিৰাং জিলাতো দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে চিৰাং জিলা স্বাস্থ্য সেৱা বিভাগৰ উদ্যোগত ক'ভিড-১৯ প্ৰতিষেধক অমৃত মহোৎসৱ উপলক্ষে তৃতীয় পালি প্ৰতিষেধক প্ৰদানৰ মুকলি কৰা হয়। জিলাখনৰ ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰ কৰ্মচাৰী সন্থাৰ কাৰ্যালয় সভা কক্ষত আয়োজিত অনুষ্ঠানত ক'ভিড- ১৯ ৰ সুৰক্ষাসূচক পালি মুকলি কৰে চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰীয়ে। উল্লেখ্য যে ৭৫ দিন ধৰি চলিবলগীয়া এই পালি প্ৰতিষেধক দ্বিতীয় পালি লোৱাৰ ছমাহ পাছত ১৮ বছৰৰ পৰা ৫৯ বছৰৰ লোকে প্ৰতিষেধক লব পাৰিব বুলি জানিব পৰা গৈছে । চিৰাঙৰ অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰীয়ে তৃতীয় পালি ল'বলৈ বাকী থকাসকলক ৭৫ দিন ধৰি চলিবলগীয়া বিনামূলীয়া প্ৰতিষেধক লোৱাৰ বাবে আহ্বান জনাইছে। উল্লেখ্য যে চিৰাং জিলাত ১৮ বছৰৰ পৰা ৫৯ বছৰৰ ৩১,৮,২৩০ গৰাকী লোকক লক্ষ্য হিচাপে লোৱা হৈছে । জিলাখনত ইতিমধ্যে চিৰাং জিলাত ৭৩.৮৬ শতাংশ লোকে ক'ভিভ প্ৰতিষেধক লৈছে। গুৱাহাটী কমাৰ্চ কলেজৰ ছাত্ৰ দেৱলীনা গগৈয়ে তৃতীয় পালি গ্ৰহণ কৰি নিৰ্ধাৰণ কৰা বয়সৰ সকলো লোকক ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি গ্ৰহণ কৰিবলৈ আহ্বান জনায় ।

# চিৰাঙৰ দক্ষিণ কাজলগাঁৱত বিদ্যুৎ স্পৃষ্ট হৈ আহত পাঁচ শ্ৰমিক

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৭ জুলাই ঃ** চিৰাঙৰ দক্ষিণ কাজলগাঁৱত বিদ্যুৎ বিভাগৰ ঠিকাদাৰৰ হেমাহিৰ বাবে ৩৩ হেজাৰ ভল্ট (এছটি লাইন) বিদ্যুৎস্পৃষ্ট হৈ পাঁচজন শ্ৰমিক আহত হয়। আজি দুপৰীয়া ঠিকাদাৰৰ হেমাহিৰ ফলত কাম কৰি থকা অৱস্থাত বিদ্যুৎ পৰিবাহী তাঁৰত লাগি পাঁচজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। ঠিকাদাৰৰ অনুপস্থিতিত উপ ঠিকাদাৰৰ তত্ত্বাৱধানত বিদ্যুৎ বিভাগৰ কাম কৰি থকা অৱস্থাত বিদ্যুতৰ তাঁৰ লাগি আহত শ্ৰমিককেইজন। আহত লোককেইজন ক্ৰমে ৰাশিদুল ইছলাম, ছাইৰুল আলম, নুৰ আলম ছলেমান আলী আৰু হুছাইন আলী আটাইৰে ঘৰ বঙাইগাঁও জিলাৰ বৰপথাৰ গাঁৱত। তথ্য মতে, ৰাশিদুল ইছলাম নামৰ যুৱকজনক সংকটজনক অৱস্থাত বঙাইগাঁৱৰ নাৰ্চিং হোমত উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰিছে আৰু বাকী আহত লোকসকলক কাজলগাঁও জেএছবি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বিদ্যুৎ কৰ্তন নকৰাকৈ ঠিকাদাৰে শ্ৰমিক লগাই কাম কৰোৱাৰ ফলতে এনে ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। ঠিকাদাৰ কোন সেয়াও নাজানে শ্ৰমিকসকলে, মাথোঁ বৰপথাৰ গাঁৱৰ দুজন লোকে কাম চোৱা-চিতা কৰে সেয়াহে অৱগত শ্ৰমিকসকলে। বিদ্যুৎ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ হেমাহীৰ ফলত প্ৰায়েই বিদ্যুৎ স্পৃষ্ট হৈ দৰিদ্ৰ শ্ৰমিক নিহত হোৱাৰ ঘটনা সংঘটিত হৈ আহিছে। তাৰ পাছতো যেন বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰসকলে সাৱধানতা অৱলম্বন কৰা পৰিলক্ষিত হোৱা নাই।

# লংকাৰ জোৰাপুখুৰীত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**লংকা, ১৭ জুলাই ঃ** লংকা জোৰাপুখুৰীত আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ এজন লোকৰ থিতাতে মৃত্যু হয়। মৃত লোকজন শিতল দাস (৬০)। পুৱাৰ ভাগতে দাসে ঘৰৰ সন্মুখৰ বিদ্যুৎ সংযোগী তাঁৰত লাগি থকা গছৰ ডাল আঁতৰাবলৈ গৈ টান মাৰোতে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক সাৱটি লয়। ইতিমধে ঘটনাস্থলীত শংকৰদেৱনগৰ আৰক্ষী উপস্থিত হৈ লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

# কৃষি বিভাগৰ কঠীয়াতলি আঁচনিৰ অধীনত কঠীয়া সিঁচা পৰ্ব সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৭ জুলাই ঃ** মৰিগাঁও জিলাৰ গেৰুৱা কৃষি চক্ৰৰ অন্তৰ্গত জামাদাৰী পথাৰত কালি কৃষি বিভাগে আনুষ্ঠানিকভাৱে সাত বিঘা মাটিত ধানৰ কঠীয়া সিঁচি অঞ্চলটোৰ বানাক্ৰান্ত কৃষকসকলক সকাহ দিয়াৰ পৰিকল্পনা কৰিছে। জামাদাৰী পথাৰত কালি কলপুলি পুতি ধূপ-ধূনা জ্বলাই এক মাংগলিক পৰিৱেশত কঠীয়া সিঁচা পৰ্ব আৰম্ভ কৰে গেৰুৱা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিতুমণি মহন্তই। কৃষি বিভাগৰ কঠীয়া সিঁচা পৰ্বত বিভাগীয়ভাৱে উপস্থিত থাকে কৃষি চক্ৰটোৰ চক্ৰ পৰিদৰ্শক দেৱকান্ত ভৰালী আৰু গ্ৰাম সেৱক পংকজ বৰদলৈ। তদুপৰি অঞ্চলটোৰ দুই গাঁও প্ৰধান দীলিপ বড়ো আৰু সাধন বৰদলৈ প্ৰমুখ্যে কে'বাজনো আদৰ্শ যুৱ কৃষক। গেৰুৱা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিতুমণি মহন্তই জনোৱা মতে, গেৰুৱা কৃষি চক্ৰত বাহাদুৰ ছাৱ - ১ সঁচৰ ২৫ কুইণ্টল ধানৰ কঠীয়া কৃষি চক্ৰটোৰ বিভিন্ন স্থানত পেলাবৰ বাবে মাটি প্ৰস্তুত কৰা হৈছে। বানাক্ৰান্ত যিসকল কৃষকে এই কঠীয়া পাবলৈ ইচ্ছা কৰে তেওঁলোকে স্থানীয় কৃষি বিষয়া, গ্ৰাম সেৱক আদিৰ স'তে যোগাযোগ কৰিলেই প্ৰয়োজনীয় কঠীয়া লাভ কৰিব পাৰিব। তদুপৰি বাহাদুৰ ছাৱ-১ সঁচৰ ধানৰ কঠীয়া বানপীড়িত অঞ্চলৰ বাবে ফলপ্ৰসূ হব। কিয়নো এই সঁচৰ কঠীয়া ৰোপণ কৰাৰ পাছত বানত বুৰিলেও ১০-১২ দিন পৰ্যন্ত নষ্ট নহয়। লগতে উৎপাদনো সাধাৰণ শালি ধানৰ প্ৰজাতিতকৈ যথেষ্ট বেছি। অসম চৰকাৰৰ কৃষি বিভাগৰ অধীনৰ আৰ কে ভি আয়ে সমূহীয়া কঠীয়াতলি আঁচনিৰ জৰিয়তে বানাক্ৰান্ত কৃষকসকলক সকাহ দিবৰ বাবেই এনেদৰে বিনামুলীয়া ধানৰ কঠীয়া যোগান ধৰিছে। সেয়ে কৃষি বিষয়াজনে সকলো বানাক্ৰান্ত কৃষককে কৃষি বিভাগে আগবঢ়োৱা এনে সুযোগ গ্ৰহণ কৰি লাভান্বিত হ'বলৈ আহ্বান জনাইছে। গেৰুৱা কৃষি চক্ৰত সৰ্বমুঠ পাঁচ হেক্টৰ মাটিত সমূহীয়া কঠীয়াতলি আঁচনিৰ অধীনত বাহাদুৰ ছাৱ-১ সঁচৰ কঠীয়া সিচা হ'ব বুলি কৃষি বিষয়াজনে সাংবাদিকক জানিব দিয়ে ।

# অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাধৱ চন্দ্ৰ মেধিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ১৭ জুলাই ঃ** অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত বিষয়া, কাৰাকুছি মেধি খেলৰ প্ৰাক্তন পাঠক, তথা কাৰাকুছি গাঁও নিবাসী মাধৱ চন্দ্ৰ মেধি (৭৪)ৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ তেওঁ দীৰ্ঘদিন ধৰি চিকিৎসা সেৱা গ্ৰহণ কৰি আছিল যদিও নিশা ন বজাত শেষ নিশ্বাস ত্যাগ কৰে। মেধিয়ে ২০০৯ত অসম আৰক্ষীৰ পৰিদৰ্শক হিচাপে চাকৰি জীৱনৰ পৰা অৱসৰ লয়। পৰৱৰ্তী সময়ত তেওঁ বিভিন্ন সামাজিক আৰু ধৰ্মীয় কাম-কাজৰ স'তে জড়িত হৈ পৰে। তেওঁ কিছু দিনৰ বাবে কাৰাকুছি মেধি খেল, নামঘৰৰ পাঠকৰ দায়িত্ব পালন কৰে যদিও শাৰীৰিক অসুস্থতাৰ বাবে এই পদৰ পৰা অব্যাহতি লয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰি জী-জোঁৱাই সহিতে অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# দৰংগিৰিৰ মাজপাৰা-কছাৰীপাৰাক চকলেট গাঁওৰূপে বৃক্ষৰোপণ গোৱালপাৰা উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ১৭ জুলাই ঃ** গোৱালপাৰা জিলাৰ দৰংগিৰি-কছাৰীপাৰা গাঁওখন চকলেট গাঁও হিচাপে আজি চকলেট গছৰ পুলি ৰোপণেৰে আৰম্ভ কৰে গোৱালপাৰা জিলাৰ উপায়ুক্ত মীনাক্ষী দাস নাথে। যোৱা ২৭ এপ্ৰিলত গোৱালপাৰা জিলা কৃষি বিভাগে কছাৰীপাৰা গাঁওখনক চকলেটগাঁও হিচাপে ঘোষণা কৰিছিল। অসমৰ প্ৰথমখন চকলেট গাঁও হিচাপে কছাৰীপাৰা গাঁৱৰ ৭৭জন কৃষকে ২২০ বিঘা ভূমিত প্ৰথম পৰ্যায়ত চকলেট (ক'কোৱা) খেতি কৰা আৰম্ভ কৰিব। চকলেট খেতি পৰিচৰ্যা কৰাৰ বাবে গোৱালপাৰা জিলা কৃষি বিভাগ আৰু দুধনৈস্থিত কৃষি বিজ্ঞান কেন্দ্ৰই সহযোগ আগবঢ়াব। ইতিমধ্যে আঁচনিখন সফল ৰূপায়ণৰ বাবে গোৱালপাৰা জিলা উপায়ুক্তক অধ্যক্ষ আৰু জিলা কৃষি বিষয়াক সচিব হিচাপে লৈ এখন জিলা পৰ্যায়ৰ সমিতি গঠন কৰা হৈছে। চকলেট খেতিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি মজবুত কৰাৰ লগতে চকলেট



প্ৰস্তুত, কেক প্ৰস্তুত আদি উদ্যোগ গঢ়ি তোলাৰ জৰিয়তে গাঁওখনক পৰ্যটনথলী হিচাপে গঢ়ি তুলি অসমৰ ভিতৰত এখন আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে বুলি উপায়ুক্ত মীনাক্ষী দাস নাথে জানিবলৈ দিয়ে। উল্লেখ্য যে গাঁওখনৰ খুংখ্ৰা কছাৰী ইতিমধ্যে চকলেট খেতিৰে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। তেওঁৰ বাৰীত লমালমে লাগি থকা চকলেট (ক'কোৱা) ফল দেখি, গাঁওখনত চকলেট খেতিৰ সম্ভাৱনীয়তাৰ কথা মনলৈ আহে আৰু চকলেট গাঁও হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হয় আৰু প্ৰস্তুত কৰা হয় বুলি উপায়ুক্ত নাথে কয়। আজিৰ উদ্বোধনী অনুষ্ঠানত দুধনৈ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, জিলা কৃষি বিষয়া নয়ন কুমাৰ বৰা, জিলা কৃষি বিভাগৰ সহকাৰী সঞ্চালক ৰাহিদ ৰহমান, দুধনৈ কৃষি চক্ৰ বিষয়া প্ৰিয়াংকু মজুমদাৰ, হোমেন ব্ৰহ্ম, কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী ড° হৰিচৰণ কলিতা, চকলেট খেতিয়ক খুংখ্ৰা কছাৰীৰ লগতে গাঁওখনৰ পুৰুষ-মহিলাসকল উপস্থিত থাকে।

# দ্বাৰকা সাপ্তাহিক বজাৰ পট্টনৰ নামত অনিয়ম

## ■ উৎকোচ নোপোৱা বাবেই তিনি বাৰকৈ নিবিদা আহ্বানৰ অভিযোগ



চিনামৰাত পথৰ বিধ্বস্ত ৰূপ।

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ জুলাই ঃ** গোৱালপাৰা জিলাৰ বালিজানা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত দ্বাৰকা সাপ্তাহিক বজাৰ পট্টনৰ নামত কৰ্তৃপক্ষই ব্যাপক অনিয়মৰ আশ্ৰয় লোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, যোৱা ১৭ জুনত বালিজানা আঞ্চলিক পঞ্চায়তে আহ্বান কৰা নিবিদা প্ৰক্ৰিয়াত দ্বাৰকা সাপ্তাহিক বজাৰৰ বিপৰীতে মুঠ চাৰিজনকৈ লোকে নিবিদা দাখিল কৰে। বজাৰখনৰ চৰকাৰী নিৰ্ধাৰিত ন্যূনতম মূল্য হ'ল ৯৮ হেজাৰ ৯৫ টকা । ইপিনে, ১৭ জুনৰ নিবিদা প্ৰক্ৰিয়াত উদ্ধৱ বৰ্মনে দুই লাখ ১১ হেজাৰ, প্ৰণৱ কুমাৰ বৰ্মনে ৯৮ হেজাৰ তিনিশ, বিশ্বজিৎ ৰয়ে ৯৮ হেজাৰ এশ আৰু কৰুণা বৰ্মনে ৯৮ হেজাৰ ৯৫ টকাৰ নিবিদা দাখিল কৰে । পৰৱৰ্তী সময়ত প্ৰথম স্থানত থকা উদ্ধৱ বৰ্মনে তেওঁৰ নিবিদা প্ৰত্যাহাৰ কৰে। ইপিনে দ্বিতীয় স্থানত থকা নিবিদাকাৰীক বজাৰখন পট্টন দিয়াৰ বিনিময়ত বালিজানা আঞ্চলিক পঞ্চায়তৰ গাণনিক মনোজ কুমাৰ মেধী আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি টিকেন ৰাভাই ৬০ হেজাৰ টকা উৎকোচ বিচৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কিন্তু উৎকোচ দিবলৈ অস্বীকাৰ কৰাত আঞ্চলিক পঞ্চায়তৰ সভাপতিজনে সম্পূৰ্ণ বেআইনীভাৱে গোপনে বজাৰখনৰ বাবে পুনৰ নিবিদা আহ্বান কৰে বুলি প্ৰণৱ কুমাৰ বৰ্মনে অভিযোগ উত্থাপন কৰিছে। অতি আশ্চৰ্যজনক কথাটো হ'ল যে ১৭ জুনত হোৱা নিবিদা নাকচ নকৰাকৈয়ে বালিজানা আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীয়ে বি এ পি-২৯, হাট-ঘাট, মীনমহল-০১-২০২২-২৩ নম্বৰ যোগে যোৱা ২১ জুনত দ্বাৰকা সাপ্তাহিক বজাৰৰ বাবে পুনৰ নিবিদা আহ্বানৰ বাবে কাৰ্যালয়ৰ ফলকত এক জাননী আঁৰি দিয়ে। ২৩ জুনত পুনৰ নিবিদা আহ্বান কৰা হৈছিল যদিও উক্ত দিনাই আন এক জাননী যোগে পুনৰ আহ্বান কৰা নিবিদা স্থগিত ৰাখে । ইপিনে, স্থগিত ৰখাৰ জাননী দিয়াৰ পাছতো ২৩ তাৰিখে দাখিল হোৱা নিবিদাৰ তুলনামূলক প্ৰতিবেদন প্ৰস্তুত কৰি অনুমোদনৰ বাবে গোৱালপাৰা জিলা পৰিষদলৈ প্ৰেৰণ কৰে আঞ্চলিক পঞ্চায়তৰ সভাপতিজনে । বিভাগীয় নিয়ম অনুযায়ী পুনৰ নিবিদা জাননী জাৰি কৰা তথা স্থগিত ৰখা আৰু জিলা পৰিষদলৈ প্ৰেৰণ কৰা তুলনামূলক প্ৰতিবেদনত আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়াৰ স্বাক্ষৰ থাকিব লাগে । কিন্তু দ্বাৰকা সাপ্তাহিক বজাৰৰ পুনৰ নিবিদা প্ৰক্ৰিয়াত কাৰ্যবাহী বিষয়াই স্বাক্ষৰ কৰা নাছিল। ইপিনে, পুনৰ নিবিদা আহ্বানৰ বিৰুদ্ধে আপত্তি দৰ্শাই যোৱা আঠ জুলাইত ৰাইজে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক এখন লিখিত অভিযোগ দাখিল কৰে । এইদৰে প্ৰথম পৰ্যায়ত হোৱা নিবিদা নাকচ নকৰাকৈয়ে পুনৰ নিবিদা আহ্বান কৰা আৰু একেই বজাৰৰ বাবে দুটাকৈ তুলনামূলক প্ৰতিবেদন পঠোৱা বাবেই গোৱালপাৰা জিলা পৰিষদৰ হাট বজাৰ পট্টনৰ ষ্টেণ্ডিং কমিটীয়ে যোৱা আঠ জুলাইত দ্বাৰকা সাপ্তাহিক বজাৰ সন্দৰ্ভত এক প্ৰস্তাৱ গ্ৰহণ কৰে। ষ্টেণ্ডিং কমিটীৰ প্ৰস্তাৱ মৰ্মে মুখ্য কাৰ্যবাহী বিষয়াজনে যোৱা ১১ জুলাইত জি জেদ পি জি-৮২৫, হাট-ঘাট, ফিচাৰিছ কোৰেচ, ২০২১-২২,১১৭ নম্বৰ যোগে বজাৰখনৰ বাবে পুনৰ নিবিদা আহ্বান কৰিবলৈ বালিজানা আঞ্চলিক পঞ্চায়তক নিৰ্দেশ দিয়ে। এইদৰে বিভাগীয় নিয়ম উলংঘা কৰি মইমতালিৰে বাৰে বাৰে নিবিদা আহ্বান কৰাটো সহজভাৱে মানি ল'ব পৰা নাই প্ৰথম পৰ্যায়ত দাখিল কৰা নিবিদাকাৰীসকলে। কেৱল নিবিদা আহ্বানৰ ক্ষেত্ৰতেই নহয় বজাৰখনৰ খাজনা আদায়ৰ নামতো সম্প্ৰতি কৰ্তৃপক্ষই দুৰ্নীতিৰ আশ্ৰয় লোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় সচেতন ৰাইজ তথা প্ৰথম পৰ্যায়ত দাখিল কৰা নিবিদাকাৰীসকলে ।

# যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত সমূহীয়া কঠীয়াতলি আঁচনি মুকলি

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১৭ জুলাই ঃ** ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২২-২৩ৰ অধীনত যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে গ্ৰহণ কৰা 'কমিউনিটি নাৰ্চ্চাৰী' আঁচনি জিলাখনৰ মৰিয়নি, টীয়ক আৰু চেলেংহাটত যোৱা ১৩ আৰু ১৪ জুলাইত আৰম্ভ কৰা হয়। ১৩ জুলাইত মৰিয়নিৰ কাটনিপাৰ গাঁৱত 'সমূহীয়া কঠীয়াতলি'ত বীজ সিঁচি আঁচনিখনৰ আৰম্ভণি কৰে মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। বিধায়কজনে আঁচনিখনৰ আৰম্ভণি কৰি কৃষক ৰাইজক স্বাৱলম্বী আৰু আয় দুগুণ কৰিবলৈ বছৰি দুটাৰ পৰা তিনিটা শস্যৰ খেতি কৰিবলৈ আহ্বান জনায়। তেওঁ কৃষকসকলক গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন নিধি আৰু প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ অধীনত সৌৰশক্তিচালিত পানী পাম্প, ডিজেলচালিত পানী পাম্প আৰু ড্ৰিপ জলসিঞ্চনৰ সুবিধা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। অনুষ্ঠানটোত যোৰহাট মহকুমাৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া প্ৰাঞ্জল হাজৰিকা, মৰিয়নি কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া ঋষিকেশ হাজৰিকা, স্থানীয় কৃষি সম্প্ৰসাৰণ বিষয়া, জলসিঞ্চন বিভাগৰ বিষয়া, জিলা পৰিষদৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতিৰ লগতে স্থানীয় উদ্যোগী কৃষকসকল উপস্থিত থাকে। একেদিনাই টীয়ক মিধাখাট আৰু জগদুৱাৰ মিচিং গাঁৱতো 'সমূহীয়া কঠীয়াতলি' আঁচনিৰ আৰম্ভণি কৰা হয়। গাঁও দুখনত কঠীয়া সিঁচি আঁচনিখনৰ আৰম্ভণি কৰে টীয়ক ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শৌভিক ভূঞাই। অনুষ্ঠানটোত যোৰহাট মহকুমাৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া প্ৰাঞ্জল হাজৰিকা, নকছাৰী কৃষি চক্ৰৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কটকী, টীয়ক কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া ৰিজবি হাজৰিকা উপস্থিত থাকে। আনহাতে, ১৪ জুলাইত চেলেংহাট কৃষি উন্নয়ন চক্ৰৰ অধীনৰ ৰানখাম গাঁৱত তিনি হেক্টৰ মাটিত 'বাহাদুৰ চাব-১' বীজ সিঁচি 'সমূহীয়া কঠীয়াতলি' আঁচনিৰ আৰম্ভণি কৰে মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। অনুষ্ঠানটোত নকছাৰী কৃষি চক্ৰৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কটকী, চেলেংহাট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া পৃথ্বিৰাজ পেগু আৰু কৃষি উন্নয়ন সহায়ক অতুল শৰ্মা উপস্থিত থাকে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে বাৰিষাৰ বানত কঠীয়া বা পথাৰৰ ৰোৱা নষ্ট হোৱা জিলাখনৰ কৃষকসকলক কঠীয়া যোগান ধৰা হ'ব। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ জৰিয়তে এই তথ্য সদৰী কৰিছে কৃষি বিভাগৰ যোৰহাট জিলাৰ মিডিয়া বিশেষজ্ঞ আভা ভৰালীয়ে।

# ৰূপাইত ১০ অসম বেটেলিয়ন এনচিচিৰ প্ৰশিক্ষণ শিবিৰ



অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ১৭ জুলাই ঃ** ৰূপাইত ১০ অসম বেটেলিয়ন এনচিচিৰ প্ৰশিক্ষণ শিবিৰ পূৰ্ণগতিত চলিছে। ১০ নম্বৰ অসম বেটেলিয়ন এনচিচি ডিব্ৰুগড়ৰ উদ্যোগত যোৱা ১০ জুলাইৰ পৰা ২০ জুলাইলৈ তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰূপাই লাৰনাৰ্ছ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱালে এদিনীয়া প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণ কালত অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ ডেপুটি চীফ ৱাৰ্ডেন মনোৰঞ্জন মৰানে সহযোগিতা কৰে। আনহাতে ১০ নম্বৰ অসম বেটেলিয়ন এনচিচিৰ কৰ্ণেল আৰ ৰমেশ এছএমইচাক জিনমি, চুবেদাৰ উত্তম চুব্বা, নায়ক চুবেদাৰ চৰণজিৎ সিং আদি কৰি বিষয়াসকলে অংশগ্ৰহণ কৰি প্ৰশিক্ষণ প্ৰদান কৰিছে। ১০ নম্বৰ অসম বেটেলিয়ন এনচিচিৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত ৰাজ্যৰ বিভিন্ন ঠাইৰ প্ৰায় ছয়শ এনচিচি প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

# হোজাইত জাপানীজ এনকেফেলাইটিছৰ ৰোগীৰ সংখ্যা বৃদ্ধি

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৭ জুলাই ঃ** ৰাজ্যত দিনক দিনে, বৃদ্ধি পাইছে জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ৰোগীৰ সংখ্যা। তাৰ সমান্তৰালভাৱে হোজাইতো ইতিমধ্যে তিনিজনৰ দেহাত এনকেফেলাইটিছৰ অৱস্থিতি ধৰা পৰিছে। তাৰে দুগৰাকী হোজাইৰ ডৰকাৰ জংঘলব্লক আৰু পূৱ যোগীজানৰ। আনহাতে, আন এগৰাকী লংকাৰ শ্যামবাৰীৰ বুলি জানিব পৰা গৈছে।। ইতিমধ্যে জাপানীছ এনকেফেলাইটিছত আক্ৰান্ত হোৱা তিনিজন গুৱাহাটীত চিকিৎসাধীন হৈ আছে।

## নিৰ্মূলৰ লক্ষ্যৰে বিহিত ব্যৱস্থা গ্ৰহণ হোজাই প্ৰশাসনৰ

জিলাখনত জাপানীছ এনকেফেলাইটিছ নিৰ্মূল কৰা লক্ষ্যৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে হোজাই জিলা প্ৰশাসনে । হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ নিৰ্দেশত জিলা স্বাস্থ্য বিভাগৰ অধীনৰ মেলেৰিয়া বিভাগৰ লোকক লগত লৈ হোজাই জিলা স্বাস্থ্য বিভাগৰ এটি দলে হোজাই জিলাখনত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত লোকসকলৰ অঞ্চলসমূহত ফ্ৰগিং কৰাৰ লগতে জিলাখনত বিভিন্ন প্ৰান্তত জ্বৰত আক্ৰান্ত হোৱা লোকসকলৰ তেজৰ নমুনা সংগ্ৰহ আৰু পৰীক্ষা কৰা, আঁঠুৱাত দৰৱ দিয়াকে ধৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব দিয়ে হোজাই জিলাৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰঞ্জু ৰাজখোৱাই। লগতে ৰাইজক সজাগতা কৰাৰ লক্ষ্যৰে জিলাখনত ২৯০ খন সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে ৰাইজক জাপানীজ এনকেফেলাইটিছৰ পৰা হাত সাৰিবলৈ ল'ব লগা ব্যৱস্থাৰ ওপৰত প্ৰচাৰ পত্ৰ বিলোৱা, মাইক লৈ ঘোষণা আদি কৰা হৈছে বুলি চিকিৎসক বিষয়া ৰাজখোৱাই জানিব দিয়ে।

# ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ নৱাগত আদৰণি

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৭ জুলাই ঃ** লখিমপুৰ চহৰৰ অগ্ৰণী শিক্ষানুষ্ঠান ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ ঊনবিংশতম নৱাগত আদৰণি অনুষ্ঠান কালি লখিমপুৰ জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। শিক্ষাবিদ হেমেন্দ্ৰ কুমাৰ গগৈৰ স্মৃতিত অনুষ্ঠিত নৱাগত আদৰণি অনুষ্ঠানত ব্ৰহ্মপুত্ৰ ভেলী হাইস্কুলৰ সঞ্চালক প্ৰধান পদ্ম শৰ্মা বৰুৱাই বন্তি প্ৰজ্বলন কৰে। আদৰণি ভাষণ আগবঢ়ায় ব্ৰহ্মপুত্ৰ ভেলী একাডেমী পৰিচালনা সমিতিৰ সভাপতি শ্যামল শৰ্মা বৰুৱাই। নৱাগত আদৰণিৰ উদ্বোধনী ভাষণ প্ৰদান কৰে ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ প্ৰতিষ্ঠাপক ড° দেৱজিৎ দত্তই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট শিক্ষাবিদ তথা ব্ৰহ্মপুত্ৰ ভেলীৰ শৈক্ষিক উপদেষ্টা ড° পুষ্পনাথ বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়া, ব্ৰহ্মপুত্ৰ ভেলী বিজ্ঞান গুৰু আসন মুহিধৰ পূজাৰী আৰু ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ অধ্যক্ষ কৃষ্ণ ভূঞাই। বিশিষ্ট অতিথিৰ ভাষণ প্ৰসংগত ড° ৰমেশ চন্দ্ৰ চুতীয়াই একাডেমীৰ নৱাগতসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে একাডেমীৰ পৰা একো একোজন সু-নাগৰিক হৈ ৰাজ্য তথা দেশৰ নাম উজলাই তুলিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিজ্ঞান, কলা, বাণিজ্য শাখাৰ কৃতীমান ছাত্ৰ-ছাত্ৰীক একাডেমী সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। নৱাগত আদৰণি সভাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্যৰে তেওঁলোকৰ প্ৰতিভাসমূহ প্ৰকাশ কৰে। একাডেমীৰ ছাত্ৰী প্ৰপঞ্চা বৰুৱা আৰু অমৃত শইকীয়াই আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষা পল্লৱী ডেকাই।

# শিক্ষাবিদ-সমাজহিতৈষী প্ৰয়াত দিগন্ত ৰামচিয়াৰী স্মাৰক গ্ৰন্থৰ লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**টিহু, ১৭ জুলাই ঃ** নলবাৰী জিলা পৰিমণ্ডলৰ বিদ্যালয়সমূহৰ প্ৰাক্তন উপ-পৰিদৰ্শক, শিক্ষাবিদ, সমাজহিতৈষী দিগন্ত ৰামচিয়াৰীৰ যোৱা ১৭ মে'ত পৰলোকপ্ৰাপ্তি হয়। প্ৰয়াত ৰামচিয়াৰীৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে তেওঁৰ জীৱন-কৃতি সম্বলিত স্মৃতিগ্ৰন্থ এখন প্ৰকাশ কৰিবলৈ বলেন্দ্ৰ বড়োক সভাপতি আৰু পৰেশ বড়োক সম্পাদক হিচাপে লৈ গঠন কৰা সম্পাদনা সমিতিয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। সেয়ে ৰাজ্যৰ ভিন্ন প্ৰান্তত থকা তেওঁৰ আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ, প্ৰাক্তন ছাত্ৰ, হিতাকাংক্ষীৰ পৰা লেখা বিচৰা হৈছে। লেখাসমূহ অহা ৩০ জুলাইৰ পূৰ্বে পৰিয়াল বা সম্পাদনা সমিতিৰ হাতত পোৱাকৈ ব । gakuldasashirbad@gmail.com মেইলত প্ৰেৰণ কৰিব। সবিশেষ জানিবলৈ ৯৩৬৫৫৮৬৮১৮ অথবা ৯৬৭৮৫৭৭৩২১ নম্বৰত ফোন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

# বিজেপিৰ ৰংপুৰ মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাত ৰেডিঅ' বিতৰণ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৭ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ বেতেনা ৰংগমঞ্চত পৰহি শিৱসাগৰ জিলা বিজেপিৰ অন্তৰ্গত ৰংপুৰ মণ্ডল বিজেপিৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহক সভা বহু সংখ্যক সদস্যৰ উপস্থিতত অনুষ্ঠিত হয়। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক পৰ্যায়ৰ আত্মনিৰ্ভৰশীল ভাৰতৰ সহ অধিনায়ক প্ৰাঞ্জল কটকী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য মানস সন্দিকৈ, জিলা বিজেপিৰ সভাপতি ময়ুৰ বৰগোহাঁই, উপ-সভাপতি তন্ময় শইকীয়া উপস্থিত থাকি বিজেপিৰ লক্ষ্য, উদ্দেশ্য আৰু কৰ্মপদ্ধতি সম্পৰ্কে বহল ব্যাখ্যা দাঙি ধৰে। এই সভাতেই শিৱসাগৰ জিলা বিজেপিৰ সভাপতি ময়ুৰ বৰগোহাঁয়ে ৰংপুৰ মণ্ডলৰ প্ৰতিটো ৱাৰ্ডত 'প্ৰধানমন্ত্ৰীৰ মন কি বাত' অনুষ্ঠান শুনাৰ বাবে একোটাকৈ ৰেডিঅ' চেট বিতৰণ কৰে।

# বানাক্ৰান্ত ৰাইজৰ বাবে কঠীয়া পাৰিলে কৃষি বিভাগে

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ১৭ জুলাইঃ** শিৱসাগৰ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু বাঢ়েটিং গাঁৱৰ যুৱকসকলৰ সহযোগত কালি বাঢ়েটিং গাঁৱৰ মাটিকলী পথাৰৰ প্ৰায় দুই হেক্টৰ মাটিত বাহাদুৰ চাব-১ৰ কঠীয়া, সিঁচা হয়। বানাক্ৰান্ত অঞ্চলৰ কৃষক ৰাইজৰ সহায়ৰ বাবে শিৱসাগৰ জিলা কৃষি বিভাগে পৰা এই কঠীয়া সিঁচা অনুষ্ঠানত জিলা কৃষি বিষয়া বলীন্দ্ৰ নাথ চেতিয়া, কোঁৱৰপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া ৰিতুৰাজ সোণোৱাল, সহকাৰী কৃষি পৰিদৰ্শক জীৱেশ্বৰ চেতিয়া, কৃষি সম্পসাৰণ সহায়ক আলটাভ হুছেইন, দিচাংধাই আলিগাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যা জ্যোতি গগৈ আৰু অভিজিতা দাস উপস্থিত থাকে।

# আজিৰ পৰা নাৰী নিৰ্যাতন-নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চাহ মজদুৰ সংঘৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৭ জুলাই ঃ** বৰ্তমান ৰাজ্যখনৰ লগতে চাহ বাগিচা অঞ্চলতো মহিলা-যুৱতী-নাবালিকাৰ ওপৰত অমানৱীয়, অসভ্য আচৰণ, হত্যা-হিংসা, ধৰ্ষণ, অপহৰণ আদি বিভিন্ন ধৰণৰ অপৰাধজনিত কাণ্ড সংঘটিত হৈ থকাত মহিলা-যুৱতীসকলৰ মাজত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে নিৰাপত্তাহীনতাত ভুগিব লগা হৈছে। ফলত সমাজখনো কলংকিত হৈছে। আনহাতে, চাহ বাগিচা অঞ্চলত নিচাজাতীয় দ্ৰব্য যেনে চুলাই, মদ, গাঞ্জা, ডেনড্ৰাইট, গুট্খা, শিখৰ, জুৱা আদি বাগিচাৰ পুৰুষ-মহিলা, যুৱক-যুৱতীৰ মাজত ব্যাপক ৰূপত প্ৰচলন, সেৱন আৰু বিক্ৰী হোৱাৰ ফলত বাগিচাসমূহত ইয়াৰ কুপ্ৰভাৱ পৰাত সমাজ ব্যৱস্থা বিনষ্ট হোৱাৰ লগতে সামাজিক, শৈক্ষিক আৰু যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকলৰ ভীষণ ক্ষতি হৈছে। উক্ত দ্ৰব্যসমূহ সেৱন কৰাৰ ফলত অসামাজিক তথা ঘৃণনীয় কৰ্মকাণ্ড সঘনাই ঘটি আছে। এই সন্দৰ্ভত অসম চাহ মজদুৰ সংঘ মৰাণ শাখাৰ ২৮ জুনত অনুষ্ঠিত কাৰ্যকৰী সমিতিৰ সভাত গৃহীত সিদ্ধান্ত অনুযায়ী ১৮ জুলাইৰ আবেলি তিনিৰ পৰা পাঁচ বজালৈ শাখা সংঘৰ সকলোবোৰ বাগিচাৰ লাইনে লাইনে নাৰী নিৰ্যাতন আৰু নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলাবলৈ বাগিচাৰ শ্ৰমিক ৰাইজে প্ৰস্তুতি চলাইছে। উক্ত প্ৰচাৰ কাৰ্যসূচী মতে, মৰাণ ৰাজহ চক্ৰৰ অধীনস্থ বাগিচাসমূহৰ বাবে মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মৰাণ চাহ বাগিচাত, মাহমৰা ৰাজহ চক্ৰৰ অধীনস্থ বাগিচাসমূহৰ বাবে মাহমৰা ৰাজহ চক্ৰ বিষয়া হিংৰিজান চাহ বাগিচাত, ডিমৌ অঞ্চলৰ বাগিচাসমূহৰ বাবে ডিমৌ ৰাজহ চক্ৰ বিষয়াই আঠাবাৰী চাহ বাগিচাত আৰু টিংখং ৰাজহ চক্ৰৰ অধীনস্থ বাগিচাসমূহৰ বাবে চিংখং ৰাজহ চক্ৰ বিষয়াই ডিৰাই চাহ বাগিচাত কাৰ্যসূচী মুকলি কৰিবলৈ ৰাজহ চক্ৰ বিষয়াসকলক মৰাণ শাখা চাহ মজদুৰ সংঘৰ তৰফৰ পৰা সংঘৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে আমন্ত্ৰণ জনোৱাৰ লগতে সংশ্লিষ্ট বাগিচাসমূহৰ পৰিচালক মণ্ডলী আৰু চিকিৎসাকৰ্মীসকলকো উপস্থিত থাকিবৰ বাবে এক বিজ্ঞপ্তিযোগে অনুৰোধ জনাইছে।

# মৰনৈ স্বাস্থ্য কেন্দ্ৰক এলপিজি প্লাণ্টৰ সামগ্ৰী যোগান



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৭ জুলাই ঃ** হিন্দুস্থান পেট্ৰ'লিয়াম কৰপ'ৰেচন লিমিটেড চমুকৈ এইছ পিচিএলৰ মৰনৈস্থিত গোৱালপাৰা এলপিজি প্লাণ্টে মৰনৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক কিছুমান চিকিৎসাৰ সহায়ক সামগ্ৰী যোগান ধৰে। এইছপিচিএলৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু স্বচ্ছতা পাখৰাদা-২২ৰ সামৰণি অনুষ্ঠান উপলক্ষে যোৱা ১৫ জুলাইত এলপিজি প্লাণ্টৰ কাৰ্যকৰ্তাসকলে মৰনৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত গৈ টেবুল, চেলাইন ষ্টেণ্ড, চিলিং ফেন আদিকে ধৰি চিকিৎসাৰ সহায়ক হোৱাকৈ কিছুমান সামগ্ৰী যোগান ধৰে। প্ৰয়োজনীয় আচবাব আৰু অন্যান্য সামগ্ৰীখিনি গ্ৰহণ কৰি মৰনৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ সাজিদা বেগমে কয় যে এলপিজি প্লাণ্টে আগবঢ়োৱা সামগ্ৰীয়ে চিকিৎসাৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব।

# কলকাতাত সম্বৰ্ধিত তিনিচুকীয়াৰ কবি অৰুণজ্যোতি



অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ১৭ জুলাই ঃ** কলকাতাত অসমৰ তিনিচুকীয়া জিলাৰ এগৰাকী কবিয়ে অনুষ্ঠানত ভাগ লোৱাৰ উপৰি সম্বৰ্ধনা লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। বিশ্ব বাংলা সাহিত্য নিকেতন আৰু মুক্ত কবি কণ্ঠৰ উদ্যোগত কলকাতাৰ বোলপুৰত অনুষ্ঠিত 'সাহিত্য সমন্বয় অনুষ্ঠান'ত তিনিচুকীয়াৰ এগৰাকী কবিক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত সাহিত্য, সংস্কৃতি, সমন্বয়ৰ প্ৰতিভা স্বৰূপ তিনিচুকীয়াৰ বৰগুৰিৰ কবি অৰুণজ্যোতি তাঁতীক সম্বৰ্ধনা জ্ঞাপন কৰে। বিশ্ব বাংলা সাহিত্য নিকেতন আৰু মুক্ত কবি কণ্ঠৰ তৰফৰ পৰা স্মাৰক, সম্বৰ্ধনা পত্ৰ আদিৰে কবি অৰুণজ্যোতি তাঁতীক সম্বৰ্ধনা জনায়। কবিগৰাকীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সমবেত হোৱা কবি, সাহিত্যিকৰ স'তে কবিতা পাঠ কৰে। অনুষ্ঠানত বিশ্ব বাংলা সাহিত্য নিকেতন আৰু মুক্ত কবি কণ্ঠৰ বিষয়ববীয়া ক্ৰমে যুঠিকা দাস, শ্ৰাৱণী ঘটক সৰকাৰ, সুব্ৰত বোস, কাব্য নীল, নিগমা নন্দ মণ্ডল, সন্দিপন শীল আদি উপস্থিত থাকে।

# সোণাপুৰ কলেজত উপেন বৰাৰ 'তপোবন' উন্মোচন



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৭ জুলাই ঃ** কালি সোণাপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা সোণাপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি উপেন বৰাৰ দ্বিতীয়খন গল্প সংকলন 'তপোবন' কালি উন্মোচন কৰা হয়। এই উপলক্ষে সোণাপুৰ মহাবিদ্যালয় থিয়েটাৰ প্ৰেক্ষাগৃহত আয়োজন কৰা গ্ৰন্থ উন্মোচনী সভাখনি সঞ্চালনা কৰে সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰে। সভাখনৰ পাতনিতে সোণাপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° মণিৰাম কলিতাই গল্পকাৰ উপেন বৰাৰ এক পৰিচয় দাঙি ধৰে। উল্লেখ্য যে অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ ৰবীন্দ্ৰনাথ ডেকা আৰু অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ স্বাস্থ্য বিষয়া ডাঃ প্ৰেমনাথ বৰাই। গ্ৰন্থখন উন্মোচন কৰি শিক্ষাবিদ ডেকাই প্ৰসংগ ক্ৰমে বৰাৰ প্ৰথমখন গল্প সংকলন দাপোণৰ বিষয়ে কিছু আলোকপাত কৰে। তদুপৰি, তপোবন গ্ৰন্থ সংকলনখনৰ বিষয়ে বক্তৃতা প্ৰদান কৰি গ্ৰন্থখনয়ে ভৱিষ্যতে পাঠকৰ সমাদৰ লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইফালে, আনজন উন্মোচক ডাঃ প্ৰেম নাথ বৰাই উন্মোচনী ভাষণ প্ৰদান কৰি কয় যে আমাৰ সকলোৰে হৃদয়ত সাহিত্য আছে, মনত সাহিত্য আছে আৰু কবিতা আছে। আমি সকলোৱে মন্থন কৰিলে সাহিত্য সৃষ্টি কৰিব পাৰো। সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ অৱক্ষয়ৰ সমাধান কেৱল সাহিত্য সৃষ্টিয়ে কৰিব পাৰে বুলিও তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থকা হেৰম্ব প্ৰসাদ শইকীয়া, সোণাপুৰ সাহিত্য সভাৰ সভাপতি অজিত দত্ত, সহধৰ্মিণী দীপ্তি বৰা, সোণাপুৰ সাহিত্য সভাৰ সম্পাদক শোভন ফুকন, সাহিত্যিক বিনুলি শইকীয়া পাটোৱাৰী, সোণাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জুৰি দেৱী, মেলিছা প্ৰিয়দৰ্শনী, নিলোৎপলা বৰা, ক্ষেত্ৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক নামেশ্বৰ বড়ো, ৰমেন দাস আদি প্ৰমুখ্যে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গল্পকাৰ উপেন বৰাই গল্পৰ সমল কেনেদৰে লাভ কৰে সেই বিষয়ে তেওঁৰ মনোভাব ব্যক্ত কৰি বাছ যাত্ৰা, সমাজ, কাৰ্যালয় আদিত লগ পোৱা ব্যক্তিসকলৰ পৰাই তেওঁ লেখাৰ সমল লাভ কৰে বুলি কয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক- অধ্যাপিকা, কৰ্মচাৰী আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা গ্ৰন্থ উন্মোচনী সভাৰ সঞ্চালক ড° দেৱব্ৰত খনিকৰে সঞ্চালকৰ আসনৰ পৰা ভাষণ প্ৰদান কৰি কয় যে গল্পকাৰ উপেন বৰাৰ লেখনিৰ এটা নিজস্ব শৈলী আছে। যিয়ে পাঠক সমাজক সহজতে আকৰ্ষণ কৰিব পাৰে। বৰাৰ গ্ৰন্থখনে পাঠক সমাজৰ মাজত সমাদৰ লাভ কৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বিপুল বৰাই আঁত ধৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়াই ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° ধৰ্ম ৰাম ডেকাই।

# সাহিত্য- সংস্কৃতিয়ে সমাজ প্ৰভাৱিত কৰি আহিছে

## ■ সাহিত্য সভাৰ উদ্যোগত পাঁচখনকৈ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**হাজো, ১৭ জুলাই ঃ** 'সাহিত্য-সংস্কৃতিয়ে সমাজ একোখন প্ৰভাৱিত কৰি আহিছে। সাহিত্য-সংস্কৃতিৰ মাজত একোটা জাতিৰ স্বকীয় পৰিচয় নিহিত থাকে।' এই বক্তব্য অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীৰ। কামৰূপ জিলা সাহিত্য সভাৰ উদ্যোগত বৰন্বে সাহিত্য সভাৰ সহযোগত তীৰ্থনগৰী হাজোৰ বৰন্বে আঞ্চলিক হাইস্কুলত কালি অনুষ্ঠিত এক গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এনেদৰে বক্তব্য ৰাখে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীৰ সঞ্চালনাত অনুষ্ঠিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰভাত বণিয়াই উদ্বোধন কৰা আৰু বৰন্বে সাহিত্য সভাৰ সভাপতি অনিলেন্দ্ৰ মোহন ডেকাই আদৰণি জনোৱা গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি মৃণালিনী দেৱীয়ে পুনৰ কয়, জাতীয়

সাহিত্যই হৈছে জীৱনৰ ধৰণী স্বৰূপ। মানুহৰ মানসিক স্থিতি সবল কৰাত সাহিত্যৰ অনবদ্য বৰঙণি নিহিত থাকে। সেয়ে কবি-সাহিত্যিকসকলে সাহিত্য-সংস্কৃতিৰ

সাহিত্যিক পেঞ্চনৰ বাবে সাহিত্য সৃষ্টি নকৰিবলৈও আহ্বান জনায়। যি সকল সাহিত্যিকে নিজৰ সাহিত্যৰাজি একমাত্ৰ অৰ্থৰ অভাৱত প্ৰকাশ কৰিবলৈ অপাগৰত

সংস্কাৰৰ সকলো দিশ সাহিত্যই যোগাব পাৰে। সাহিত্যই মানুহক সততে জীৱন-জীৱিকাৰ অভিজ্ঞতা প্ৰদান কৰি এক সবল মানসিকতাৰ অধিকাৰী কৰি নিজকে প্ৰস্তুত কৰাত

জাতীয়তাবাদৰ সমন্বয়ৰে সমাজ খনক আগুৱাই নিবলৈ সৃষ্টিশীল কৰ্মত প্ৰবৃত্ত হ'ব লাগিব। কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত মৃণালিনী দেৱীয়ে পুনৰ কয়, কবি-সাহিত্যিকসকলে সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈ সাহিত্য সৃষ্টিত মনোনিবেশ কৰা উচিত। যাৰ জৰিয়তে যুগজয়ী সাহিত্যৰ সৃষ্টি সম্ভৱ হৈ উঠিব পাৰে। এই চেগতে মুখ্য অতিথি দেৱীয়ে একমাত্ৰ বঁটা-বাহনৰ লালসাত সাহিত্য সৃষ্টি নকৰিবলৈ আহ্বান জনায়



প্ৰকাশ কৰে, প্ৰকৃততে তেনে সাহিত্যিকসকলক সাহিত্যিক পেঞ্চনৰ বাবে নিৰ্বাচিত কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে বৰন্বে সাহিত্য সভাৰ মুখপত্ৰ 'লখাইতৰা' উন্মোচন কৰে এমন্ট্ৰনৰ উপ প্ৰবন্ধক তথা সমাজৰত্ন দিনমণি ভাণ্ডাৰ কায়স্থই। 'লখাইতৰা' উন্মোচন কৰি উন্মোচক কায়স্থই কয়, সমাজ

সহায় কৰে। এই সভাতে উদীয়মান লেখক জিতুমণি কলিতাৰ উপন্যাস 'দুৰ্বাহ পৰিণতি' উন্মোচন কৰি অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য তথা সমাজসেৱক ৰাতুল শৰ্মাই কবি-সাহিত্যিকসকলক সৃষ্টিশীল কামত অগ্ৰসৰ হৈ সমাজৰ উত্তৰণৰ হকে সবল ভূমিকা ল'বলৈ আহ্বান জনায়। সভাত নবীন চন্দ্ৰ মেধিৰ কথা দ্বাদশ উন্মোচন কৰে গুৱাহাটী মহাবিদ্যালয়ৰ মুৰব্বী সহযোগী অধ্যাপক ড° দীনেশ কাকতিয়ে, ভাৰত ডেকাৰ 'ভাগৱত অমৃত' উন্মোচন কৰে

কামৰূপ জিলা সাহিত্য সভাৰ উপ- সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰে আৰু প্ৰভাত বণিয়াৰ প্ৰৱন্ধ সংকলন 'সঁফুৰা' উন্মোচন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। মুঠতে সভাত সাহিত্য জগতত বৰঙণি যোগোৱা পাঁচখনকৈ গ্ৰন্থ উন্মোচন কৰি সভা জীপাল কৰি তোলে। এই সভাতে বৰন্বে আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ডালিমী দাস, অৱসৰপ্ৰাপ্ত শিক্ষক বলোৰাম ডেকাকে ধৰি বিভিন্ন ক্ষেত্ৰত বৰঙণি যোগোৱা কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক জিলা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰমেন ভড়ালী, বিশিষ্ট শিশু সাহিত্যিক হাচেম পিয়াৰ, বিশিষ্ট নাট্যকাৰ প্ৰদীপ কলিতা, দমদমা সাহিত্য সভাৰ সভাপতি কনক শৰ্মাকে ধৰি কে'বাগৰাকীও বৰেণ্য সাহিত্য সেৱী অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে বৰন্বে সাহিত্য সভাৰ সম্পাদক হিতেন দাসে।

## ■ চাৰি বছৰে পৰ্যাপ্ত সা-সুবিধা নোহোৱাকৈয়ে চলিছে মৰণোত্তৰ পৰীক্ষা গৃহ

# সমস্যাৰে ভাৰাক্ৰান্ত শিৱসাগৰ অসামৰিক চিকিৎসালয়

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৭ জুলাই ঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে-ৰাজ্যৰ স্বাস্থ্য খণ্ডত আমূল পৰিৱৰ্তন হোৱা বুলি ঢাক-ঢোল বজালেও কাৰ্যক্ষেত্ৰত সেয়া বাস্তৱ ৰূপ পাবলৈ কিমানখিনি সক্ষম হৈছে? কিয়নো স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই সভাই সমিতিয়ে যিমানেই স্বাস্থ্য খণ্ডৰ আমূল পৰিৱৰ্তনৰ কথা নকওক কিয় শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ ভিতৰচ'ৰাৰ উপৰি ইয়াৰ মৰণোত্তৰ পৰীক্ষা গৃহত দীৰ্ঘদিনৰে পৰা পৰ্যাপ্ত সা-সুবিধা নোহোৱাকৈয়ে চিকিৎসা সেৱা চলি থকা কেতবোৰ সমস্যাই বিপৰীত ছবি এখনহে পৰিষ্কাৰ কৰি তুলিছে। উল্লেখ্য যে দুশখনৰো অধিক বিছনাযুক্ত জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়খনৰ দুৰ্বল আন্তঃগাঁথনিৰ বাবে ৰোগীসকলে প্ৰতিদিনেই বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। চিকিৎসালয়খনৰ বিশেষকৈ মৰণোত্তৰ পৰীক্ষা গৃহটো বছৰ বছৰ ধৰি একাধিক সমস্যাৰে ভাৰাক্ৰান্ত হৈ আহিছে। দৈনিক তিনি-চাৰিটাৰো অধিক মৃতদেহ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা উক্ত মৰণোত্তৰ পৰীক্ষা গৃহটোত নাই পৰ্যাপ্ত সা সুবিধা। চাৰিওকাষে হাবি-জংঘলৰ লগতে আৱৰ্জনাযুক্ত লেতেৰা পানীৰে উপচি আছে মৰণোত্তৰ পৰীক্ষা গৃহতো। তদুপৰি প্ৰয়োজনীয় পানীৰ উপৰি উক্ত বিভাগটোত নাই বৈদ্যুতিক পোহৰৰ কোনো ব্যৱস্থা। মৰণোত্তৰ পৰীক্ষা গৃহটোলৈ যোৱা একমাত্ৰ পথটোত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হৈ যাতায়াতৰ একেবাৰে অনুপযোগী হৈ পৰিছে। মৰণোত্তৰ পৰীক্ষাৰ বাবে কঢ়িয়াই অনা মৃতদেহৰ গাড়ীসমূহ কোনো সময়ত মানুহে ঠেলিহে পাৰাপাৰ কৰিব লগা হয়। তাৎপৰ্য্যপূৰ্ণ বিষয় যে যোৱা চাৰি বছৰতকৈও অধিক দিন মৰণোত্তৰ পৰীক্ষা গৃহটোৰ মৰ্গৰ শীতলীকৰণ যন্ত্ৰটো বিকল হৈ পৰি আছে। মৰণোত্তৰ পৰীক্ষাৰ পাছত অচিনাক্ত মৃতদেহসমূহ চিনাক্তকৰণৰ বাবে ৭২ ঘণ্টা সময় মৰ্গত ৰখাৰ নিয়ম যদিও শীতলীকৰণ যন্ত্ৰটো বিকল হৈ থকাৰ বাবে মৃতদেহসমূহ উন্মুক্ত কৰি ৰখাত কম সময়তে গেলি-পচি যোৱাৰ লগতে তাৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধই পৰিৱেশ বিনষ্ট কৰি তুলিছে। ইমানৰ পাছতো কিন্তু চিকিৎসালয়খনৰ কৰ্তৃপক্ষই তেনেবোৰ অভাৱ-অভিযোগৰ ক্ষেত্ৰত নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰি আহিছে। আনহাতে, চিকিৎসালয়খনৰ খোৱাপানী, বিজুলী বাতি অথবা ঘৰ-দুৱাৰসমূহ চোৱা- চিতাৰ বাবে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ আৰু বিদ্যুৎ বিভাগৰ পৰ্যাপ্ত কৰ্মচাৰীও আছে। কিন্তু নানা অজুহাত দেখুৱাই এইসকল কৰ্মচাৰীয়ে নিজৰ কৰ্তব্যত গাফিলতি কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। স্মৰ্তব্য যে সমস্যাৰে ভাৰাক্ৰান্ত চিকিৎসালয়খনৰ আন্তঃগাঁথনি শূন্য পৰিৱেশক লৈ জনসাধাৰণ বাৰুকৈয়ে উদ্বিগ্ন হৈ পৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাতো মনে-প্ৰাণে কামনা কৰিছে।



*বিশ্বনাথত কালি ৰাজপথতে ভস্মীভূত ট্ৰাকখন।*

# চাৰি বছৰৰ ভিতৰত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আহিব নতুনত্ব

## ■ বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ নতুন গৃহৰ আধাৰশিলা সাংসদ গগৈৰ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৭ জুলাই ঃ** 'চাৰি বছৰৰ ভিতৰত অসমৰ সকলো উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ নতুনত্ব আহিব। অসমৰ মুখ্যমন্ত্ৰীয়ে বিদ্যালয়সমূহলৈ নতুনত্ব অনাৰ কাৰণে পৰ্যাপ্ত পুঁজি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে অসম চৰকাৰে বিদ্যালয়সমূহৰ হ'বলগীয়া নতুন গৃহৰ পৰিকল্পনা যুগুতাইছে।' মহাৰজত জয়ন্তী বৰ্ষ পালন কৰা বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে কালি এনেদৰে কয়। অসমৰ ভিতৰতে বাহনাৰ গৰিমা আছে বুলি উল্লেখ কৰি তেওঁ ২০০৫তে প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনৰ উচ্চতৰ শাখাৰ প্ৰাদেশিকীকৰণৰ বিষয়ে বুজ লয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক পুনাৰাম শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা সভাত তিতাবৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতাই ভাষণ দিয়ে। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক হেমেন কুমাৰ শইকীয়াই আঁতধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত দত্ত, ৩১ নম্বৰ মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাপতি বুবুল চন্দ্ৰ দত্ত, আঞ্চলিক সদস্য বিপুল দত্ত প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। বিদ্যালয়ৰ খেল পথাৰৰ উন্নতিৰ কাৰণে সাংসদজনে পঞ্চায়তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

# শিক্ষাৰ মান অৱনমিত বৰমা মহাবিদ্যালয়ৰ

## ■ নাকৰ ফলাফলে দিলে বাৰ্তা

**বৰমা, ১৭ জুলাই ঃ** বৰমাৰে নহয় সমগ্ৰ বিটি আৰৰ উচ্চ শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান বৰমা মহাবিদ্যালয়খনৰ কিছুমান কাম কাজৰ বাবে পুনৰ বিতৰ্কৰ মাজত সোমাই পৰা পৰিলক্ষিত হৈছে। মহাবিদ্যালয়খনৰ শৈক্ষিক মান আজি পৰ্যন্ত আশানুৰূপ হৈ উঠা নাই। বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰি লেখীয়া হোৱাৰ বাবেই যেন পূৰ্বৰ তুলনাত অৱনমিত হ'ল মহাবিদ্যালয়খনৰ গুণ গৰিমা। যোৱা ২৮,২৯ জুনত 'নাক'ৰ জৰিয়তে মহাবিদ্যালয়খন পৰ্যবেক্ষণ হোৱাৰ পাছত 'নাক'ৰ ফলাফলত মহাবিদ্যালয়ৰ মান পূৰ্বতকৈ অৱনমিত হ'ল। পূৰ্বতে বি প্লাছ থকা মহাবিদ্যালয়খনে এইবাৰ কেৱল 'বি' পায়ে সন্তুষ্ট থাকিব লগা হ'ল। এই লৈ বৰমা অঞ্চলৰ বৌদ্ধিক মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেৱল নিজৰ খেয়াল খুচিমতে কাম কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° টিকেন চন্দ্ৰ দাসকে এই ক্ষেত্ৰত জগৰীয়া কৰা পৰিলক্ষিত হৈছে। কিয় মহাবিদ্যালয়ৰ মান আগবঢ়া নাই বুলিও প্ৰশ্ন উত্থাপন কৰিছে সচেতন মহলে। আনফালে, শেহতীয়াকৈ এক বিজ্ঞাপনযোগে কে'বাটাও বিভাগৰ ১২টা পদৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছিল। সেই মৰ্মে ১১টা অধ্যাপক পদৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। কিন্তু কালি পৰ্যন্ত বাছনিভুক্ত প্ৰাৰ্থীৰ তালিকা ৰাজহুৱা কৰা পৰিলক্ষিত হোৱা নাই । কোন বাছনি হৈছে কোন হোৱা নাই সেইবোৰৰ ক্ষেত্ৰত যেন নীৰৱতা অৱলম্বন কৰিছে মহাবিদ্যালয়ৰ অধ্যক্ষই। উল্লেখ্য যে অসমীয়া বিভাগৰ অসংৰক্ষিত পদৰ বাবে হোৱা সাক্ষাৎকাৰ অনুসৰি নক্সন বিটিচিৰ এগৰাকী প্ৰাৰ্থী প্ৰথম স্থানত আছিল বুলি এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। কিন্তু নক্সন বিটিচিৰ প্ৰাৰ্থী বুলি বাতিল কৰাৰ পাছত বিটিচিৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পোৱা জনক বাছনি কৰিব লাগিছিল। দুৰ্ভাগ্যৰ বিষয় যে বিটিচিৰ ভিতৰত প্ৰথম স্থান পোৱাজনক নিদি দ্বিতীয় স্থান পোৱাজনক বাছনি কৰা বুলি এক অসমৰ্থিত সূত্ৰই সদৰী কৰিছে। বিটিচি, ন'ন বিটিচিৰ কথা উল্লেখ কৰি ন'ন বিটিচিৰ যোগ্যজনক বাছনি নকৰিলে। কিন্তু কি ৰহস্যজনক কাৰণত বিটিচিৰ ভিতৰৰ প্ৰথম স্থানত থকাজনক বাছনি নকৰি দ্বিতীয় স্থানত থকাজনক বাছনি কৰিলে সেয়াহে আশ্চৰ্যকৰ বুলি সৰ্বত্ৰে চৰ্চা হৈছে। সাক্ষাৎকাৰক লৈ হেতালি খেলা এনে অন্যায়ৰ বাবে অসমীয়া বিভাগৰ অসংৰক্ষিত পদৰ বাবে আবেদন কৰি শ্ৰেষ্ঠ নম্বৰ পোৱাৰ পাছতো বাছনি নোহোৱা ধনশ্ৰী কলিতাই বাগ্‌সা জিলা উপায়ুক্তৰ ওচৰত অভিযোগ দাখিল কৰিছে। সেই অভিযোগৰ ভিত্তিত বিদ্যালয় সমূহৰ পৰিদৰ্শকক তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে । আনফালে বঞ্চিত দুয়োগৰাকী প্ৰাৰ্থীয়ে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত সাক্ষাৎকাৰ সন্দৰ্ভত বৰমা মহাবিদ্যালয়ত তথ্য বিচাৰি আবেদন জনাইছিল যদিও কেৱল বিশেষজ্ঞ সমিতিৰ নম্বৰৰ তালিকাখন দি বাকী একো তথ্য যোগান নধৰি বিষয়টো মহাবিদ্যালয় পৰিচালনা সমিতিৰ গোপন কথা বুলি উত্তৰ দিয়ে। বিচৰা অনুসৰি, তথ্য দিবলৈ সাহস গোটাব নোৱাৰিলে। বহুতো সপোন, আশা লৈ বৰমাত ১৯৭১ত স্থাপন কৰা মহাবিদ্যালয়খনৰ এনেকুৱা কৰ্ম কাণ্ডৰ বতৰাবোৰে সময়ে সময়ে মহাবিদ্যালয়ৰ গৰিমাত কালিমা সনা বুলি স্থানীয় সচেতন ব্যক্তিয়ে মত প্ৰকাশ কৰিছে। আনহাতে, যোগ্যজনক বঞ্চিত কৰি স্বজন-তোষণ নীতিৰে অধ্যাপক নিযুক্তি দিলে মহাবিদ্যালয়ৰ মান আৰু অধিক নিম্নগামী হ'ব বুলি স্থানীয় সংগঠনবোৰেও মত প্ৰকাশ কৰিছে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিয়ে নিজ খেয়াল খুচি মতে কাম কৰিলে বৰমাবাসী ৰাইজক তাৰ উত্তৰ দিব লাগিব বুলিও প্ৰশ্ন উঠিছে।

# বিধায়কে প্ৰদান কৰা ম'বাইল পাই মুখ্যমন্ত্ৰীলৈ ফোন দিব্যাংগ প্ৰিয়া দাসৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৭ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰীয়ে হোজাই ভ্ৰমণৰ সময়ত বিশেষভাৱে সক্ষম প্ৰিয়া দাসক দিয়া আন এটা প্ৰতিশ্ৰুতি কালি হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে পূৰণ কৰি প্ৰদান কৰা ম'বাইলেৰে কালি মুখ্যমন্ত্ৰীলৈ ফোন কৰে দিব্যাংগ যুৱতীগৰাকীয়ে । মুখ্যমন্ত্ৰীক ফোন কৰি যুৱতীগৰাকীয়ে মুখ্যমন্ত্ৰীয়ে পঠিওৱা এককালীন সাহায্য আৰু ম'বাইল ফোন লাভ কৰা কথা কৈ ধন্যবাদ জনোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ কুশল বাৰ্তা সোধে। উল্লেখ্য যে, যোৱা ১১ জুলাইত হোজাইত বানাক্ৰান্তৰ খবৰ লোৱাৰ বাবে হোজাইত উপস্থিত হৈ বিশেষ ভাৱে সক্ষম এগৰাকী যুৱতীক লগ পাই দিয়া এটা এটা প্ৰতিশ্ৰুতি পালন কৰিছে মুখ্যমন্ত্ৰীয়ে। কালি ফোনত দিব্যাংগ যুৱতীগৰাকীৰ নাম অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে প্ৰিয়া দাসক জনোৱাৰ লগতে অহা মাহৰ পৰা প্ৰতিমাহে এহেজাৰ টকাকৈ লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰিয়া দাসক জনায়। যোৱা ১২ জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এককালীন সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণ কৰাৰ পাছত প্ৰিয়া দাসে মুখ্যমন্ত্ৰীক বিচৰা ম'বাইল ফোনটো মুখ্যমন্ত্ৰীৰ হৈ হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি পূৰণ কৰিছিল । কালি প্ৰিয়াৰ এজন আত্মীয়ৰ চিমেৰে মুখ্যমন্ত্ৰীলৈ ফোন কৰাত মুখ্যমন্ত্ৰীয়ে ম'বাইল পাইছে নে নাই সেই কথাও প্ৰিয়া দাসক প্ৰশ্ন কৰাত বিশেষভাৱে সক্ষম যুৱতীগৰাকীয়ে ম'বাইল পোৱা বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই হোজাইৰ চাৰিটা বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰাৰ সময়ত পুব নভঙাৰ প্ৰিয়া দাস নামৰ প্ৰায় ৩০ বছৰীয়া এগৰাকী বিশেষভাৱে সক্ষম দৰিদ্ৰ যুৱতী এগৰাকীয়ে সাহসেৰে মুখ্যমন্ত্ৰীক লগ কৰি অৰুণোদয় আঁচনি নোপোৱাৰ লগতে তেওঁৰ চৰকাৰী গৃহৰ ধন নোপোৱাৰ কথা কৈ নিজৰ দুখ প্ৰকাশ কৰিছিল। মুখ্যমন্ত্ৰীয়ে তেওঁৰ সমস্ত কথা শুনাৰ পাছত তেওঁক সাহায্য কৰাৰ আশ্বাস দিয়াৰ লগতে তেওঁৰ ফোন নম্বৰ দি ফোন কৰিবলৈ কয়। কিন্তু বিশেষ ভাবে সক্ষম প্ৰিয়াই মুখ্যমন্ত্ৰীলৈ ফোন কৰাৰ বাবে ম'বাইল নথকাত এটা ম'বাইল বিচৰাত মুখ্যমন্ত্ৰীয়ে এটা ম'বাইল দিব বুলি আশ্বাস দিয়াত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে কালি মুখ্যমন্ত্ৰীৰ হৈ যুৱতীগৰাকীৰ বাসগৃহলৈ গৈ এটা ম'বাইল প্ৰদান কৰিছিল আৰু সেই ম'বাইলৰ জৰিয়তে কালি মুখ্যমন্ত্ৰীলৈ ফোন কৰে দিব্যাংগ প্ৰিয়াই ।



ইফালে, মুখ্যমন্ত্ৰী ভ্ৰমণৰ দিনাই তেওঁৰ কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা প্ৰিয়া দাসৰ ২৫ হেজাৰ টকাৰ চেক জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে যোৱা ১২ জুলাইত প্ৰিয়া দাসৰ ঘৰত উপস্থিত হৈ তেওঁক প্ৰদান কৰিছিল আৰু জিলা উপায়ুক্তই অৰুণোদয় আঁচনিত তেওঁৰ নাম অন্তৰ্ভুক্ত কৰি দিয়াৰ আশ্বাস প্ৰদান কৰাৰ লগতে চৰকাৰী গৃহৰ তৃতীয় কিস্তি মুকলি কৰি দিয়াৰ আশ্বাস দিছিল আৰু সেই আশ্বাস মতে, কালি মুখ্যমন্ত্ৰীয়ে প্ৰিয়া দাসৰ নাম অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হোৱা বুলি ফোনত অৱগত কৰে ।

# বৰডুমচাত সদভাৱনাৰ উদ্যোগত ভোৰতাল নৃত্য-যোগাসন কৰ্মশালা আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ১৭ জুলাই ঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচাৰ মিহলিৰিতু জাতীয় বিদ্যালয়ৰ প্ৰাংগণত কালিৰে পৰা ১৫ দিনীয়াকৈ আৰম্ভ হৈছে ভোৰতাল নৃত্য আৰু যোগাসন কৰ্মশালাৰ। সমাজ আৰু সংস্কৃতিৰ বাবে কাম কৰাৰ উদ্দেশ্যে জন্মলাভ কৰা সদ্ভাৱনাৰ উদ্যোগত আৰু মিহলিৰিতু জাতীয় বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত অহা ৩০ জুলাইলৈ আয়োজন কৰিছে এই কৰ্মশালাৰ। সদ্ভাৱনা (সমাজ সংস্কৃতিৰ বাবে এখোজ)ৰ প্ৰধান সচিব উৎপল গোহাইয়ে আঁত ধৰা অনুষ্ঠান সঞ্চালনা কৰে সদ্ভাৱনাৰ সঞ্চালক ৰাণাদ্বীপ দুৱৰাই। অনুষ্ঠানৰ আৰম্ভণীতেই পৰিৱেশ সুৰক্ষা সমিতিৰ সহযোগত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী বৰ্ষজোৰা গছপুলি ৰোপণ, বিতৰণ আৰু সংৰক্ষণ কাৰ্যসূচীৰ অংশস্বৰূপে বিদ্যালয়খনৰ চৌহদৰে গছপুলি ৰোপণ কৰে পৰিৱেশ সুৰক্ষা সমিতি অসমৰ সভাপতি ৰিতুৰাজ বৰুৱাই। অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ সহকাৰী সাধাৰণ সম্পাদক জ্যোতি গোহাঁই, জাতীয় বিদ্যালয় মিহলিৰিতুৰ অধ্যক্ষ অপূৰ্ব মৰাণৰ লগতে মৰাণ ছাত্ৰ সন্থাৰ আন কে'বাগৰাকী বিষয়ববীয়া। কৰ্মশালাৰ প্ৰথম দিনটোতে প্ৰায় ৩০গৰাকীকৈ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

# যোৰহাট পৰ্যবেক্ষণ গৃহত গ্ৰীষ্মকালীন প্ৰশিক্ষণ প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৭ জুলাই ঃ** যোৰহাট জিলা প্ৰশাসন, সমাজ কল্যাণ বিভাগ আৰু বেংক অৱ বৰোডাৰ উদ্যোগত লিচুবাৰীস্থ পৰ্যবেক্ষণ গৃহত থকা কিশোৰসকলৰ বাবে অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন কৰ্মশালাৰ কালি অন্ত পৰে। ১১ জুলাইৰ পৰা আৰম্ভ হোৱা পাঁচদিনীয়া কৰ্মশালাত বহুকেইজন সমল ব্যক্তিয়ে কিশোৰসকলৰ আগ্ৰহ অনুসৰি চিত্ৰকলা, গীত, নৃত্য, মুৰ্গী পালন আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে। এই কিশোৰসকলে পৰ্যবেক্ষণ গৃহৰ পৰা ওলাই নিজে উপাৰ্জনৰ পথ বিচাৰি ল'ব পৰাকৈ সক্ষম কৰি তোলাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে গুৰুত্ব আৰোপ কৰিছে। ১৫ জুলাইৰ প্ৰশিক্ষণৰ অন্তিম দিনা সমাজ কল্যাণ বিভাগৰ অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰে শিশুসকলক এটাকৈ টি-চাৰ্ট আৰু এখন গীটাৰ প্ৰদান কৰি তেওঁলোকৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰে। সামৰণি অনুষ্ঠানত কিশোৰসকলে 'মানুহে মানুহৰ বাবে' গীতটো পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত জিলা প্ৰশাসন, সমাজ কল্যাণ বিভাগ আৰু বেংক অৱ বৰোডাৰ বহুকেইজন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# ডিমৌত কবিতা আবৃত্তি কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৭ জুলাই ঃ** সদৌ অসম কবি সন্মিলনীৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আধাৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সুস্থ কাব্যিক পৰিমণ্ডল গঢ় দিয়াৰ মানসেৰে অহা ২২, ২৩ আৰু ২৪ জুলাইত শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত আৰু ডিমৌ শাখা কবি সন্মিলনৰ সহযোগত কাব্য জিজ্ঞাসা শীৰ্ষক কবিতা আবৃত্তি কৰ্মশালা আৰু দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে সামৰণি অনুষ্ঠানৰ। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰিব ডিমৌ শাখা কবি সন্মিলনৰ সভানেত্ৰী অঞ্জুমণি গগৈয়ে। ইয়াৰ পাছতেই বৃক্ষৰোপণ কৰিব ডিমৌ শাখা কবি সন্মিলনৰ উপদেষ্টা অৰুণ শৰ্মাই আৰু স্মৃতি তৰ্পণ কৰিব শিৱসাগৰ জিলা কবি সন্মিলনৰ উপ-সভাপতি জিতেন নাথে। আনহাতে কবিতা আবৃত্তি কৰ্মশালাৰ উদ্বোধন কৰিব ডিমৌ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বকুল দত্ত আৰু আবৃত্তি ৰত্ন তথা সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি জুলিয়ানা বেগমে। ইয়াৰ পাছতেই কৰ্মশালাৰ প্ৰথম ভাগ অনুষ্ঠিত হ'ব। আনহাতে ২২ জুলাইত হ'ব কৰ্মশালাৰ দ্বিতীয় ভাগ। ইফালে ২৪ জুলাইত হ'ব সামৰণি অনুষ্ঠান। সামৰণি অনুষ্ঠানৰ উদ্বোধন কৰিব সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক উজ্জ্বল পাওগামে। ইয়াৰ পাছতেই উক্ত অনুষ্ঠানতে এখন গ্ৰন্থও উন্মোচন কৰা হ'ব আৰু উন্মোচন কৰিব সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ড° মানিক শইকীয়াই।

# তেজপুৰ কলা-বীথিকাৰ কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৭ জুলাই ঃ** তেজপুৰ কলা-বীথিকা, অসমীয়া ক্লাবৰ উদ্যোগত অহা ১৮ৰ পৰা ২৩ জুলাইলৈ শোণিতপুৰ জিলাৰ উদীয়মান চিত্ৰশিল্পীসকলক লৈ এখন কৰ্মশালা অনুষ্ঠিত হ'ব। ক্লাবটোৰ বালি ৰাম লহকৰ সভাঘৰত ছদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই কৰ্মশালাখনত অভিজ্ঞ শিল্পীৰ দ্বাৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। তেজপুৰ কলা-বীথিকাৰ আহ্বায়ক মৃগেন কলিতাই জনাইছে যে উঠি অহা শিল্পীসকলক শুদ্ধ পথেৰে চিত্ৰকলাৰ ক্ষেত্ৰখনত আগবঢ়াই নিয়াৰ উদ্দেশ্য আগত ৰাখি কৰ্মশালাখনৰ আয়োজন কৰা হৈছে।

# পশ্চিম মেধিপাৰাত ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৭ জুলাই ঃ** ধুবুৰী জিলাৰ সীমান্তৱৰ্তী ফুটকিবাৰীৰ পশ্চিম মেধিপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি কৃষি বিজ্ঞান কেন্দ্ৰ ধুবুৰীৰ উদ্যোগত ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ ৯৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত ধুবুৰী জিলাখনৰ ২০২২ত দ্বিগুন আয় উপাৰ্জন কৰা প্ৰায় কৃষকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকে ধুবুৰী কৃষি বিজ্ঞান মীন বিশেষজ্ঞ অভিজিৎ পাল, শস্য ৰক্ষা তথা কীট পতংগ বিশেষজ্ঞ নৱনীতা নাথ, উদ্যান শস্য বিশেষজ্ঞ ড° নিশিতা পাঠক, শৰৎ চন্দ্ৰ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° বিতেন ৰহমান আৰু জুলফিকাৰ আলী। অনুষ্ঠান সফলভাৱে সম্পন্ন কৰাত সহায় কৰে কৃষি বিজ্ঞান কেন্দ্ৰ ধুবুৰীৰ অশোক গগৈ, ৰিমঝিম শিখা বৰা, কৃষ্ণ বৰা, সন্ধান কুমাৰ দাস আৰু সুধীৰ বৰ্মনে।

# গোলাঘাটৰ বৰজান গাঁৱত দুই কিশোৰীৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৭ জুলাই ঃ** গোলাঘাট জিলাৰ মাটিখোলা পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ বৰজান গাঁৱত কালি দুই কিশোৰীৰ সলিল সমাধি হোৱা ঘটনাই সমগ্ৰ মাটিখোলা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ চিনাতলীৰ শাওতলী নট গৰঙাৰ প্ৰয়াত অনিল ভূঞা আৰু অনু ভূঞাৰ কন্যা ক্ৰমে কুসুম ভূঞা আৰু আৰমিতা ভূঞা নামৰ কিশোৰী দুই ভগ্নী গৰম বন্ধত ফুৰিবলৈ বুলি আহি দুই নম্বৰ বৰজানত থকা বৰদেউতাক লক্ষেশ্বৰ ভূঞাৰ ঘৰৰ পুখুৰীত গা ধুবলৈ যাওঁতে পানীত পৰি মৃত্যু হয়। ঘটনাৰ বিৱৰণী অনুসৰি, শুকুৰবাৰে দিনা দৰিদ্ৰ পৰিয়ালটোৰ ঘৰৰ মানুহবোৰ আনৰ ঘৰত কাম কৰিবলৈ যাওঁতে কিশোৰী দুজনীক ঘৰতে থাকিবলৈ কৈ গৈছিল। পাছত প্ৰায় ১২ মান বজাত কামৰ পৰা ঘূৰি আহি কিশোৰী দুজনীক বিচাৰি নাপায়। তেতিয়াৰে পৰা দুই কিশোৰী নিৰুদ্দেশ হৈ থকাৰ পাছত নিশা প্ৰায় ১২ মান বজাত ঘৰৰ সমীপতে থকা পুখুৰীত উদ্ধাৰ হয় দুই কিশোৰীৰ মৃতদেহ। উল্লেখ্য যে বিদ্যালয়ৰ গৰম বন্ধত প্ৰায় পাঁচ-ছয় দিন মানৰ আগতে দুই কিশোৰী বৰ দেউতাৰ ঘৰত ফুৰিবলৈ আহি মৃত্যুক সাৱটি লোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। আনহাতে, কালিৰ পৰা প্ৰায় সাত-আঠ মাহ মানৰ আগতে এক পথ দুৰ্ঘটনাত কিশোৰী দুগৰাকীৰ পিতৃ অনিল ভূঞাৰ মৃত্যু হৈছিল বুলিও জানিব পৰা গৈছে। কালিৰ ঘটনাস্থলীত জামুগুৰি আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ কুশৰ কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# নাহৰকটীয়াৰ সত্যনাৰায়ণ চাহ বাগিচাত আছাৰ সজাগতা অভিযান



**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৭ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবীত আছাৰ নাহৰকটীয়া আঞ্চলিক সমিতিৰ উদ্যোগত কালি নাহৰকটীয়াৰ সত্যনাৰায়ণ চাহ বাগিচাত 'সজাগতা অভিযান' কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰিৰ সন্দৰ্ভত বাগিচাখনৰ চাহ শ্ৰমিকসকলক সজাগ কৰে। আছা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মিখেল পুৰ্তীয়ে কয় যে দৈনন্দিন জীৱনত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়ত অসমৰ চাহ শ্ৰমিকৰ বৰ্তমানৰ মজুৰি অতি ন্যূনতম। 'সবকা সাথ, সবকা বিকাশ' শ্ল'গান দিয়া বিজেপি চৰকাৰখনে চাহ শ্ৰমিকসকলৰো বিকাশ সাধন কৰিব লাগে। বৰ্তমানৰ ২০৫ টকা মজুৰিত চাহ শ্ৰমিকৰ জীৱন যাপন কৰাটো অতি কষ্টকৰ। সেয়ে বৰ্তমান পৰিস্থিতিৰ সাপেক্ষে চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি হোৱাটো নিতান্তৰ প্ৰয়োজন।

অসম চৰকাৰে পৰৱৰ্তী সময়ত চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি কৰাৰ কানো পদক্ষেপ যদি নলয়, তেন্তে তীব্ৰতৰভাৱে গণতান্ত্ৰিক আন্দোলন গঢ়াৰ হুংকাৰ দিয়ে আছাৰ নেতাজনে। কাৰ্যসূচীত আছা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মিখেল পুৰ্তীৰ উপৰি সাংগঠনিক সম্পাদক নিপেন তন্তবাই, কাৰ্যনিৰ্বাহক সদস্য বিচুল বাৰ্লা, বৰবাম গাঁৱৰ আছাৰ কৰ্মকৰ্তা ৰামেশ্বৰ কেওট, অসম চাহ মজদুৰ সংঘ সত্যনাৰায়ণ চাহ বাগিচাৰ সভাপতি নিৰাজ চৌহানৰ লগতে আছাৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে।

# দৰিদ্ৰৰ ঘৰত জন্ম হোৱাটো অপৰাধ নহয়

## ■ মৰিয়নিত আটছাৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৭ জুলাই ঃ** দৰিদ্ৰতা কেতিয়াও শিক্ষাৰ বাবে হেঙাৰ হ'ব নোৱাৰে । সেইদৰে দৰিদ্ৰৰ ঘৰত জন্ম হোৱাটোও অপৰাধ নহয় । কিন্তু দৰিদ্ৰ হৈ মৃত্যু বৰণ কৰাটো হয়তো অপৰাধ হ'ব পাৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মৰিয়নি শাখাৰ উদ্যোগত কালি ইয়াৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয় ৰাজ্যৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ, অসমৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান তিতাবৰৰ প্ৰাগজ্যোতিকাৰ সঞ্চালক অচ্যুতদ্বীপ শইকীয়াই। তেওঁ ছাত্ৰ ছাত্ৰীসকলক অধ্যয়নৰ ক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰিবলৈ আহ্বান জনাই কয়- ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফলৰ বাবে অধিক পৰিশ্ৰম আৰু সাধনা কৰিব লাগিব। সাধনাৰ অবিহনে সফলতাৰ দিশত আমি এখোজো আগবাঢ়িব নোৱাৰো বুলি তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। আনহাতে, সেই পৰিশ্ৰম আৰু সাধনা বিজ্ঞানসন্মত হ'ব লাগিব বুলিও উল্লেখ কৰি তাৰ বাবে লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰি ল'ব লাগিব বুলিও তেওঁ লগতে মন্তব্য কৰে। বিশিষ্ট শিক্ষাবিদজনে লগতে মাতৃক পূজা আৰু পিতৃক শ্ৰদ্ধা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাই কয়- নিজস্বতা নেহেৰুৱাকৈ তেনে সকলো কাম আমি কৰিব লাগিব । জীৱনটোক ভাল পাব লাগিব, জীৱনক উপযুক্তভাৱে উদযাপন কৰিব পাৰিব লাগিব । তেতিয়াহে সফল জীৱন-যাপন কৰিব পাৰিব বুলিও তেওঁ লগতে উল্লেখ কৰে। ইফালে, প্ৰসংগক্ৰমে তেওঁ নিজ বক্তব্যত উল্লেখ কৰে যে চাহ জনগোষ্ঠীৰ নেতৃত্ব লোৱা বহু লোকে জাতিটোক প্ৰৱঞ্চনা কৰি আহিছে, যাৰ বাবেই বহু ক্ষেত্ৰত পিছ পৰি ৰ'ল তেওঁলোক । কিন্তু দুৰ্নীতিত লিপ্ত হৈ যাতে কোনেও আমাৰ প্ৰাপ্য আমাৰ পৰা কাঢ়ি নিব নোৱাৰে আজিৰ প্ৰজন্মই সেইসমূহ দিশত চোকা নজৰ দিব লাগিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে শিক্ষাবিদজনে । সংকটে বহু সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে বুলিও তেওঁ লগতে উল্লেখ কৰে । আনহাতে, মেধা সম্পন্ন শিক্ষাৰ্থীয়ে বিদেশত গৈ চাকৰিৰ নামত নিজৰ মেধা বিক্ৰী কৰাৰ বিপৰীতে নিজৰ দেশতে তেনে সুবিধাৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আটাইতকৈ বেছি বুলিও উল্লেখ কৰে । আটছাৰ মৰিয়নি শাখাৰ সভাপতি বন্ধন গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, মৰিয়নি জাতীয় বিদ্যাপীঠৰ অধ্যক্ষ, বিশিষ্ট নাট্যকাৰ ৰঞ্জিত গোহাঁইবৰুৱা, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালা, মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোজ কুমাৰ শৰ্মা, সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পৱিত্ৰ প্ৰাণ বৰঠাকুৰ আদিয়ে বক্তব্য প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই কয়, প্ৰতি বছৰে শ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয় । কিন্তু পৰৱৰ্তী সময়ত সেইসকল ছাত্ৰ-ছাত্ৰী ক'লৈ যায়, কি কৰে সেইসমূহ বিষয় বিশ্লেষণ কৰাৰ প্ৰাসংগিকতা আহি পৰিছে । আনহাতে, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মৰিয়নি মহাবিদ্যালয়ত অসম লোক সেৱা আয়োগ আৰু কেন্দ্ৰীয় লোক সেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰয়োজনীয় ক'চিং দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে। আটছাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মংগল গৰাইটে আদৰণি ভাষণ আগবঢ়োৱা আৰু গৌৰ চন্দ্ৰ তাঁতীয়ে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত চাহ জনগোষ্ঠীৰ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, অভিনন্দন পত্ৰ, বেগ, উপহাৰ আদিৰে অভিনন্দন জনোৱা হয়। ইফালে, ডিষ্টিংচন প্ৰাপ্ত কৃতী ছাত্ৰ- ছাত্ৰীক গামোচা, অভিনন্দন পত্ৰ, উপহাৰ আদিৰ লগতে নগদ পাঁচ হেজাৰ টকাকৈ প্ৰদান কৰা হয়। এই অনুষ্ঠানতে আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দ্বীপ দত্তক আটছাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

**মৰিগাঁও উপায়ুক্তই প্ৰেৰণ কৰা তদন্তকাৰী বিষয়াই চিকিৎসক ফাৰ্মাচিষ্ট কাকো নাপালে চিকিৎসালয়ত**

# নিজগেৰুৱা ৰাজ্যিক চিকিৎসালয়ত কৰ্তব্যত গাফিলতি

### প্ৰতিদিনে তিনি ঘণ্টা কৰ্তব্য পালন কৰি দায়িত্ব সামৰে চিকিৎসকে

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১৭ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট চিকিৎসা খণ্ডৰ অন্তৰ্গত নিজ গেৰুৱা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক-ফাৰ্মাচিষ্টে মাত্ৰ চিকিৎসালয়ত তিনি ঘণ্টা কৰ্তব্য পালন কৰি প্ৰতিদিনেই অঞ্চলবাসীক চিকিৎসা সেৱাৰ পৰা বঞ্চিত কৰি আহিছে। চিকিৎসালয়খনত প্ৰতিদিনে পুৱা ন বজাৰ পৰা শাৰী পাতি ৰোগীয়ে ১০ বজালৈকে চিকিৎসকৰ বাবে অপেক্ষা কৰিব লাগে। ফলত একাংশ ৰোগীয়ে নিজগেৰুৱা চিকিৎসালয় বাদ দি সাধাৰণ ৰোগৰ বাবেও মৰিগাঁৱলৈ যাব লগা হয়। যোৱা বাৰিষাৰ সময়তো চিকিৎসালয়খনৰ চিকিৎসক ডাঃ প্ৰাণ জ্যোতি হাজৰিকাই প্ৰতিদিনে পুৱা ১০ বাজি যোৱাৰ পাছতহে চিকিৎসালয়ত উপস্থিত হোৱা ঘটনাই অঞ্চলবাসীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। বৰ্তমান সময়তো অঞ্চলটোৰ যথেষ্ট লোক ভাইৰেল ফিভাৰ আদিত ভুগি পুৱা ভাগতে এনকেফেলাইটিছৰ আতংকত চিকিৎসালয়লৈ ঢাপলি মেলে যদিও ১০ বজালৈ বোন্দাপৰ দিব লাগে চিকিৎসকলৈ। আনহাতে, পুৱা ভাগত চিকিৎসালয়লৈ অহা একাংশ ৰোগীয়ে চিকিৎসালয়ত সময়ত চিকিৎসকক নাপাই ফাৰ্মাচী বা গাঁৱলীয়া ডাক্তৰৰ চিকাৰ হ'ব লগা হয়। চিকিৎসালয়খনত চিকিৎসক থকাৰ সুব্যৱস্থা থকাৰ পাছতো চিকিৎসকজনে মৰিগাঁৱৰ পৰা অহা যোৱাৰ অচিলা লৈ পুৱা ১০ বাজি যোৱাৰ পাছতহে চিকিৎসালয় পায়হি। চিকিৎসকৰ পদাংকন অনুকৰণ কৰি ফাৰ্মাচিষ্ট আবুল বাছাও চিকিৎসালয় পায়হি ১০ বজাত। ইফালে, ১০ বজাত চিকিৎসালয়ত উপস্থিত হৈ দুপৰীয়া এক বজাতে চিকিৎসালয় এৰি গুচি যায় ১৩ পৃষ্ঠাত চাওক



হাজোত বানপীড়িত অঞ্চলত স্বেচ্ছাসেৱী সংগঠনৰ বান সাহায্য, দেওবাৰে।

## সেৱাব্ৰত বৰুৱাৰ জন্মদিন-প্ৰাক্তন শিক্ষামন্ত্ৰী প্ৰেমধৰ বৰাৰ আশু আৰোগ্য কামনাৰে বন্তি প্ৰজ্বলন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৭ জুলাই ঃ** বিশিষ্ট নাট্যকাৰ পৰিচালক তথা সু-অভিনেতা প্ৰয়াত সেৱাব্ৰত বৰুৱাৰ জন্মদিন উপলক্ষে কালি সন্ধিয়া বিহপুৰীয়া নগৰত বন্তি প্ৰজ্বলন কৰা হয়। বিহপুৰীয়া সন্মিলিত নাট্য সমাজৰ সম্পাক দুলাল শৰ্মাই আঁতধৰা অনুষ্ঠানত নাট্য সমাজৰ উপ-সভাপতি চন্দ্ৰ নেওগে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভ কৰে। উল্লেখ্য যে বৰুৱাই মৃত্যুৰ পূৰ্বে তেওঁৰ মৃত্যুৰ পাছত কোনোধৰণৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অথবা স্মৃতিচাৰণ সভা অনুষ্ঠিত নকৰিবৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিততে অনুষ্টুপীয়াকৈহে প্ৰয়াত নাট্যকাৰজনৰ জন্মদিন উদ্‌যাপন কৰে বিহপুৰীয়াবাসীয়ে। সেইদৰে ডিব্ৰুগড়ৰ আস্থা হাস্পতালত বিগত ১২ দিনে চিকিৎসাধীন হৈ থকা প্ৰবীণ ৰাজনীতিবীদ তথা প্ৰাক্তন শিক্ষামন্ত্ৰী প্ৰেমধৰ বৰাৰ আশু আৰোগ্য কামনাৰেও বন্তি প্ৰজ্বলন কৰা হয়। বিহপুৰীয়া শাখা সাহিত্য সভাৰ সম্পাদক প্ৰবীণ হাজৰিকাই আঁতধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভ কৰে বিহপুৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাজেন্দ্ৰ নাথ সভাপণ্ডিতে। বিহপুৰীয়া সন্মিলিত নাট্য সমাজ আৰু বিহপুৰীয়া শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত নগৰৰ যোগেশ্বৰ বৰুৱা স্মৃতি ভৱনৰ সন্মুখত পৃথকে পৃথকে অনুষ্ঠিত কৰা বন্তি প্ৰজ্বলন কাৰ্যসূচীত বিহপুৰীয়া লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সত্যজিৎ বৰা প্ৰমুখ্যে বহুসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## এছএছবিৰ উদ্যোগত কচুগাঁৱৰ সমীপৰ ৰামপুৰ গাঁৱত বিনামূলীয়া মানৱ-পশু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ১৭ জুলাই ঃ** সশস্ত্ৰ সীমা বল চমুকৈ এছএছবিৰ গোসাঁইগাঁৱৰ মাটিয়াজুৰী স্থিত ৩১ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ৰ উদ্যোগত কালি গোসাঁইগাঁও মহকুমাৰ কচুগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰামপুৰ গাঁৱত এটি বিনামূলীয়া মানৱ তথা পশু চিকিৎসা শিবিৰৰ লগতে গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন হৈ যায়। মহকুমাটোৰ কচুগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত চাওতাল জনগোষ্ঠী অধ্যুষিত অতি পিছপৰা অঞ্চলটোত আজি আগবেলাৰ ভাগত অনুষ্ঠিত হোৱা উক্ত চিকিৎসা শিবিৰত বেটেলিয়নটোৰ কমাণ্ডেণ্ট চিৰঞ্জীৱ ভট্টাচাৰ্য, মুখ্য চিকিৎসা বিষয়া ডাঃ টি টি হাটজো, কচুগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ নবীন জ্যোতি শৰ্মা, বঙাইগাঁওস্থিত এছএছবিৰ মুখ্য কাৰ্যালয়ৰ পশু চিকিৎসা বিভাগৰ ১৩ পৃষ্ঠাত চাওক

## মানকাচৰত অগপৰ কৃষক সংযোগ সভা

**মানকাচৰ, ১৭ জুলাই ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলা অগপই 'পথাৰ আমাৰ কৃষক আমাৰ' শ্ল'গানেৰে দলৰ ভেটি সুদৃঢ় কৰাৰ লক্ষ্যৰে কালি মানকাচৰ এ এ লতিফ গাৰ্লচ হায়াৰ ছেকেণ্ডেৰী স্কুল প্ৰেক্ষাগৃহত কৃষক সংযোগী সভা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলা অসম গণ পৰিষদৰ বিধান পৰিষদৰ সভাপতি আমিনুল ইছলাম (নাণ্টু)ৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ অধ্যক্ষ জাবেদ ইছলাম, কৃষক পৰিষদৰ সভাপতি পৰেশ চন্দ্ৰ বৈশ্য, উপ-সভাপতি ফাইজুৰ ৰহমান, অসম কৃষক পৰিষদৰ সাংগঠনিক সম্পাদক আজিবৰ ৰহমান প্ৰমুখ্যে উপস্থিত থকাৰ উপৰি জিলাখনৰ একাংশ বিশিষ্ট ব্যক্তি কৃষক সভাখনত অংশগ্ৰহণ কৰে। সভাত জিলাখনৰ সক্ৰিয় আৰু তৃণমূল পৰ্যায়ৰ অগপৰ নেতা-কৰ্মীয়ে দলৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে কৃষক ৰাইজে কৃষিক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু ইয়াৰ প্ৰতিকাৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। কৃষকৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি গুৰুত্ব আৰোপ কৰি সভাখনত ১৩ পৃষ্ঠাত চাওক

## পুৰণিগুদামৰ ড° বিকেবি কলেজক ধপাতমুক্ত শিক্ষা প্ৰতিষ্ঠান ঘোষণা

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১৭ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু ৰাষ্ট্ৰীয় সুৰক্ষা বলৰ উদ্যোগত আৰু নগাঁও জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ সহযোগত যোৱা ১৪ জুলাইত মহাবিদ্যালয়ক ধপাত সেৱন আৰু ক্ষতিকাৰক আৰু নিয়ন্ত্ৰণ সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে নগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্ত, ড° ৰঞ্জন কুমাৰ গোস্বামী আৰু জিলা নডেল বিষয়া ড° ভূপেন চন্দ্ৰ বৰাই। মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰীসকলকে ধৰি শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ধপাতজাতীয় সামগ্ৰী প্ৰয়োগ সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হয়। উক্ত সভাতে নগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালকগৰাকীয়ে মহাবিদ্যালয়খনত ধপাতমুক্ত শিক্ষা প্ৰতিষ্ঠান হিচাপে ঘোষণা কৰে। সভাৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় এনএছএছ প্ৰগ্ৰেম অফিচাৰ ড° আছাদউজ জামানে।

## মুখ্যমন্ত্ৰীৰ শূন্য সহনশীলতা নীতি উলংঘন ৰহা উন্নয়ন খণ্ডত

**সামগ্ৰী যোগানৰ নামত কোটি টকা লুণ্ঠনৰ অভিযোগ আঞ্চলিক সভাপতিৰ ঃ সংবাদমেলযোগে বিস্ফোৰক অভিযোগ**

অগ্ৰদূত বাৰ্তা

**ৰহা, ১৭ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ শূন্য সহনশীলতা নীতি উলংঘনৰ অভিযোগ ৰহা উন্নয়ন খণ্ডৰ বিৰুদ্ধে। বিগত তিনি বছৰে সামগ্ৰী যোগানৰ নামত উন্নয়ন খণ্ডটোত প্ৰায় ডেৰ কোটি টকাৰ লুণ্ঠনৰ অভিযোগ উত্থাপন কৰিলে স্বয়ং ৰহা আঞ্চলিক পঞ্চায়তৰ সভাপতি যতীন শইকীয়াই। উল্লেখ্য যে ৰহা আঞ্চলিক পঞ্চায়তৰ সভাপতি যতীন শইকীয়াৰ বিৰুদ্ধে ক্ষমতাৰ অপপ্ৰয়োগ, পুঁজি ব্যৱহাৰত অনিয়ম, আঞ্চলিক সদস্যসকলক পুঁজি আবন্টনত খেলিমেলি ইত্যাদি বিভিন্ন অভিযোগ উত্থাপনেৰে যোৱা চাৰি জুলাইত সভাপতি যতীন শইকীয়াৰ বিৰুদ্ধে ১৪ জনকৈ আঞ্চলিক সদস্যই অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছিল। পৰৱৰ্তী সময়ত কালি অনুষ্ঠিত হোৱা আঞ্চলিক পঞ্চায়তৰ সভাত ১৫ জনকৈ আঞ্চলিক সদস্যই উক্ত অনাস্থা প্ৰস্তাৱত পুনৰ সমৰ্থন জনোৱাত যতীন শইকীয়া সভাপতিৰ আসনৰ পৰা অপসাৰণ হোৱাটো নিশ্চিত হৈ পৰে। কিন্তু সভাপতিজনৰ বিৰুদ্ধে এনেদৰে উত্থাপিত অনাস্থা প্ৰস্তাৱৰ সন্দৰ্ভত আজি এক সংবাদমেল আয়োজন কৰি ই এক ৰাজনৈতিক কু-অভিসন্ধি বুলি মন্তব্য কৰে যতীন শইকীয়াই। ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলখনত সভাপতিজনে তেওঁৰ বিৰুদ্ধে উত্থাপিত অনাস্থা প্ৰস্তাৱ তথা অভিযোগৰ সন্দৰ্ভত বিজেপি দলৰে একাংশ নেতা-কৰ্মীৰ ১৩ পৃষ্ঠাত চাওক

## গুণমুগ্ধক কন্দুৱাই তৰাৰ দেশলৈ মানৱদৰদী চিকিৎসক ডাঃ বিপুল হাতীকাকতি



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১৭ জুলাই ঃ** ৮০ ৰ দশকৰ পৰাই নাজিৰাবাসীৰ বাবে এটা চিনাকি নাম আছিল ডাঃ বিপুল হাতীকাকতি। দৰিদ্ৰ তথা আৰ্তজনৰ বাবে দেৱদূত সদৃশ হৈ পৰা নাজিৰাৰ মানৱদৰদী চিকিৎসক ডাঃ হাতীকাকতিৰ যোৱা নিশা চেন্নাইৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে দেহাৱসান ঘটাৰ বাতৰি বিয়পি পৰাৰ লগে লগেই নাজিৰাৰ স্বাভাৱিক জনজীৱন স্তব্ধ হৈ পৰে। ১৯৭৮তে চিকিৎসা সেৱাৰ শিক্ষা সাং কৰি নাজিৰা নগৰত ব্যক্তিগত চেম্বাৰত চিকিৎসা সেৱা আৰম্ভ কৰি বিগত ৪৪ বছৰে নাজিৰাবাসী প্ৰতিজন নাগৰিকৰ বাবে এক চিনাকি নাম হৈ পৰা মানৱদৰদী চিকিৎসকজনৰ নাজিৰাবাসীৰ ওচৰত আছিল এক সুকীয়া পৰিচয়। ৪৪ বছৰীয়া কৰ্মজীৱনত কোনোদিনে চিকিৎসাৰ বাবে ১৩ পৃষ্ঠাত চাওক

## ৰৌতাত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন



অগ্ৰদূত বাৰ্তা

**টংলা, ১৭ জুলাই ঃ** ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা দিৱস কালি ওদালগুৰি জিলাৰ দেউৰী গাঁৱত পালন কৰা হয়। ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত দেউৰীগাঁও প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বৈজ্ঞানিক ড° দেবাশীষ বৰা, বিশেষজ্ঞ ড° প্ৰদীপ ৰাজবংশী, ভাস্কৰ বৰুৱা, ইস্পিতা ওজা, ৰৌতাৰ পশু চিকিৎসা বিষয়া ডাঃ কমল গগৈৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি উপাৰ্জন দুগুণ কৰিব সক্ষম হোৱা গাঁওখনৰ কৃষকসকলৰ স'তে মন বিনিময় কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি তথা পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানৰ মাজতে উপাৰ্জন দুগুণ কৰিব সক্ষম হোৱা দেউৰী গাঁৱৰ কৃষকসকলক ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা দিৱসৰ মূল্য কাৰ্যসূচীৰ স'তে ৱেব কাষ্টযোগে সংযুক্ত কৰা হয়।

**প্ৰশাসনৰ হস্তক্ষেপ বিচাৰি উপায়ুক্তক নাগৰিক সমাজৰ স্মাৰকপত্ৰ**

## মৰাণত পথ-নৰ্দমা নিৰ্মাণত অনিময়মৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৭ জুলাই ঃ** অইল ইণ্ডিয়া লিমিটেডৰ প্ৰায় আঠ কোটি টকা অৰ্থ সাহায্যত সম্প্ৰতি মৰাণ-বনমালি-সোণাৰি পথৰ মৰাণ নগৰৰ ৩৭ নম্বৰ ঘাইপথৰ পৰা পেটুৱা জানলৈ পথছোৱাৰ লগতে পথৰ দুয়োকাষে চলি থকা নৰ্দমাৰ নিৰ্মাণ কাৰ্যত ব্যাপক অনিয়ম সংঘটিত হৈছে বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মৰাণ নাগৰিক সমাজে। আজি নাগৰিক সমাজৰ এটি সঁজাতী দলে মাহমৰাৰ চক্ৰ বিষয়াক সাক্ষাৎ কৰি চৰাইদেউৰ উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সভাপতি ড° গিৰিণ ফুকন আৰু সম্পাদক ড° যতীন চুতীয়াৰ নেতৃত্বত যোৱা নাগৰিক সমাজৰ সঁজাতী দলটোৱে পথ আৰু নৰ্দমাৰ নিৰ্মাণ কাৰ্যত বিভাগীয় ঠিকাদাৰে গাফিলতি কৰাৰ লগতে কামৰ গতি চূড়ান্তভাৱে লেহেমীয়া হোৱা আৰু নিম্নমানৰে সম্পাদন কৰা বুলি অভিযোগ তোলে। লগতে উচিত তদন্তৰ জৰিয়তে বিভাগে প্ৰস্তুত কৰা প্ৰাক্কলন মতে পথ আৰু নৰ্দমা নিৰ্মাণ কাৰ্য সম্পন্ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰে সমাজে। মাহমৰাৰ চক্ৰ বিষয়া ইন্দিকা গগৈয়ে নাগৰিক সমাজৰ স্মাৰকপত্ৰ গ্ৰহণ কৰি বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰে। লগতে অহা ১৮ জুলাইত মাহমৰাৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত বিভাগীয় বিষয়া, অভিযন্তা আৰু ঠিকাদাৰৰ উপস্থিতিত প্ৰশাসনৰ স'তে নাগৰিক সমাজৰ এখন বৈঠক আহ্বান কৰি বিষয়টো নিষ্পত্তি কৰা হ'ব বুলি সজাতি দলটোক অৱগত কৰে। ইফালে, বিগত সময়ছোৱাত বিভাগীয় কতৃৰ্পক্ষ, স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী যোগেন মহন আৰু প্ৰশাসনক পথ নিৰ্মাণত সংঘটিত অনিয়ম সম্পৰ্কত অৱগত কৰাৰ পাছতো কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত নাগৰিক সমাজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। কিয়নো নিৰ্মাণ কাৰ্য অতি লেহেমীয়া হোৱাত বিগত কে'বামাহো ধৰি উক্ত পথছোৱাইদি অহা-যোৱা কৰা পথচাৰী আৰু নগৰখনৰ নাগৰিকসকলে জীয়াতু ভুগিবলগীয়া হৈছে। বিসংগতিপূৰ্ণভাৱে নিৰ্মাণ কাৰ্য চলোৱাত নগৰৰ লেতেৰা পানী ওলাই যোৱাৰ বিপৰীতে নৰ্দমাত জমা হৈ থকাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে বুলিও অভিযোগ তোলে নাগৰিক সমাজে।

## কৃষকসকললৈ যোৰহাট জিলা কৃষি বিভাগৰ আহ্বান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৭ জুলাই ঃ** যোৰহাট জিলা কৃষি বিভাগে জিলাখনৰ পিএম কিষাণ আঁচনিৰ অধীনত ধনৰাশি লাভ কৰা যিসকল কৃষক বৰ্তমানেও আধাৰ সংযোগ আৰু ই কে ৱাই চি কৰা নাই তেওঁলোকক অহা ৩১ জুলাইৰ ভিতৰত স্থানীয় সমূহীয়া সেৱা কেন্দ্ৰ, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অথবা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অৱস্থিত ৰাজহুৱা সেৱা কেন্দ্ৰলৈ গৈ আধাৰ সংযোগ আৰু ই কে ৱাই চি কৰিবলৈ আহ্বান জনাইছে। আধাৰ সংযোগ আৰু ই কে ৱাই চি নকৰা কৃষকসকলে বৰ্তমানে লাভ কৰি থকা ধনৰাশি পোৱাৰ পৰা বঞ্চিত হ'ব। আনহাতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শালিধান আৰু মাটিমাহ শস্যৰ বীমা কৰিবৰ বাবে জিলা কৃষি বিভাগে অনুৰোধ জনাইছে। উল্লেখ্য যে কৃষকসকলে এক হেক্টৰ অৰ্থাৎ সাত, পাঁচ বিঘা মাটিৰ বীমাৰ বাবে মাত্ৰ এশ টকা প্ৰিমিয়াম দিব লাগে। শালিধানৰ বীমা কৰাৰ অন্তিম তাৰিখ হৈছে ৩১ জুলাই। শস্য বীমাৰ বাবে কৃষকে মাটিৰ প্ৰমাণ পত্ৰ, আধাৰ কাৰ্ড আৰু বেংকৰ পাছবুক লৈ স্থানীয় চি এছ চি কেন্দ্ৰত হৈ এই বীমাকৰণ কৰাৰ পাৰিব। বীমা সম্পৰ্কীয় তথ্যৰ বাবে সৰিশেষ জানিবলৈ স্থানীয় কৃষি উন্নয়ন বিষয়া, গাঁও পঞ্চায়তৰ বিষয়ববীয়াসকল অথবা বীমা কোম্পানীৰ লগত যোগাযোগ কৰিবলৈ যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱাই অনুৰোধ জনাইছে।

## নেইষ্টত বিশ্ব যুৱ দক্ষতা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১৭ জুলাই ঃ** ২০১৪ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৫ জুলাইত বিশ্ব যুৱ দক্ষতা দিৱস হিচাপে ঘোষণা কৰিছিল যাতে যুৱকসকলক দক্ষতাৰে সজ্জিত কৰাত গুৰুত্ব প্ৰদান কৰা হয় আৰু তেওঁলোকে বিভিন্ন ক্ষেত্ৰত সংস্থাপন অথবা উদ্যোগিক ক্ষেত্ৰত পাৰদৰ্শিতাৰে অগ্ৰসৰ হোৱাত সফল হ'ব পাৰে । চি এছ আই আৰ উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান নেইষ্ট যোৰহাটে যাক বিভিন্ন দিশত আমাৰ দেশৰ যুৱ প্ৰজন্মক গঢ় দিয়াত মেৰুদণ্ড হিচাপে জনা যায় । এই দিনটো ১১ খন বিভিন্ন বিদ্যালয়ৰ প্ৰায় ২০০ জন শিক্ষাৰ্থীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ স'তে যুৱ প্ৰজন্মৰ মাজত জীৱন, কৰ্ম আৰু উদ্যোগৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু দক্ষতাৰ গুৰুত্ব গঢ়ি তোলাৰ ওপৰত একত্ৰিত প্ৰচেষ্টা আৰু মনোযোগ আকৰ্ষণ কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত কৰে । উল্লেখ্য যে অটল উদ্ভাৱন মিছন আৰু আৰু চি এছ আই আৰ নেইষ্টে জিজ্ঞাসা: ছাত্ৰ-ছাত্ৰী আৰু বিজ্ঞানীৰ বাৰ্তালাপ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত ফিটনেছ বুষ্ট কেম্প অনুষ্ঠিত

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৭ জুলাই ঃ** তেজপুৰ তথা ৰাজ্যৰ লৌহক্ৰীড়াৰ ক্ষেত্ৰত ঐকান্তিক প্ৰচেষ্টাৰে যথেষ্ট অৱদান আগবঢ়াবলৈ সক্ষম হোৱা তেজপুৰ নপামৰ এছএমবি ব্যায়ামগাৰে কালি এক ফিটনেছ বুষ্ট কেম্প অনুষ্ঠিত কৰে। পুৱা ছয় বজাৰ পৰাই পৰমাইঘূলিস্থিত তেজৰ্ট ৰিজ'ৰ্টত ব্যায়ামগাৰৰ সদস্যসকলে 'মেক ফিটনেছ ইয়ৰ হেবিট' শীৰ্ষক বাণীৰে এই বুষ্ট কেম্পৰ তাৎপৰ্য ব্যাখ্যা কৰে এছএমবি ব্যায়ামগাৰৰ মুখ্য প্ৰশিক্ষক তথা যুৱ ক্ৰীড়া সংগঠক মুজাহিদ ৰজাই। উল্লেখ্য যে এই কেম্পত তেজপুৰৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৮০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় পাঞ্জা বিচাৰক তথা



অসম বডী বিলডাৰচ এণ্ড ফিটনেছ এছ'চিয়েচনৰ কাৰ্যকৰী সভাপতি পংকজ বৰা, বিশিষ্ট ক্ৰীড়া সংগঠক শ্বেইখ ছাহাবুদ্দিন, পূব শোণিতপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জামাল উদ্দিন আহমেদ, বিশিষ্ট লেখক চিৰাজ খান, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অমিয় কুমাৰ দাস, ক্ৰীড়া সাংবাদিক প্ৰাণজিৎ বৰুৱাকে ধৰি ভালে সংখ্যক গণ্য মান্য ব্যক্তিয়ে এই ফিটনেছ কেম্পত অংশগ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে শোণিতপুৰত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই ফিটনেছ বুষ্ট কেম্পত আন্তঃৰাষ্ট্ৰীয় কাৰাটে খেলুৱৈ তথা ৰাষ্ট্ৰীয় খেলুৱৈ আৰু এনআইএছ প্ৰশিক্ষক শংকৰ ছেত্ৰী আৰু প্ৰশিক্ষক তথা বাংগালুৰুস্থিত 'বিল্ট টো লাষ্ট ফিটনেছ' ১৩ পৃষ্ঠাত চাওক

## দুলীয়াজানত বৰগীত কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ১৭ জুলাই ঃ** তৈলনগৰী দুলীয়াজানৰ কুমুদ নগৰ সাৰ্বজনীন নামঘৰৰ প্ৰাংগণত ঝংকাৰ শিশু বিকাশ কেন্দ্ৰৰ উদ্যোগত আৰু কুমুদ নগৰ ৰাইজৰ সহযোগত যোৱা পাঁচৰ পৰা ১৫ জুলাইলৈকে১০ দিনীয়া কাৰ্যসূচীৰে বৰগীতৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে অনাতাঁৰ কেন্দ্ৰৰ শিল্পী মুনিন দোলাকাষৰীয়াই অংশগ্ৰহণ কৰিছিল। সামৰণি অনুষ্ঠানত বৰগীত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ মানপত্ৰ আৰু গছপুলি প্ৰদান কৰে উদ্যোক্তাসকলে। সামৰণি অনুষ্ঠানত বিশিষ্ট প্ৰকৃতিপ্ৰেমী ড° নবীন বৰুৱা, সাংস্কৃতিক কৰ্মী পৰী দাস, অৰূপ বৰা, দুলীয়াজান প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক দিগন্ত শইকীয়া, কুমুদ নগৰ সাৰ্বজনীন নামঘৰৰ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক প্ৰমুখ্য কৰি সেৱক-সেৱকীসকল উপস্থিত আছিল। ইয়াৰ লগতে ২০২০, ২০২১ আৰু ২০২২ত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কে'বাগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

## ফুটকিবাৰীত মাছ ধৰা অভিযানৰ সভা



অগ্ৰদূত বাৰ্তা

**দোতমা, ১৭ জুলাই ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ ধুবুৰী মীন বিভাগৰ উদ্যোগত ফুটকিবাৰীৰ পশ্চিম মেধিপাৰা প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে মাছ ধৰা অভিযানৰ অন্তৰ্গত এখন সভা আয়োজন কৰা হয়। অনুষ্ঠানত মীন পালন কৰি কিদৰে সমৃদ্ধি লাভ কৰিব পাৰি, মীন পালন ক্ষেত্ৰত কি কি লাভালাভ হয় সেই সম্পৰ্কে আলোচনা কৰা হয়। অনুষ্ঠান পৰিচালনা কৰে কৃষি বিজ্ঞান কেন্দ্ৰ ধুবুৰীৰ মীন বিশেষজ্ঞ অভিজিৎ পালে। অনুষ্ঠানত উপস্থিত থাকে শস্য ৰক্ষা তথা কীট পতংগ বিশেষজ্ঞ নৱনীতা নাথ, উদ্যান শস্য বিশেষজ্ঞ ড° নিশিতা পাঠক, শৰৎ চন্দ্ৰ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° বিতেন ৰহমান। অনুষ্ঠানত প্ৰায় এশ গৰাকী কৃষকে অংশগ্ৰহণ কৰে।

## গ্ৰীষ্ম বন্ধত ঘগ্ৰাপাৰৰ গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ঘৰে ঘৰে পাঠদান

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৭ জুলাই ঃ** যি সময়ত গ্ৰীষ্ম বন্ধৰ অচিলা লৈ এচাম শিক্ষকে মনোৰঞ্জনৰ বাবে ঠাই বিশেষে ঘূৰি ফুৰিছে সেই একে সময়তে এজন প্ৰধান শিক্ষকে গ্ৰীষ্ম বন্ধৰ মাহটোত ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটিৰ প্ৰতি লক্ষ্য ৰাখি ঘৰে ঘৰে গৈ পাঠদান প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। বিদ্যালয়খন হ'ল নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত গলিয়া প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা জিলা কৃতী ১৩ পৃষ্ঠাত চাওক

**নলবাৰী জিলা উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী আছুৰ**

## বছৰ বছৰ ধৰি পঞ্চায়তৰ আওঁতাত নপৰে গ্ৰাম্য পথ পূব বনভাগ পঞ্চায়তৰ একাংশ পথ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৭ জুলাই ঃ** নলবাৰী জিলাৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত পূব-বনভাগ বৰাজোল গাঁও পঞ্চায়তৰ একাধিক পথ বিধ্বস্ত হৈ থকাৰ সমান্তৰালভাৱে পঞ্চয়তখনৰ সঠামৌ গাঁৱৰ একাংশ বাট-পথ, দলং, কালভাৰ্টৰ জৰাজীৰ্ণ ৰূপে অঞ্চলৰ ৰাইজক যমৰ-যাতনা ভোগাই আহিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে গাঁৱৰ অতি প্ৰয়োজনীয় একমাত্ৰ পথ ঘগ্ৰাপাৰ-তামুলপুৰ গড়কাপ্টানী সংযোগী সঠামৌ গাঁও সংযোগী পথ। এই পথছোৱা বছৰ বছৰ ধৰি পঞ্চায়তৰ আওতাত নপৰাত কণ কণ ছাত্ৰ-ছাত্ৰী, পথচাৰীৰ লগতে কৃষক, ৰোগী যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভোগ কৰিব লগাত পৰিছে বুলি অভিযোগ উঠিছ। প্ৰাপ্ত অভিযোগ মতে, এই পথছোৱাৰ পোনাৰকাউনী চ'কৰ পৰা সঠামৌ বড়ো চুবুৰি হৈ সঠামৌ কৃষি ফাৰ্ম সংযোগী আৰু সঠামৌ মধ্য ইংৰাজী বিদ্যালয় সংযোগী হৈ শিৱ মন্দিৰ সংযোগ পথছোৱা জৰাজীৰ্ণ হৈ পৰা লগতে এই পথ দুটাৰ ১৩ পৃষ্ঠাত চাওক



## মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ ১৮ সংখ্যক অধিবেশন বঙাইগাঁৱত

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও ১৭ জুলাই ঃ** সদৌ অসম মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সংস্থাৰ ১৮ সংখ্যক বঙাইগাঁও দ্বি-বাৰ্ষিক অধিবেশন অহা ২৬ আৰু ২৭ নৱেম্বৰ ২০২২ত বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। কালি বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত দ্বি-বাৰ্ষিক অধিবেশনখন সুচাৰুভাৱে পৰিচালনা কৰাৰ বাবে অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে সাধৰণ সভা বঙাইগাঁও জিলা সমিতিয়ে অনুষ্ঠিত কৰে। সভাত উপস্থিত থাকে বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী, সদৌ অসম আমোলা সংস্থাৰ সাধাৰণ সম্পাদক সত্য নাৰায়ণ ৰায়, ৰাজ্যিক সংস্থাৰ সভাপতি হৰিশ শইকীয়া, সম্পাদক যতীন শইকীয়া, প্ৰাক্তন সম্পাদক কুশল ডেকা, সহকাৰী সম্পাদক ভবেশ নাথ, হিচাপ পৰীক্ষক প্ৰসাদ দাস, ৰাজ্যিক সদস্য লাচিত হাজৰিকা, মৰিগাঁও জিলা শাখাৰ সম্পাদক খোকন বিশ্বাস, বঙাইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক পংকজ শৰ্মা। ১৮ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ বাবে তলত দিয়া ধৰণৰ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সভানেত্ৰীৰূপে জ্যোৎস্না ৰাণী বৰ্মন বঙাইগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক, কাৰ্যকৰী সভাপতিৰূপে অৰবিন্দ চৌধুৰী। সম্পাদকৰূপে শংকৰ সৰকাৰক নিৰ্বাচিত কৰা হয়। উল্লেখ থাকে বাকী থকা উপ-সমিতিসমূহ পৰৱৰ্তী সভা অনুষ্ঠিত কৰি গঠন কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। বঙাইগাঁও জিলা শাখাৰ সভাপতি-সম্পাদক তথা সতীৰ্থ বন্ধু সকলক উক্ত পদক্ষেপৰ বাবে ৰাজ্যিক সংস্থাৰ তৰফৰ পৰা কৃতজ্ঞতা জনালো। লগতে বঙাইগাঁও জিলা শাখাই ৰাজ্যিক দ্বি-বাৰ্ষিক অধিবেশন অহা ২৬ আৰু ২৭ নৱেম্বৰ ২০২২ত প্ৰত্যেক জিলা শাখাৰ উপস্থিতি আৰু সহায় সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিছে।

# পঞ্চম শ্ৰেণীৰ ছাত্ৰী অংকিতাৰ অকাল মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুনী, ১৭ জুলাই ঃ** পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী অংকিতা ডেকা (১১)ৰ অকাল মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উলাৰা-মাহৰিপাৰা নিবাসী ক্ষিৰোদ ডেকা আৰু মণিকা ডেকাৰ কন্যা অংকিতা ডেকাই পৰীক্ষা দি থকা অৱস্থাতে অসুস্থ হোৱাত পৰিয়ালে মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰি চিকিৎসা কৰিছিল যদিও চিকিৎসাধীন অৱস্থাতে কালি অংকিতাই মৃত্যুক সাবটি লয়। পৰিয়ালে সদৰী কৰা মতে, অংকিতাই কিছুদিন ধৰি জ্বৰ আৰু জণ্ডিছ ৰোগত আক্ৰান্ত হৈ আছিল।

# প্লাষ্টিকৰ বটল আঁৰি উপদ্ৰৱ ৰোধৰ চেষ্টা



## মুছলপুৰত হাতী-মানুহৰ সংঘাত দূৰীকৰণৰ নতুন পদ্ধতি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৭ জুলাই ঃ** বাগ্‌সাৰ ভূটান সীমান্তৱৰ্তী অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ নতুন কথা নহয়। মুছলপুৰ মহকুমাৰ নিকাছিৰ পৰা উত্তৰে থকা অঞ্চলসমূহত সপ্তাহত দুদিন বনৰীয়া হাতীৰ উপদ্ৰৱ চলে। বন্যহস্তীৰ উপদ্ৰৱত ঘৰ-দুৱাৰ লণ্ড-ভণ্ড হোৱাৰ উপৰি হাতীৰ গচকত মৃত্যু হয় বহু লোকৰ। বছৰেকত ১০-১২জন লোক বন্যহস্তীৰ গচকত মৃত্যু হয় জিলাখনত। বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে বন বিভাগে কোনো দীৰ্ঘম্যাদী ব্যৱস্থা লোৱা নাই। পিছে যি সময়ত ৰাজ্যত হাতী আৰু মানুহৰ মাজত সংঘাত বৃদ্ধি পাব ধৰিছে তেনে সময়তে সাধাৰণ গঞাই হাতী খেদাৰ নতুন কৌশল গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বাগ্‌সা জিলাৰ মুছলপুৰ মহকুমাৰ ভূটান সীমান্তৰ দাৰাগাঁৱত এই ব্যৱস্থা পৰিলক্ষিত হৈছে। বনৰীয়া হাতীৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ বিচাৰি ৰাইজে গ্ৰহণ কৰিছে এই পন্থা। লাভ কৰিছে সুফলো। উল্লেখ্য যে বাগ্‌সা জিলাৰ ভূটান সীমান্ত অঞ্চলত দৈনিক অব্যাহত আছে বনৰীয়া হাতীৰ সন্ত্ৰাস। ভঁৰালৰ ধান চাউলৰ উপৰি কল বাগান, তামোল আদি তহিলং কৰি আহিছে। ইতিমধ্যে বনৰীয়া হাতী খেদিবলৈ ৰাইজে বিভিন্ন সময়ত বিভিন্ন পন্থাও গ্ৰহণ কৰি আহিছে। ঠায়ে ঠায়ে বিদ্যুৎ সংযোগী তাঁৰো স্থাপন কৰিছে। পিছে বাগ্‌সাত এইবাৰ দেখা গৈছে কিছু ব্যতিক্ৰমী পদ্ধতি। জিলাখনৰ বাতাবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত দাৰাগাঁৱত এইবাৰ ৰছী বা গুণাত ৰাইজে আঁৰি দিছে পৰিত্যক্ত প্লাষ্টিকৰ বটল আৰু প্লাষ্টিকৰ মোনা। তথ্য মতে, প্লাষ্টিকৰ বটলৰ লগতে প্লাষ্টিকৰ মোনাসমূহ এনেদৰে আঁৰি থোৱা অৱস্থাত হাতী আহিলে বটল (তাঁৰত লাগি ঘহনী খাই এটা গুণ-গুণনিৰ সৃষ্টি হয়) আৰু হাতী আঁতৰি যায়। যাৰ বাবে বিগত সময়ছোৱাত ৰাইজে সুফল পাইছে এই পদ্ধতিৰ দ্বাৰা। প্ৰকৃততে যদি এই পদ্ধতিয়ে সুফল দিয়ে তেন্তে সীমান্ত অঞ্চলত হ্ৰাস হ'ব হাতী-মানুহৰ সংঘাত।

**একাংশ যুৱকে নিচা জাতীয় কফছিৰাপসহ এজনক কৰায়ত্ত কৰি গতালে আৰক্ষীক**

# নগৰবেৰাৰ টুপামাৰীত নিশা আৰক্ষী চকীৰ সন্মুখত ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে প্ৰতিবাদ



**আলোপতি, ১৭ জুলাইঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত বৃহত্তৰ টুপামাৰী অঞ্চলত দীৰ্ঘদিন ধৰি চলি অহা নিচা জাতীয় দ্ৰব্যৰ ৰমৰমীয়া অবৈধ বেহাই ধ্বংস কৰিছে অঞ্চলটোৰ যুৱ প্ৰজন্মক। অঞ্চলটোৰ কে'বাজন লোক এই মাৰাত্মক অবৈধ ব্যৱসায়ত জড়িত থকাৰ অভিযোগ তুলি স্থানীয় একাংশ সচেতন লোকৰ উপৰি স্থানীয় আমছু নেতৃত্বই একাধিকবাৰ টুপামাৰী আৰক্ষীৰ লগতে শীৰ্ষ আৰক্ষীক অৱগত কৰাৰ পাছতো অঞ্চলটোৰ পৰা নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায় ৰোধ কৰাত ব্যৰ্থ হৈছে আৰক্ষী প্ৰশাসন। আৰক্ষীৰ এনে দুৰ্বল স্থিতিৰ বাবেই ক্ষুব্ধ হৈ পৰিছে অঞ্চলটোৰ একাংশ সচেতন যুৱক। অঞ্চলটোৰ যুৱ প্ৰজন্মৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ্থে সম্প্ৰতি হাতে-কামে লাগিছে যুৱ সমাজ। কালি একাংশ যুৱকৰ খবৰৰ ভিত্তিত মমিনুল ইছলাম নামৰ যুৱকজনক নিচা জাতীয় কফছিৰাপসহ আৰক্ষীয়ে আটক কৰাৰ পাছত কফছিৰাফসমূহ টুপামাৰীৰ ছাদেক আলীৰ পৰা ক্ৰয় কৰাৰ তথ্য লাভ কৰি অঞ্চলটোৰ এচাম যুৱকে ছাদেকক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। অভিযোগ অনুসৰি দীৰ্ঘদিন ধৰি নিচা জাতীয় কফছিৰাপৰ ব্যৱসায়ত জড়িত ছাদেকে বৃহৎ পৰিমাণৰ কফছিৰাপৰ বটল এটা বস্তাত ভৰাই ওচৰৰে এখন খেতিত লুকুৱাই ৰাখে। নিশা প্ৰায় ১০-৩০ বজাত ছাদেকে কফছিৰাপ ভৰ্তি বস্তাটো খেতি পথাৰৰ পৰা ঘৰলৈ আনি থকা অৱস্থাত একাংশ যুৱকে তেওঁক হাতে-লোটে কৰায়ত্ত কৰে। ইপিনে, ছাদেকৰ লগত থকা দুই নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায়ী ক্ৰমে লুৎফৰ ৰহমান আৰু বাক্কাৰ আলী পলাই যাবলৈ সক্ষম হয়। কফছিৰাপসহ ধৃত সৰবৰাহকাৰী ছাদেকক যুৱকসকলে টুপামাৰী আৰক্ষীক গতাই দিয়াৰ লগতে আৰক্ষী চকী ঘেৰাও কৰি নিশাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এটা প্ৰভাৱশালী চক্ৰৰ ছত্ৰছায়াতে টুপামাৰী অঞ্চলত নিচা জাতীয় দ্ৰব্যৰ অবৈধ বেহা চলি থকাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় একাংশ যুৱকে। টুপামাৰী অঞ্চলত গঢ়ি উঠা নিচা জাতীয় দ্ৰব্যৰ অবৈধ বেহা বন্ধ কৰাৰ বাবে কঠোৰতম পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰক্ষী অধীক্ষকক দাবী জনাইছে অঞ্চলবাসীয়ে।

# তন্ত্ৰ-মন্ত্ৰৰে আনৰ দুখ-দুৰ্দশা আঁতৰাবলৈ গৈ ডিমৌত নিজৰে বিলৈ হ'ল ভণ্ড তান্ত্ৰিকৰ

## এশ গৰু মাৰিলে বাঘৰো মৰণ



অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৭ জুলাই ঃ** ডিমৌৰ সমীপৰ কাছমাৰীত ৰাইজৰ হাতত আটক হ'ল লংকাৰ ভণ্ড তান্ত্ৰিক জমীৰ হুছেইন। ক্ষোভিত ৰাইজে লপা-থপা দি গতালে ডিমৌ আৰক্ষীক। একে অঞ্চলতে পূৰ্বেও সহজ-সৰল লোকক তাবিজ দিয়াৰ নামত বিভিন্নজনক ঠগ-প্ৰৱঞ্চনাৰে হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰাৰ অভিযোগ কৰিছে ৰাইজে। পাছত ভণ্ড তান্ত্ৰিক হুছেইনৰ ওপৰত ৰাইজৰ সন্দেহ ওপজাত উক্ত অঞ্চলৰে গীতা গগৈ নামৰ এগৰাকী মহিলাই পেলোৱা জালত আজি দুপৰীয়া ভাগত লংকাৰ হুছেইনে ভৰি দিয়াৰ পাছতেই ভণ্ডজনৰ সমগ্ৰ কু-কৃতি পোহৰলৈ আহে। উল্লেখনীয় যে আজি গীতা গগৈ নামৰ মহিলাগৰাকীৰ ঘৰত ভণ্ড হুছেইন উপস্থিত হৈ পূজা কৰাৰ নামত ঘৰত থকা সোণৰ আ-অলংকাৰ শুদ্ধিকৰণ কৰিব লাগিব বুলি কৈ এটা পাত্ৰত গীতাক সোণৰ অলংকাৰ কেইপদ ভৰাই থ'বলৈ দি কৌশলেৰে উক্ত পাত্ৰৰ পৰা সোণৰ অলংকাৰসমূহ নিজৰ বেগত ভৰাই লয়, আৰু উক্ত পাত্ৰটো নুখুলিবলৈ কয়, অন্যথা মহিলাগৰাকীৰ পুত্ৰ তেজ-বমি কৰি মৃত্যু মুখত পৰিব বুলি ভয় দেখুৱাই গীতাৰ বাসগৃহ ত্যাগ কৰিবলৈ লওঁতেই গীতা আৰু পুত্ৰই হাতে-লোটে ভণ্ড বাবা ৰূপী হুছেইনক আটক কৰে। লগে লগে স্থানীয় ৰাইজে গীতাৰ বাসগৃহত উপস্থিত হৈ বাবা ৰূপী ভণ্ডজনক লপা-থপা দি ডিমৌ আৰক্ষীক গতাই দিয়ে। পাছত ডিমৌ আৰক্ষীয়ে হুছেইনৰ পৰা সোণৰ আ-অসংলাকৰসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

# মাজুলীৰ মহকিনা গাঁৱৰ নামঘৰত অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালা আৰম্ভ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৭ জুলাই ঃ** বিদ্যালয়সমূহৰ গ্ৰীষ্মকালীন বন্ধ ঘোষণা কৰাৰ লগে লগে মাজুলীৰ স্থানত সংগীত, নৃত্য, বাদ্য, চিত্ৰাংকন, বানান আদি বিভিন্ন বিষয়ৰ ওপৰত আৰম্ভ হৈছে কৰ্মশালা। বিগত দুবছৰে কৰ'নাৰ সংক্ৰমণৰ বাবে সকলো দিশতে স্থবিৰতা আহিছিল যদিও বৰ্তমান মাজুলীত এক উৎসাহজনক পৰিৱেশৰ সূচনা হৈছে। মাজুলীৰ ভিতৰতে সাংস্কৃতিক দিশত অগ্ৰগণি মহকিনা গাঁও উন্নয়ন সমিতিৰ তত্ত্বাৱধানত আৰু গাঁৱৰ ভাস্কৰ মইনা পাৰিজাতৰ সহযোগত আজিৰে পৰা ১০ দিনীয়া কাৰ্যসূচীৰে গাঁৱৰ নামঘৰত আৰম্ভ হৈছে অসমীয়া চিৰসেউজ গীতৰ প্ৰশিক্ষণ কৰ্মশালা। আজি গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক টংকেশ্বৰ দুৱৰীয়াই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠান উদ্বোধন কৰে উন্নয়ন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰন শইকীয়াই। কৰ্মশালাত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰে মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়ৰ কণ্ঠ সংগীতৰ শিক্ষয়িত্ৰী তথা অনাতাঁৰ শিল্পী মালতী শইকীয়াই। কৰ্মশালাত অৰ্ধশতাধিক শিশুৱে অংশগ্ৰহণ কৰে। কোনো ধৰণৰ ভৰ্তি মাচুল নোহোৱাকৈ কৰ্মশালাত যোগদান কৰাৰ সুবিধা ৰখা অনুষ্ঠানৰ শেষত এক সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰি মানপত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা বিয়লি দুই বজালৈ এই কৰ্মশালা চলিব। আৰম্ভণি অনুষ্ঠানত গাঁৱৰ উন্নয়ন সমিতি আৰু মইনা পাৰিজাতৰ বিষয়ববীয়াৰ লগতে বহুকেইগৰাকী বিশিষ্ট শিল্পী উপস্থিত থাকে।



# কচুৱাত দ' গাঁতত পৰি যুৱকৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ১৭ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ কচুৱাত আজি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰাপ্ত তথ্য মতে, কালি অঞ্চলটোৰ আব্দুল ৰফিক (৩০) নামৰ যুৱকজনে বিয়লি গৰু আনিবলৈ গৈ সন্ধানহীন হৈ থকাৰ পাছত আজি এটা দ' গাঁতৰ পানীৰ পৰা মৃত অৱস্থাত স্থানীয় ৰাইজে উদ্ধাৰ কৰে। উল্লেখ্য যে অঞ্চলটোত আজিও খেতিপথাৰ বাঢ়নী পানীত আবদ্ধ হৈ থকাত খাল-বিলৰ চিনছাব নোহোৱাৰ ফলতেই এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ'ব পাৰে বুলি স্থানীয় ৰাইজে প্ৰকাশ কৰে। আনহাতে, ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

# ডুমুনী চাহ বাগানৰ কৰ্মচাৰী হৰেকৃষ্ণ শৰ্মাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**টিহু, ১৭ জুলাই ঃ** ডুমুনী চাহ বাগানৰ কৰ্মচাৰী তথা টিহু নগৰৰ এক নম্বৰ ৱাৰ্ডৰ বাসিন্দা প্ৰয়াত কমলাকান্ত শৰ্মাৰ একমাত্ৰ পুত্ৰ হৰেকৃষ্ণ শৰ্মা (৫৮)ৰ আজি পুৱা মৃত্যু হোৱাত শোকস্তব্ধ হৈ পৰে টিহু। আনহাতে, শৰ্মাৰ কৰ্মস্থলী ডুমুনী চাহ বাগানতো গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে প্ৰয়াত শৰ্মা ব্ৰেইন টিউমাৰ ৰোগত ভুগি আছিল। অমায়িক স্বভাৱৰ শৰ্মাৰ মৃত্যুত টিহু ৰাজহুৱা পুথিভঁৰাল, টিহু নগৰ উন্নয়ন সমিতি, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, হালধিবাৰী কালী মন্দিৰ সমিতি, চেম্বাৰ্ছ অৱ কমাৰ্ছ টিহু, টিহু আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টিহু আঞ্চলিক সমিতি, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু আঞ্চলিক সাংস্কৃতিক মহাসভা, টিহু আঞ্চলিক ব্ৰাহ্মণ সমাজ আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ আৰু এগৰাকী কন্যাৰ উপৰি বহু আত্মীয়-স্বজনক এৰি যায়।

# এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰিলে মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তত



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৭ জুলাই ঃ** শিপাৰ সন্ধানত শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰিলে মধ্য যোৰহাটৰ ২৭ নম্বৰ মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তে। আজি চাওখাত হাতীগড় গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত দীপক বৰাৰ সভাপতিত্বত অনুষ্ঠিত ব্যতিক্ৰমী অনুষ্ঠানত সমাজৰ বিভিন্ন ক্ষেত্ৰত বিনা পাৰিশ্ৰমিকে সেৱা আগবঢ়াই যোৱা পুৰুষ, মহিলা, যুৱক-যুৱতীসকলক আৰু চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰ অধিকাৰী হোৱা ছাত্ৰ-ছাত্ৰীসকলক একেখন মঞ্চতে বহুৱাই গামোচা, অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তৰ শিপাৰ সন্ধানত শীৰ্ষক এই ব্যতিক্ৰমী অনুষ্ঠান মুকলি কৰে পঞ্চায়ত প্ৰতিনিধি দিহানামেৰে। অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে আঞ্চলিক পঞ্চায়ত সদস্য প্ৰশান্ত বৰাই। আদৰণি ভাষণ প্ৰদান কৰে পঞ্চায়ত সভানেত্ৰী জুৰি বৰা শইকীয়াই। কৃষি, মুখাশিল্প, লোকশিল্পী, প্ৰাক্তন পঞ্চায়ত প্ৰতিনিধিসকলক বিচাৰি আনি ৰাজহুৱাভাৱে কৰ্মৰ স্বীকৃতি দিয়া কাৰ্যক উপস্থিত ৰাইজে ভূয়সী প্ৰশংসা কৰিলে। অনুষ্ঠানত ১০টা ৱাৰ্ডৰ ৰাইজৰ লগতে শিক্ষা, সমাজকৰ্মী, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সৈনিক উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে ৰঞ্জিত শইকীয়াই।

# ছয়গাঁৱৰ সাৰেগামাপা সংগীত বিদ্যালয়ৰ উদ্যোগত পৰম্পৰাগত গীতৰ কৰ্মশালা

**ছয়গাঁও, ১৭ জুলাই ঃ** ছয়গাঁৱৰ সাৰেগামাপা সংগীত বিদ্যালয়ৰ উদ্যোগত ছয়গাঁও প্ৰাথমিক বিদ্যালয় আৰু ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত কামৰূপীয়া পৰম্পৰাগত গীতৰ পাঁচদিনীয়া কৰ্মশালাৰ কালি সামৰণি পৰে। ৪৬ গৰাকী শিশু-চেমনীয়া ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণত কৰ্মশালাখন ছয়গাঁও প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈছিল। লোকশিল্পী সুকুমাৰ মেধি প্ৰশিক্ষকৰূপে থকা কৰ্মশালাখনত ঢুলীয়া গীত, নাও খেলৰ গীত, মহোহো আৰু হোলী গীতৰ প্ৰশিক্ষণ দিয়া হয়। লগতে কৰ্মশালাৰ আৰম্ভণি জাতীয় সংগীত আৰু সামৰণি ৰাষ্ট্ৰীয় সংগীত নিয়মীয়াকৈ চৰ্চা কৰা হয়। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰৰ উন্নয়ন বিষয়া অনুজ বৰুৱাই পৰম্পৰাগত গীতৰ চৰ্চাই সামাজিক-মানসিক-শাৰীৰিক উন্নতিৰ লগতে এটা অঞ্চলক বিশ্বক কেনেদৰে চিনাকি কৰাব পাৰে সবিশেষ কোৱাৰ লগতে প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীক এই চৰ্চা নিয়মীয়া কৰিবলৈ আহ্বান জনায়। প্ৰাক্তন সৈনিক লোকশিল্পী মাধৱ কলিতা আৰু প্ৰশিক্ষক মেধিয়ে বক্তব্য আগবঢ়োৱা সভাখনত প্ৰশিক্ষাৰ্থীলৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাত প্ৰশিক্ষণৰ সহযোগীৰূপে আছিল চাৰেগামাপাৰ অধ্যক্ষ দীপক দাস আৰু সংগীত বিশাৰদ জীতেন গোস্বামীয়ে।

# মিছামৰাত দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণ গাঁও, ১৭ জুলাই ঃ** দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত কুৱালগুৰি দৰিয়া সংযোগী জনহিতৈষী নগেন বৰুৱা পথৰ কাষত থকা মিছামৰা অঞ্চলৰ নামলগোৱা গাঁৱৰ এখন দোকান যোৱা নিশা প্ৰায় ৯.৩০ বজাত কেঁচা চাহপাত কঢ়িওৱা এখন এএছ-০৫ এচি-১৩৮৬ নম্বৰৰ মিনি ট্ৰাকে প্ৰচণ্ড গতিবেগত আহি মহটিয়াই নিয়াত দোকানৰ স্বত্বাধিকাৰী দুলু দত্ত (৫০) গুৰুতৰভাৱে আহত হোৱাৰ লগতে সেই সময়ত দোকানখনত উপস্থিত থকা স্থানীয় বিশিষ্ট ব্যৱসায়ী হৰেণ দত্তও কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হয়। দুলু দত্তক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু ঘটে। ক্ষুদ্ৰ ব্যৱসায়ৰে পৰিয়াল চলাই থকা দত্তৰ শোকাবগ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ঘটনা সংঘটিত কৰি ঘটনাস্থলীৰ পৰা গাড়ীসহ চালকজন পলায়ন কৰিবলৈ সক্ষম হয় যদিও স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে ঢেকীয়াল অঞ্চলৰ বৰগুৰিৰ গাড়ীখনৰ স্বত্বাধিকাৰীৰ গৃহৰ পৰা গাড়ীখনৰ লগতে চালকজনক আটক কৰে।

# লোকনিৰ্মাণ বিভাগৰ হঠকাৰী কাৰ্যত নিমিষতে মৰহি গ'ল উদীয়মান যুৱক ঃ মঙলদৈত গভীৰ শোক

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১৭ জুলাই ঃ** লোকনিৰ্মাণ তথা গড়কাপ্টানী বিভাগৰ কেতবোৰ হঠকাৰী কাৰ্যই বহুতকে ক্ষুব্ধ কৰি তোলাৰ সময়তে বিভাগটোৰ আন এক হঠকাৰী কাৰ্যৰ পৰিণতিত আজি এজন উদীয়মান যুৱকৰ অকাল মৃত্যু ঘটে মঙলদৈ থানাৰ অন্তৰ্গত জনাৰামচৌকাত। যুৱকজনৰ মৃত্যুত যিদৰে সৰ্বত্ৰে শোকৰ ছাঁ পৰিছে সেইদৰে গড়কাপ্টানী বিভাগৰ ওপৰতো সকলোৰে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখ্য যে জনাৰামচৌকাৰ কেওটপাৰা গাঁৱৰ হোদাপাৰা চুবুৰীৰ প্ৰাক্তন আলফা তথা সৰবৰহী নাগৰিক দেৱেন মেধীৰ একমাত্ৰ পুত্ৰ সন্তান নীলোৎপল মেধী (বুবু) (২৮)ৰ এক দুৰ্ভাগ্যজনক দুৰ্ঘটনাত আজি মৃত্যু হয়। ঘটনাৰ বিৱৰণি মতে মঙলদৈৰ এখন মটৰ চাইকেল ডীলাৰত কৰ্মৰত যুৱকজনে আনদিনাৰ দৰে যোৱা ১৪ জুলাইতো মটৰ চাইকেলেৰে নিশা ঘৰলৈ আহি আছিল। তাৰ আগমুহূৰ্তত এমপিকে পথৰ জনাৰামচৌকাৰ সমীপৰ হৰিণখোজাত বানে ছিগা এছোৱাত ট্ৰেক্টৰেৰে মাটি পেলোৱা হৈছিল। কোনোধৰণৰ আগতীয়া সতৰ্কীকৰণ অবিহনে এইদৰে পথৰ ওপৰত মাটিৰ দ'ম কৰি থোৱাত নিশাৰ ভাগত সহজে চকুত নপৰাটো স্বাভাৱিক কথা। যি মাটিৰ দ'মত ইতিমধ্যে কে'বাটাও সৰু-সুৰা দুৰ্ঘটনা সংঘটিত হৈছে। নীলোৎপলেও স্বাভাৱিকভাৱে আহি থকা অৱস্থাত মাটিৰ দ'মত খুন্দিয়াই বাগৰি পৰি গুৰুতৰভাৱে আহত হয়। তেওঁক স্থানীয় লোকে ততাতৈয়াকৈ মঙলদৈ অসামৰিক চিকিৎসালয় আৰু পাছত আমিনগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে। বিগত তিনিদিনে মৃত্যুৰ স'তে যুঁজি থকা যুৱকজনে আজি অৱশেষত শেষ নিশ্বাস ত্যাগ কৰে। এই খবৰ বনজুইৰ দৰে বিয়পাৰ লগে লগে সমগ্ৰ মঙলদৈত গভীৰ শোকৰ ছাঁ পৰে।

# মৰাণৰ বিধায়ক চক্ৰধৰ গগৈৰ পিতৃৰ বিয়োগ


অগ্ৰদূত বাৰ্তা


**মৰাণ, ১৭ জুলাই ঃ** মৰাণৰ বিধায়ক চক্ৰধৰ গগৈৰ পিতৃ, অৱসৰপ্ৰাপ্ত সৈনিক মনিকান্ত গগৈ (৮২)ৰ কালি বিয়লি ৪.৩০ বজাত ডিব্ৰুগড় আদিত্য হাস্পতালত বিয়োগ হোৱাত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ আৰু এগৰাকী কন্যাকে ধৰি অসংখ্য আত্মীয়-স্বজনক ইহসংসাহৰত এৰি যায়। সেনা বাহিনীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত সৰবৰহী ব্যক্তি গগৈয়ে বিভিন্ন সামাজিক কাম-কাজত আত্মনিয়োগ কৰিছিল। হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত থকা গগৈৰ মৃত্যুত কেবিনেট মন্ত্ৰীদ্বয় যোগেন মহন আৰু বিমল বৰা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰিছে। আজি জন্মভূমি লেঙেৰী ন-খাট চাংমাই গাঁৱত গগৈৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# ডিমৌত বন্যাৰ্তক সামগ্ৰী বিতৰণ সৰ্বভাৰতীয় বেচৰকাৰী সংস্থা স্মাইল ফাউণ্ডেছনৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৭ জুলাই ঃ** ইতিপূৰ্বে বানৰ কবলৰ পৰা ৰক্ষা পৰা ডিমৌ ৰাজহ চক্ৰৰ অধীনৰ থাওৰা মৌজাৰ কৈৱৰ্তদলনী গাঁৱত আজি উপস্থিত হয় সৰ্বভাৰতীয় পৰ্যায়ৰ বেচৰকাৰী সেচ্ছাসেৱী সংস্থা স্মাইল ফাউণ্ডেছন। ডিমৌ ৰাজহ চক্ৰ চক্ৰ বিষয়া ফিলিচ ৰাংচাল আৰু গাঁওপ্ৰধান যদুমণি বৰাৰ তত্ত্বাৱধানত আজি বিয়লি কৈৱৰ্তদলনী জুৰডুবি প্ৰাথমিক বিদ্যালয়ত স্মাইল ফাউণ্ডেছনে বানাক্ৰান্ত গাঁওবাসীৰ মাজত আঁঠুৱা, গাখীৰ, অ'আৰএছ, ফেনাইল, ধূপ, চাবোন, মম, চেনিটেৰী নেপকিন, জ্বৰ, খজুতি, কটা-চিঙা আদি ৰোগৰ ঔষধ আদি বিতৰণ কৰে। স্মাইল ফাউণ্ডেছনৰ হৈ বিপ্লৱ কাশ্যপ, নয়না হাতীমূৰীয়া আদি উপস্থিত থাকে। কৈৱৰ্তদলনী জুৰডুবী গাঁৱৰ ৯০ টা বানাক্ৰান্ত পৰিয়ালক বেচৰকাৰী সংস্থাটোৱে উক্ত সামগ্ৰীসমূহ বিতৰণ কৰে। বিতৰণত স্থানীয় অংগনৱাড়ী কৰ্মী, আশা-কৰ্মী, পঞ্চায়তৰ ৱাৰ্ড সদস্য আদিয়ে সহযোগ কৰে।







# ছিংগাপুৰ অপেনত খিতাপ জয় সিন্ধুৰ

## বছৰৰ তৃতীয়খন প্ৰতিযোগিতাত জয়ৰ মুকুট ঃ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীয়ে জনালে অভিনন্দন



**নিউজ ব্যুৰ'**
**ছিংগাপুৰ, ১৬ জুলাই ঃ** দুৰ্দান্ত প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখি ছিংগাপুৰ অপেন ছুপাৰ-৫০০ বেডমিণ্টনৰ খিতাপ জয় কৰিলে পি ভি সিন্ধুৱে। এই জয়েৰে ভাৰতীয় তাৰকাগৰাকীয়ে আগন্তুক কমনৱেল্থ গেমছলৈ প্ৰয়োজনীয় অনুপ্ৰেৰণা তথা আত্মবিশ্বাস অৰ্জন কৰিলে। আজিৰ মহিলা ছিংগলছৰ ফাইনেল সিন্ধুৱে চীনৰ প্ৰতিদ্বন্দ্বী ৱাং ঝি উইইক তুমুল সংগ্ৰামৰ অন্তত ২১-৯, ১১-২১, ২১-১৫ পইণ্টত পৰাজিত কৰে। ছৈয়দ মোদী আন্তৰ্জাতিক আৰু ছুইছ অপেনৰ পাছত সিন্ধুৱে বছৰৰ তৃতীয়টো খিতাপ জয় কৰিলে।

আজিৰ খেলৰ প্ৰথম গেমত সিন্ধুৱে সম্পূৰ্ণ দমনীয় প্ৰদৰ্শনেৰে জয়লাভ কৰে। অৱশ্যে দ্বিতীয় গেমত সুন্দৰ প্ৰত্যাৱৰ্তন ঘটাই চীনৰ প্ৰতিযোগীগৰাকীয়ে খেলত সমতা স্থাপন কৰি নিজৰ সম্ভাৱনাও সজীৱ কৰি ৰাখিছিল। তৃতীয় তথা নিৰ্ণায়ক গেমত প্ৰথম অৱস্থাত দুয়োগৰাকী খেলুৱৈয়ে প্ৰৱল প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। দুয়ো পাঁচটাকৈ পইণ্ট সংগ্ৰহ কৰাৰ পাছতে সিন্ধুৱে খেলৰ কৌশল সলনি কৰে আৰু দ্ৰুতগতিৰে পইণ্ট সংগ্ৰহ কৰি এটা সময়ত ১১-৬ৰ অগ্ৰগতি অৰ্জন কৰে। পৰৱৰ্তী সময়ত ৱাঙে প্ৰতি আক্ৰমণেৰে পইণ্টৰ ব্যৱধান হ্ৰাস কৰিলেও কোনো সময়তে ভাৰতীয় তাৰকাগৰাকীক অতিক্ৰম কৰিবলৈ সক্ষম নহ'ল। আজিৰ এই জয়ৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সিন্ধুক অভিনন্দন জনায়। টুইটত প্ৰধানমন্ত্ৰীয়ে লিখিছে, 'ছিংগাপুৰ অপেনত প্ৰথমবাৰলৈ খিতাপ জয়ৰ বাবে মই পি ভি সিন্ধুক অভিনন্দন জনাইছো। তেওঁ পুনৰ নিজৰ অসাধাৰণ ক্ৰীড়া দক্ষতাক প্ৰদৰ্শন কৰি সাফল্য অৰ্জন কৰিলে। সমগ্ৰ দেশৰ বাবেই এইটো গৌৰৱৰ মুহূৰ্ত আৰু এই সাফল্যই দেশৰ উদীয়মান খেলুৱৈসকলক অনুপ্ৰেৰণা যোগাব।' ইয়াৰ উপৰি ৰাষ্ট্ৰপতি ৰামনাথ ক'ৰিন্দ আৰু কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰেও দুবাৰৰ অলিম্পিক পদক জয়ী সিন্ধুক অভিনন্দন জনায়।

## কেৰিবিয়ানক হোৱাইট ৱাশ্ব বাংলাদেশৰ

**নিউজ ব্যুৰ'**
**প্ৰ'ভিডেন্স (গায়ানা), ১৬ জুলাই ঃ** ঘৰুৱা পৰিৱেশতে বাংলাদেশৰ হাতত 'হোৱাইট ৱাশ্ব' হ'ল ৱেষ্টইণ্ডিজ। টেষ্ট আৰু টি-২০ শৃংখলাত কেৰিবিয়ান দল বিজয়ী হ'লেও কালি সমাপ্ত হোৱা এদিনীয়া মেচৰ শৃংখলাত বাংলাদেশে ৩-০ৰ নিৰংকুশ বিজয় অৰ্জন কৰে। কালিৰ অন্তিমখন মেচত ভ্ৰমণকাৰী দলটোৱে চাৰি উইকেটত জয়লাভ কৰে। প্ৰথমে বেটিং কৰি কেৰিবিয়ান দলে ১৭৮ ৰাণত ইনিংছ সামৰে। দলৰ হৈ অধিায়ক নিকোলাছ পূৰানে ৭৩ আৰু কেচী কাৰ্টিয়ে ৩৩ ৰাণ কৰে। বাংলাদেশৰ তাইজুল ইছলামে ২৮ ৰাণৰ বিনিময়ত পাঁচ উইকেট দখল কৰে। প্ৰত্যুত্তৰত সহজ লক্ষ্য আগত লৈ বাংলাদেশে লিটন দাস (৫০)ৰ অৰ্ধশতৰাণৰ সহায়ত ছয় উইকেটৰ বিনিময়ত ৪৮.৩ অভাৰত জয়ৰ লক্ষ্যত উপনীত হয়।

## ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰত অসমৰ সাফল্য অব্যাহত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৰজ্জজুলাই ঃ** ওড়িছাৰ ভুৱনেশ্বৰত চলি থকা ৪৮সংখ্যক জুনিয়ৰ সাঁতোৰ প্ৰতিযোগিতাত অসম দলৰ সাফল্য অব্যাহত আছে। প্ৰতিযোগিতাত আজি ২০০ মিটাৰ বাটাৰ ফ্লাইত তীৰ্থকংৰ পেগুৱে সোণৰ পদক অৰ্জন কৰাৰ লগতে সংস্কাৰ ভূএগ্ৰাই ৮০০ মিটাৰ ফ্ৰী ষ্টাইলত ৰূপৰ পদক অৰ্জন কৰিছে। দুয়োজন যোৰহাট ছুইমিং ছ'চাইটীৰ প্ৰশিক্ষাৰ্থী।

# ঋষভৰ শতক-হাৰ্দিকৰ অলৰাউণ্ড প্ৰদৰ্শনেৰে শৃংখলা জয় কৰিলে ভাৰতে



**নিউজ ব্যুৰ'**
**মানচেষ্টাৰ, ১৬ জুলাই ঃ** ঋষভ পণ্টৰ আক্ৰমণাত্মক শতৰাণ আৰু হাৰ্দিক পাণ্ড্যিয়াৰ দুৰ্দান্ত অলৰাউণ্ড প্ৰদৰ্শনৰ সহায়ত ইংলণ্ডৰ বিপক্ষে এদিনীয়া মেচৰ শৃংখলাত ২-১ ব্যৱধানত জয়ী হ'ল ভাৰত। ঋষভৰ ১২৫ ৰাণৰ অপৰাজিত ইনিংছটোৰ বাবেই ভাৰতে আজিৰ খেলখনত পাঁচ উইকেটত জয়লাভ কৰে। ইংলণ্ডে ২৫৯ ৰাণ কৰাৰ পাছত ভাৰতে এটা সময়ত ৭২ ৰাণত চাৰি উইকেট হেৰুৱাই বিপদত পৰিছিল। তেতিয়াই ঋষভে হাৰ্দিক (৭১)ৰ স'তে ১৩৩ ৰাণ যোগ দি ইংলণ্ডৰ আশাত চেঁচাপানী ঢালে। তেওঁৰ ১১৩টা বলৰ বিধ্বংসী ইনিংছটোত আছে ১৬টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিয়ে বিপদত পৰিছিল ইংলণ্ড। আঘাতপ্ৰাপ্ত জশপ্ৰীত বুমৰাহৰ পৰিৱৰ্তে দলত স্থান লাভ কৰা মহম্মদ ছিৰাজে এটা অভাৰতে দুটা উইকেটৰ পতন ঘটায়। জেছন ৰয় (৪১) আৰু বেন ষ্ট'ক্‌ছে (২৭) কিছু দৃঢ়তা প্ৰদৰ্শন কৰাৰ পাছত অধিনায়ক জছ বাটলাৰে অৰ্ধশতৰাণ অৰ্জন কৰে। বাটলাৰে ৬০ ৰাণত বিদায় লোৱাৰ পৰতো ইংলণ্ডে ১৯৯ ৰাণত সাত উইকেট হেৰুৱাই সমস্যাত পৰিছিল। অৱশ্যে ক্ৰেইগ অভাৰটন (৩২)ৰ দৃঢ়তাৰে দলটোৱে সুবিধাজনক স্থিতিত উপনীত হয়। ভাৰতৰ সফল বলাৰ হাৰ্দিকে চাৰিটা, য়ুজৱেন্দ্ৰ চাহালে তিনিটা আৰু ছিৰাজে দুটা উইকেট দখল কৰে।

## কোহলিক বাদ দিয়া নিৰ্বাচকৰ জন্মই হোৱা নাই




**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৭ জুলাই ঃ** আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণৰ পৰা বিৰাট কোহলিক সঁচাকৈয়ে বিশ্ৰাম দিয়া হৈছে নে বিশ্ৰামৰ নামত তেওঁক বাদ দিয়া হৈছে, এই বিতৰ্কই সম্প্ৰতি সৰৱ কৰি ৰাখিছে ক্ৰিকেট মহলক। বিচিচিআইৰ তৰফৰ পৰা এই সন্দৰ্ভত সন্দেহ নিৰসনৰ বাবে এই পৰ্যন্ত কোনো স্পষ্টীকৰণ দিয়া নাই। ইয়াৰ মাজতে পাকিস্তানৰ প্ৰাক্তন ক্ৰিকেটাৰ ৰছিদ লতিফে এনে এক মন্তব্য কৰিলে, য'ৰ পৰা নতুন বিতৰ্কৰ সূচনা হ'ব পাৰে। এক ইউ-টিউব চেনেলক দিয়া সাক্ষাৎকাৰত লতিফে কয়, 'কোহলিক বাদ দিয়াৰ সাহস আছে, এই নিৰ্বাচকৰ জন্মই হোৱা নাই ভাৰতত।' ইয়াতেই ক্ষান্ত নাথাকি প্ৰাক্তন পাক উইকেট কীপাৰজনে কয়, 'বিৰাটৰ কান্ধত বন্দুক ৰাখি আচলতে বাকীসকলে নিজৰ পিঠি বচাব খুজিছে। এবাৰ ২০১৯ৰ বিশ্বকাপৰ ফালে বা বিগত টি-২০ বিশ্বকাপৰ ফালে ভালদৰে চাওক। যদি বিৰাটে ভাল খেলা নাছিল, তেন্তে বাকীসকলে কি কৰিছিল? তেওঁলোকে কিয় খেলিব পৰা নাছিল?'

## অল ষ্টাৰ ক্লাব বিজয়ী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৭ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা 'এ' ডিভিজন ফুটবলত লীগত আজিৰ 'বি' গ্ৰুপৰ খেলত অল ষ্টাৰ ক্লাবে নেপথ্য ক্লাবক ১-০ গ'লত পৰাভূত কৰে। এই জয়েৰে অল ষ্টাৰে সম্পূৰ্ণ পইণ্ট লাভ কৰিবলৈ সক্ষম হয়। খেলৰ প্ৰথমাৰ্ধৰ অতিৰিক্ত সময়ত নেপথ্যৰ ৰক্ষক বিভাগৰ খেলুৱৈ মানস বৰগোহাঁইৰ ভৰিত লাগি আত্মঘাতী গ'ল হোৱাত অল ষ্টাৰে ১-০ গ'লত অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত উভয় দলেই কে'বাটাও সুন্দৰ সুযোগ নষ্ট কৰে। আজিৰ খেল পৰিচালনা কৰা ৰেফাৰী পৱন পাঠকক সহায় কৰে লাইনত সুমন্ত দত্ত আৰু বিমান বুঢ়াগোহাঁই তথা চতুৰ্থ ৰেফাৰী বিমান বুঢ়াগোহাঁয়ে।

# সোণতলীৰ জাওকাটাত পৰম্পৰাগত নাও খেলৰ সামৰণি




**অগ্ৰদূত বাৰ্তা,**
**সোণতলী, ১৭ জুলাই ঃ** দক্ষিণ কামৰূপৰ সোণতলীৰ জাওকাটা কুলহীৰ পাৰ বজাৰ পাৰঘাটত আজি অনুষ্ঠিত হয় এখনি আকৰ্ষণীয় নাওখেল প্ৰতিযোগিতা। আন আন বছৰৰ দৰে এইবেলিও জাওকাটা বজাৰ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হৈছে এই পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে চাৰিখন প্ৰতিযোগী নাৱে। জাওকাটা বজাৰ ক্লাবৰ সভাপতি জাহাংগীৰ আলমে আঁত ধৰা অনুষ্ঠানত প্ৰতিযোগিতা উদ্বোধন কৰে চাৰি নম্বৰ সোণতলী টুপামাৰী জিলা পৰিষদৰ সদস্য শ্বাহজাহান আলীয়ে। কে'বা সহস্ৰাধিক দৰ্শকে উপভোগ কৰে এই নাওখেল। এই নাও খেলৰ চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হয় ডিএম এক্সপ্ৰেছ আৰু ৰাজমাতা নাৱৰ মাজত। উত্তেজনাপূৰ্ণ প্ৰতিযোগিতাত বকোৰ দুৰামাৰী-মালিবাৰীৰ ৰাজমাতা নাওখনে ২-০ ছেটৰ ব্যৱধানত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। খেলৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি মামুদ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত হয় বঁটা বিতৰণী সভা। সভাত বিজয়ী আৰু বিজিত নাও দুখনক ট্ৰফীসহ ক্ৰমে নগদ ৩০ আৰু ২০ হেজাৰ টকা আগবঢ়োৱা হয়। বঁটা বিতৰণী অনুষ্ঠানত জিলা পৰিষদৰ শ্বাহজাহান আলী, ৫২ নম্বৰ কিছমত কাঠমী গাঁও পঞ্চায়তৰ সভাপতি গিয়াছ উদ্দিন, অসম মিঞা পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক এম মুক্তাৰ মণ্ডল, সোণতলী আৰক্ষী চকীৰ সহকাৰী উপ পৰিদৰ্শক অঞ্জন দাস, বিজেপিৰ দক্ষিণ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক আব্দুৰ ৰফিক প্ৰমূখ্যে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

# ডিমৌত ১৩ উৰ্ধ্বৰ খেলুৱৈৰ ফুটবল সাতদিনীয়া প্ৰশিক্ষণ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ১৭ জুলাই ঃ** আজি শিৱসাগৰ ৰংপুৰজ্যোতি ক্লাবৰ উদ্যোগত কৈৱৰ্ত দলনী যুৱক সংঘৰ সহযোগত তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ'এনজিচি)ৰ অনুসূচিত জাতি আৰু জনজাতি কল্যাণমূলক আঁচনিৰদ্বাৰা ১৩ বছৰ ঊৰ্ধ্বৰ খেলুৱৈৰ সপ্তাহজোৰা ক্ৰীড়া অনুশীলন আৰু প্ৰশিক্ষণ শিবিৰ আৰম্ভ হয়। আজি শিবিৰ উদ্বোধন কৰে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অসম সম্পদৰ মানৱ সম্পদ বিভাগৰ মহা প্ৰৱন্ধক এম ঘনশ্যামে। উদ্বোধনী অনুষ্ঠানত অ'এনজিচিৰ ভাৰপ্ৰাপ্ত উপ-প্ৰৱন্ধক অৰৱিন্দ পানোৱাৰ, সদৌ ভাৰত অনুসূচিত জাতি-জনজাতি কৰ্মচাৰী কল্যাণ সন্থা, অ'এনজিচি, অসম সম্পদৰ অধ্যক্ষ পোনাৰাম মিলি, কল্যাণমূলক আঁচনিৰ সমন্বয়ক মগবুল হুছেইন, অনুসূচিত জাতি-জনজাতি কল্যাণমূলক আঁচনিৰ সদস্য গহীন বসুমতাৰী, লোহিত দেউৰী, দলেশ্বৰ টায়ে, অৰুজ দাস, মনোজ বৰা, কৈৱৰ্ত দলনীৰ চৰকাৰী গাঁওবুঢ়া যদুমণি বৰা, নেষ্ট ফাউণ্ডেছনৰ মুখ্য সমন্বয়ক দীপক টায়ে আদি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি পি আৰ মিলিয়ে কয়, 'নৱপ্ৰজন্মই ক্ৰীড়াৰ যোগেদি এখন সমাজ আৰু বিশ্বৰ খেলৰ লগত সম্পৰ্ক স্থাপন কৰাৰ সুযোগ লাভ কৰিব পাৰে । খেলৰ যোগেদি এখন সমাজত সুস্থ পৰিৱেশ বাৰ্তাই ৰাখিব পাৰে। সেয়েহে নৱপ্ৰজন্মক আগুৱাই নিয়াৰ ক্ষেত্ৰত সমাজৰ প্ৰত্যেকজন ব্যক্তিৰে দায়িত্ব আৰু কৰ্তব্য আছে।' আৰম্ভণি অনুষ্ঠানত ৰামেশ্বৰ কামান, মামুল আলী, ৰাকেশ টায়ে, আদিত্য নাওহলীয়াক প্ৰশিক্ষকৰূপে সম্বৰ্ধনা জনায়। অ'এনজিচিৰ বিষয়াসকলে ১৩ ঊৰ্ধ্বৰ খেলুৱৈসকলৰ স'তে খেলপথাৰত নামি প্ৰশিক্ষণ শিবিৰ মুকলি কৰে।

## জাৰ্মানীত খেলিব পাৰে ৰোণাল্ডোৱে



**নিউজ ব্যুৰ'**
**মিউনিখ, ১৭ জুলাই ঃ** আগন্তুক ছিজনত জাৰ্মানীৰ ফুটবল লীগত খেলিব পাৰে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। কাৰণ পোলেণ্ডৰ তাৰকা ফুটবলাৰ ৰবাৰ্ট লেৱানড'স্কিয়ে দীৰ্ঘদিনীয়া ক্লাব বেয়াৰ্ণ মিউনিখ ত্যাগ কৰাটো একপ্ৰকাৰ নিশ্চিত হৈছে। দুই-এদিনতে বাৰ্চিলোনাৰ স'তে লেৱানড'স্কিৰ ভাৰতীয় মুদ্ৰাত ৪০১ কোটি টকাত চুক্তি হ'ব পাৰে। বিগত কিছু বছৰ ধৰি অসাধাৰণ প্ৰদৰ্শনেৰে লেৱানড'স্কিয়ে বেয়াৰ্ণৰ সাফল্যত অন্যতম ভূমিকা পালন কৰি আহিছে। দলৰ 'গ'ল মেচিন'জনক এৰি দিবলৈ সম্প্ৰতি বেয়াৰ্ণ সন্মত হৈছে। অৱশ্যে দলটোক প্ৰয়োজন আন এক 'গ'ল মেচিন'ৰ। সেয়ে ক্লাবটো এতিয়া ৰোণাল্ডোৰ প্ৰতি আগ্ৰহী হোৱা বুলি সূত্ৰই জনাইছে। উল্লেখ্য যে ৰোণাল্ডোৱেও ইতিমধ্যে মানচেষ্টাৰ ইউনাইটেডত নথকাৰ সিদ্ধান্ত লৈছে। তেওঁৰ এজেণ্টে বিভিন্ন ক্লাবৰ স'তে যোগাযোগ চলাই আছে যদিও পৰ্তুগীজ মহাতাৰকাজনৰ পাৰিশ্ৰমিকৰ বাবেই কোনোৱে এই পৰ্যন্ত তৎপৰ হোৱা নাই। ইয়াৰ মাজতে ৰোণাল্ডোৱে ছৌদি আৰবৰ এটা ক্লাবৰ লোভনীয় প্ৰস্তাৱ নাকচ কৰিছে। কিয়নো তেওঁ ইউৰোপৰ কোনো শীৰ্ষস্থানীয় ক্লাবত খেলিব বিচাৰে। উল্লেখ্য যে বেয়াৰ্ণেও প্ৰথমে ৰোণাল্ডোৰ প্ৰতি আগ্ৰহ দেখুৱাই পাছত থমকি ৰৈছিল। এতিয়া লেৱানড'স্কি আঁতৰি যাবলৈ ওলোৱাত এজন শীৰ্ষস্থানীয় খেলুৱৈৰ প্ৰয়োজন হোৱাতে জাৰ্মান ক্লাবটোৱে ৰোণাল্ডোৰ কথা পুনৰ চিন্তা-চৰ্চা কৰা বুলি সূত্ৰই জনাইছে।

## অভিনন্দনৰ খিতাপ দখল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৭ জুলাই ঃ** অভিনন্দন ক্লাবে অমিয় বৰা, লাচিত বৰা, ধনাই দত্ত, জয়ন্ত বৰা, সোঁৱৰণী প্ৰাইজমনি আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। উত্তৰ-পূব ক্ৰীড়া সন্থাৰ উদ্যোগত বাহনা খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত অভিনন্দন ক্লাবে ৰিইউনিয়নক টাইব্ৰেকাৰত ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ হৈছিল। প্ৰজ্ঞান বৰুৱাই শ্ৰেষ্ঠ খেলুৱৈ আৰু অংকুৰ কলিতাই শ্ৰেষ্ঠ গ'লকীপাৰৰ সন্মান লাভ কৰে। আজিৰ খেল পৰিচালনা কৰে অনিল শইকীয়াই। লাইনত আছিল ত্ৰিনুজ বৰা আৰু বিনুজ গগৈ। চতুৰ্থ ৰেফাৰী অনন্ত বৰা। খেলৰ বঁটা বিতৰণী সভাত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী, উপ-সভাপতি ললিত বৰা, সম্পাদক জুল খাউণ্ড উপস্থিত থাকি বঁটা প্ৰদান কৰে।

## সপ্তম স্থান মুৰলি

**নিউজ ব্যুৰ'**
**অ'ৰেগন, ১৬ জুলাই ঃ** পদকৰ আশা দেখুওৱা সত্বেও বিশ্ব এথলেটিক্‌ছৰ ফাইনেলত হতাশ কৰিলে ভাৰতীয় লং জাম্পাৰ মুৰলি শ্ৰীশংকৰে। প্ৰতিযোগিতাৰ দ্বিতীয় দিনা অনুষ্ঠিত ফাইনেলত মুৰলিয়ে সপ্তম স্থানহে লাভ কৰে। প্ৰাৰম্ভিক ৰাউণ্ডত তেওঁ আঠ মিটাৰ জঁপিয়াই পদকৰ সম্ভাৱনা জিলিকাই তুলিছিল। যদিও কালিৰ ফাইনেলত মুৰলিয়ে সেই ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে আৰু মাত্ৰ ৭.৯৬ মিটাৰহে লংঘন কৰে।

## অকলে যুঁজ দি দলৰ মান ৰাখিলে বাবৰে


# পাকিস্তান-শ্ৰীলংকাৰ প্ৰথম টেষ্ট মুক্ত



**নিউজ ব্যুৰ'**
**গল, ১৬ জুলাই ঃ** দ্বিতীয় দিনাই আকৰ্ষণীয় পৰ্যায়ত উপনীত হ'ল পাকিস্তান-শ্ৰীলংকাৰ মাজৰ প্ৰথমখন টেষ্ট। দুটা দিনতে উভয় দলৰ মুঠ ২১টা উইকেটৰ পতন ঘটাৰ পাছতে দুয়োটা দলৰ বাবেই জয়ৰ পথ মুকলি হৈ ৰ'ল। শ্ৰীলংকাৰ ২২২ ৰাণৰ প্ৰত্যুত্তৰত আজি পাকিস্তানে অধিনায়ক বাবৰ আজমৰ শতৰাণ সত্ত্বেও ২১৮ ৰাণত প্ৰথম ইনিংছ সামৰে। দিনান্তলৈ ঘৰুৱা দল শ্ৰীলংকালৈ এক উইকেটৰ বিনিময়ত ৩৬ ৰাণ সংগ্ৰহ কৰে। সামগ্ৰিকভাৱে ন উইকেট হাতত থকা অৱস্থাত শ্ৰীলংকা ৪০ ৰাণত আগবাঢ়ি আছে।

উল্লেখ্য যে কালিৰ দুই উইকেটত ২৪ ৰাণৰ পৰা খেল আৰম্ভ কৰি পাকিস্তান গভীৰ বিপদত পৰে। এটা সময়ত দলটোৱে ৮৫ ৰাণতে সাত উইকেট হেৰুৱাই যদিও এটা দিশ ধৰি ৰাখে বাবৰে। তেওঁ য়াছিৰ শ্বাহ (১৮) আৰু হাছান আলী (১৭)ৰ স'তে দুটা সৰু যুটি গঢ়ে যদিও দলটো বিপদমুক্ত হোৱা নাছিল। তথাপি হতোদ্যম নহৈ অধিনায়কজনে নাছিম শ্বাহৰ স'তে দশম উইকেটৰ যুটিত ৭০ ৰাণ যোগ দি দলৰ ৰাণসংখ্যা শ্ৰীলংকাৰ কাষলৈ নিবলৈ সক্ষম হয়। সেই যুটিত নাছিমৰ অৱদান আছিল মাত্ৰ পাঁচ ৰাণ। ইয়াৰ মাজতে বাবৰে নিজৰ সপ্তম টেষ্ট শতৰাণ সম্পূৰ্ণ কৰে। লগতে পাকিস্তানৰ দ্ৰুততম বেটাৰৰূপে আন্তৰ্জাতিক ক্ৰিকেটত ১০ হেজাৰ ৰাণ সম্পূৰ্ণ কৰে। অন্তিম বেটাৰৰ ৰূপত আউট হোৱাৰ পূৰ্বে বাবৰে ২৪৪টা বলৰ সন্মুখীন হৈ ১১টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত ১১৯ ৰাণ কৰে। শ্ৰীলংকাৰ হৈ প্ৰভাত জয়সূৰ্যই পাঁচ উইকেট দখল কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ বিপক্ষে অভিষেক টেষ্টতে ১২টা উইকেট দখল কৰা জয়সূৰ্যই একেৰাহে তৃতীয়টো ইনিংছত পাঁচ উইকেট লাভ কৰিলে। ইপিনে, দ্বিতীয় ইনিংছ মুকলি কৰি শ্ৰীলংকাই অধিনায়ক ডিমুথ কৰুণাৰত্নে (১৬)ৰ উইকেট হেৰুৱাই ৩৬ ৰাণ সংগ্ৰহ কৰিছে।

## ৩০সংখ্যক পদক ফেলিক্সৰ




**নিউজ ব্যুৰ'**
**অ'ৰেগন, ১৬ জুলাই ঃ** দুটা দশকৰ এথলেটিক্‌ছ জীৱনৰ অন্তিম দৌৰত ব্ৰঞ্জৰ পদক জয় কৰিলে আমেৰিকাৰ কিংবদন্তি দৌৰবিদ এলিছন ফেলিক্সে। আমেৰিকাৰ অ'ৰেগনত চলি থকা বিশ্ব এথলেটিক্‌ছত ফেলিক্সে আমেৰিকাৰ ৪x৪০০ মিটাৰ ৰীলেত ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে এইখনেই হৈছে ফেলিক্সৰ অন্তিম প্ৰতিযোগিতা। ইয়াৰ জৰিয়তে তেওঁ বিশ্ব মঞ্চত ৩০টা পদকেৰে কেৰিয়াৰ সম্পূৰ্ণ কৰিলে। লগতে পদক সংখ্যা আৰু কৃতিত্বৰ বিচাৰত তেওঁ এথলেটিক্‌ছৰ ইতিহাসৰ সবাতোকৈ সফল এথলীটত পৰিগণিত হ'ল। বিশ্ব এথলেটিক্‌ছত ১৯টা আৰু অলিম্পিকত ১১টা পদক অৰ্জন কৰিছে ফেলিক্সে। সৰ্বাধিক পদক জয়ৰ ক্ষেত্ৰত ফেলিক্সৰ পাছত আছে আন দুই কিংবদন্তি দৌৰবিদ মাৰ্লিন অ'ট্টি (২৩) আৰু উছেইন ব'ল্ট (২১)।

## যুৱ অলিম্পিকলৈ প্ৰস্তুতি মডাৰ্ণ টাইকোৱান-ড'ৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১৭ জুলাই ঃ** অহা ২৩ৰ পৰা ২৭ জুলাইলৈ সোণাপুৰৰ ডনবস্ক' বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকত অংশগ্ৰহনৰ বাবে শুৱালকুছি মডাৰ্ণ টাইকোৱান-ড' সন্থাই পূৰ্ণ প্ৰস্তুতিৰে অনুশীলন অব্যাহত ৰাখিছে। প্ৰশিক্ষক ৰাকেশ কলিতাৰ তত্ত্বাৱধানত সন্থাৰ পৰা ৪৮ কেজিৰ অনূৰ্ধ্বত নীলম নাথ আৰু ৬৩ কেজিৰ অনূৰ্ধ্বত বাবলু বড়োৱে প্ৰতিদ্বন্দ্বিতা কৰিব। সন্থাৰ যুৱ অলিম্পিকৰ প্ৰতিযোগীদ্বয়লৈ শুৱালকুছিৰ দল-সংগঠনে শুভেচ্ছা জ্ঞাপন কৰিছে।

## মহিলা ইউৰ'ৰ কোৱাৰ্টাৰত স্পেইন

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৬ জুলাই ঃ** ইংলণ্ডত চলি থকা মহিলা ইউৰ' কাপ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত স্থান দখল কৰিলে স্পেইনে। কালি 'বি' গ্ৰুপৰ অন্তিম মেচত স্পেইনে ডেনমাৰ্কক ১-০ গ'লত পৰাজিত কৰে। এই জয়েৰে স্পেইনে গ্ৰুপত দ্বিতীয় স্থান অধিকাৰ কৰে। খেলখনত স্পেইনৰ হৈ জয়সূচক গ'লটো দিয়ে মাৰ্টা কাৰ্ড'নাই।উল্লেখ্য যে 'বি' গ্ৰুপৰ প্ৰথম দুখন মেচত জয়ী হৈ জাৰ্মানীয়ে পূৰ্বেই প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। জয়ৰ ধাৰা অব্যাহত ৰাখি জাৰ্মানীয়ে কালিৰ অন্তিমখন মেচত ফিনলেণ্ডক ৩-০ গ'লত পৰাজিত কৰে।



আজাদী কা অমৃত মহোৎসব

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়, অসম

# স্বনিৰ্ভৰ নাৰী

## নাৰী সবলীকৰণৰ দিশে আৰু এটা খোজ

অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেট ঘোষণা অনুসৰি ৰূপায়িত
এক ধ্বজাবাহী আঁচনি





# শুভাৰম্ভ অনুষ্ঠান

স্থান ঃ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, পাঞ্জাবাৰী, গুৱাহাটী

তাৰিখ ঃ ১৯ জুলাই, ২০২২ | সময় ঃ বিয়লি ৪ বজাৰ পৰা

মুখ্য অতিথি
**ড° হিমন্ত বিশ্ব শৰ্মা**
মাননীয় মুখ্যমন্ত্ৰী, অসম

বিশিষ্ট অতিথি
**শ্ৰীযুত ইউ. জি. ব্ৰহ্ম**
মাননীয় মন্ত্ৰী
হস্তুতাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ, অসম

সম্মানীয় অতিথি
**শ্ৰীযুতা অজন্তা নেওগ**
মাননীয় মন্ত্ৰী
বিত্ত বিভাগ, অসম

- কোনো মধ্যভোগী নোহোৱাকৈ শিপিনীসকলৰ পৰা পোনপটীয়াকৈ হস্ততাঁত উৎপাদিত ৩১ বিধ নিৰ্ধাৰিত পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱস্থা ।
- বিক্ৰীমূল্য শিপিনীসকলক তেওঁলোকৰ বেংক একাউণ্টত চাৰি দিনৰ ভিতৰত আদায়ৰ ব্যৱস্থা।
- ক্ৰয় কৰা সামগ্ৰী আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা ।
- বিভিন্ন জিলাত স্থাপন হ'ব লগা ক্ৰয় কেন্দ্ৰসমূহৰ যোগেদি নিৰ্ধাৰিত মূল্যত, নিৰ্ধাৰিত বস্ত্ৰ সামগ্ৰীসমূহ ক্ৰয়ৰ ব্যৱস্থা ।
- শিপিনীসকলে ইয়াৰ বাবে অনলাইন পৰ্টেল swanirbharnaari.assam.gov.in যোগে নাম পঞ্জীয়ন কৰিব লাগিব ।

## নিৰ্ধাৰিত নিৰিখত ক্ৰয় কৰাৰ বাবে নিৰ্বাচিত সামগ্ৰীসমূহ

বিভিন্ন প্ৰকাৰৰ গামোচা, বড়ো আৰ'নাই, কাৰ্বি পহ, মণিপুৰী খুদেই (অংগ বস্ত্ৰ), ৰাভা পাজাৰ, ডিমাচা ৰিচা-বাচা, মিচিং ডুমেৰ আৰু এৰক'গ, কোঁচ ৰাজবংশী গামোচা, তিৱা ফালি, দেউৰী গামোচা

অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত

জনসংযোগ/ডি/৭৭৩৮/২২